রামায়ণ

অযোধ্যা কাণ্ড

শ্রীমাধব কন্দলী

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শ্ৰীমাধৱকন্দলী

বিৰচিত

ৰামায়ণ

(অযোধ্যা কাণ্ড)

প্ৰকাশক

লয়াৰ্চ বুক ষ্টল

গুৱাহাটী

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

প্রকাশক ঃ
শ্রীবিচিত্রনারায়ণ দত্ত বরুৱা, বি-এল
লয়ার্ছ বুক ষ্টল
গুৱাহাটী অসম।

মূল্য—দুটকা মাত্র

মুদ্রক ঃ
শ্রীকালীচরণ পাল
নবজীবন প্রেছ
৩৬, গ্রে ষ্ট্রীট, কলিকতা-৬

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰামায়ণ

অযোধ্যাকাণ্ড

শ্ৰীৰাম আদিৰ অযোধ্যালৈ প্ৰত্যাগমন আৰু ভৰত শত্ৰুঘনৰ মাতুলালয় যাত্ৰা।

শ্ৰীনমোঁ ভগৱতে শ্ৰীৰাম চন্দ্ৰায় ॥

জয় জয় ৰামচন্দ্ৰ জগত আধাৰ।
ব্ৰহ্মা হৰ পুৰন্দৰ সেৱক যাহাৰ ॥
সৃষ্টিস্থিতি লয় যাৰ লীলা অনুপাম।
হেন ৰাম পদে কৰো সদায় প্ৰণাম ॥ ১৪৯২
স্বৰূপ আৱৰি নিজ মায়া বশ্য কৰি।
দশৰথ গৃহে লীলাৰূপে অৱতৰি ॥
মনুষ্যৰ নয় কৰ্ম্ম কৰিলা অপাৰ।
যাহাৰ শ্ৰৱণে মহাপাপীৰো উদ্ধাৰ ॥ ১৪৯৩
লক্ষ্মণ সহিতে বিশ্বামিত্ৰ সঙ্গে আসি।
ৰাখিলা তাহান যজ্ঞ ৰাক্ষস বিনাশি ॥
ঋষি সমন্বিতে ৰঙ্গে গৈয়া মিথিলাক।
ধনুভঙ্গ কৰি বিহা কৰিলা সীতাক ॥ ১৪৯৪
পৰম সুন্দৰী ভাৰ্য্যা পায়া হৃষীকেশ।
পৰম উৎসুকে ভৈলা অযোধ্যা প্ৰবেশ ॥
চন্দ্ৰৰ উদয়ে যেন কুমুদ প্ৰকাশ।
ৰামক দেখিয়া সৰ্ব্ব জনৰ উল্লাস ॥ ১৪৯৫
সুৰভি শীতল বহে মলয়া পবন।
পুষ্পবন সুগন্ধে আমোদ কৰে মন ॥
ধনে জনে বিচিত্ৰ মণ্ডিত সৰ্ব্বজন।
ৰাজ্যৰ পাতন যেন স্বৰ্গৰ ভুবন ॥ ১৪৯৬
সুপক্ক কদলী ৰুইল বাহিৰে তোৰণ।
কনকে ৰচিত ধ্বজ পূৰ্ণিত কলস ॥
জমকে জমকে জ্বলে মাণিক অপাৰ।
শেতেনেতে মণ্ডিত নগৰী জাতিকাৰ ॥ ১৪৯৭
পুৰুষে ৰমণী তৈত ভৈল উসমিশ।
নগৰৰ পথত যাইবাক নাই দিশ ॥
শঙ্খপট হৰিষৰ মাদলৰ জাক।
নন্দিনী নিনাদ বাদ্য বাৰে বীৰ ঢাক ॥ ১৪৯৮
ৰমণীৰ বদন নিৰ্ম্মল শশধৰ।
কুণ্ডল যুগল সুবলিত দিনকৰ ॥
তাৰাগণ সদৃশ মাণিক সব জ্বলে।
অযোধ্যা নগৰী দেৱ ভুৱনতো বলে ॥ ১৪৯৯
ঘণ্টাৰ শব্দে হস্তী চলে সহৰিষে।
আগে পাচে চলন্তে তুৰঙ্গ সব হ্ৰেসে ॥
চতুৰঙ্গ দলত শব্দ কোলাহল।
পূৰ্ব্বৰ কালত যেন স্বৰ্গৰ আস্ফাল ॥ ১৫০০
বিমান সদৃশ ৰথ চতুৰ্দ্দিশে চলে।
নেমিৰ সন্ধানে সবে নাগলোক টলে ॥
উপৰে শকতি ধনু নৰাচ কটাৰ।
নয়নত চমক খৰশ জাতিকাৰ ॥ ১৫০১
বিদগদ জন তৈত মিলিলা আশেষ।
বালবৃদ্ধ তৰুণ আসিল দেশ দেশ ॥
বন্দীগণে তুতি পঢ়ে ব্ৰাহ্মণে আশীষ।
জয় জয় শব্দে পূৰিল দশোদিশ ॥ ১৫০২

CC-0. Omkar Nath Shastri Collection Jammu. Digitized by Siddhanta eGangotri Gyaan Kosha

ৰাম আগমন শুনি কৌতুহল মনে।
কুন্দৰুখ জালে চাহে কেহো নাৰীগণে॥
ধৌলিৰৰ উপৰত চড়িল যুৱতী।
কৈলাস শিখৰে শোভে যেহেন পাৰ্ব্বতী॥ ১৫০৩
সখীগণ সম্মুখি বোলয় বৰনাৰী।
ৰামৰ স্বৰূপে চিত ধৰিতে নপাৰি॥
ৰাম মুখ পদ্ম মোৰ নয়ন ভ্ৰমৰ।
বাৰিতে নপাৰো ভোগ কৰে নিৰন্তৰ॥ ১৫০৪
কাঞ্চিৰ শৰদ নূপুৰৰ ৰুণ ঝুন।
বৰ্ণাইবেক কেমনে ৰামৰ ৰূপ গুণ॥
ৰম্ভা তিলোত্তমা আৰো উৰ্ব্বশী সুন্দৰী।
সীতাৰ ৰূপক কেহো নুহি সৰিবৰি॥ ১৫০৫
ৰাম সীতা আগমন দেখি সৰ্ব্বলোকে।
থানে থানে উৰুলি পাৰয় ঝোকে ঝোকে॥
কেহো নৃত্য কৰে কেহো আনন্দ বধাৰ।
নটী সবে নাচয় কৰিয়া ভঙ্গীভাৰ॥ ১৫০৬
ৰামক সীতাক দেখি গৈলা থানে থানে।
নগৰীৰ লোকক তুষিলা দানে মানে॥
সুবৰ্ণ ৰজত ৰত্ন যতেক সম্ভাৰ।
ৰামক সীতাক দিলা যৌতুক অপাৰ॥ ১৫০৭
ৰাম সীতা ৰথে থিত ভৈলন্ত চৌপথে।
উৰ্ম্মিলা লক্ষ্মণ থিত ভৈলা একে ৰথে॥
হাট বাট এৰাই গৈলা জঙ্গাল চৌপথ।
কৌশল্যাৰ ঘৰে চলি গৈলা দশৰথ॥ ১৫০৮
কৌশল্যা গৃহত কৈলা বিবিধ আচাৰ।
কহিলা সুমন্ত্ৰ শুন বচন আমাৰ॥
আগবাঢ়ি সুমন্ত্ৰ যুৰিলা যোৰহাত।
ৰাজ ৰাজেশ্বৰ বুলি নমিলন্ত মাথ॥ ১৫০৯
দশৰথে আজ্ঞা কৰিলন্ত সুমন্ত্ৰক।
শীঘ্ৰে গৈয়া আন কুল নন্দন ৰামক॥
মাথে ধৰি মন্ত্ৰী নৃপতিৰ আজ্ঞা বাণী।
ৰাম সীতা লক্ষ্মণক মিলাইলন্ত আনি॥ ১৫১০
থাপিলন্ত গৃহত সুবৰ্ণময় ঘট।
কন্যাসবে পাৰিল বাটত নেতপট॥
আপোনাৰ আচাৰ কৰিল নাৰীগণে।
দশৰথ থিত ভৈলা সহৰিষ মনে॥ ১৫১১
ৰামসীতা প্ৰবেশিলা ৰাজাৰ মন্দিৰি।
ভাৰ্য্যা সমে সূৰ্য্য যেন থিত অস্ত গিৰি॥
নমিলন্ত বাপক আৰৰ নিজ মাৰ।
কৈকেয়ীৰ সুমিত্ৰাৰ নমিলন্ত পাৰ॥ ১৫১২
ছয় শত মাৰ আৰ পঞ্চাশ বেকতী।
একে একে সবাহাক কৰিলা প্ৰণতি॥
শ্ৰীৰাম লক্ষ্মণ আদি কৰি চাৰি ভাই।
চাৰি কন্যা লৈয়া চলি গৈলা নিজ ঠাই॥ ১৫১৩
নাৰী মিলিলন্ত যত কৌশল্যাৰ ঘৰ।
সীতাৰ ৰূপক কেহো নোহে সমসৰ॥
সীতাৰ প্ৰভাৱে মুখ মলিন সবাৰ।
পূৰ্ণচন্দ্ৰ উদয়ে নজ্বলে যেন তাৰ॥ ১৫১৪
কাশ্যপক অদিতিক যেন সুৰপতি।
বাপক মাৰক নিতে কৰিলা ভকতি॥
দেৱ দ্বিজ আৰাধিয়া সন্তোষন কৰি।
নিজগুণে ৰঞ্জিলন্ত সমস্তে নগৰী॥ ১৫১৫
চাৰি ভাই মিলি ধৰ্ম্মপথ অনুসৰি।
হৰিষে আছন্ত নানাবিধ ভোগ কৰি॥
মাতুলক দেখো ভৰতৰ ভৈল মন।
তুলত লৈলন্ত প্ৰাণ ভাই শত্ৰুঘন॥ ১৫১৬
ৰামৰ চৰণ দুই নমস্কাৰ কৰি।
অনুজ্ঞা মাগিলা পাচে পুষ্টাঞ্জলি ধৰি॥
প্ৰণমিলা বাপক আৰৰ নিজ মাৰ।
পাইলন্ত ভৰত গৈয়া যুদ্ধাজিত ঠাৰ॥ ১৫১৭

CC-0. Manaraj Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাজা যুদ্ধাজিতে তাঙ্ক ভালে সাদৰিল ।
মাস কতিপয় তথা ভৰতে বঞ্চিল ॥
বিবিধ সম্বাদ তথা মিলিল বহুত ।
ৰামৰ কাহিনী আবে শুনিয়ো প্ৰস্তুত ॥ ১৫১৮

ৰজা দশৰথৰ ওচৰত শ্ৰীৰামক যুবৰাজ পাতিবলৈ প্ৰজাসকলৰ অনুৰোধ ।

প্ৰজা সবে বোলয় হৰিষ কৰে মন ।
ৰাম যুবৰাজ ভৈলে সাফল জীৱন ॥
ধন্য উতপতি তেবে নেত্ৰৰ সাফল ।
জীৱন্ততে স্বৰ্গ মহা মিলিবে মঙ্গল ॥ ১৫১৯
মন্ত্ৰী পুৰোহিত যত ৰামত ভকত ।
বশিষ্ঠ প্ৰমুখ্যে নৃপতিত অনুগত ॥
মুখ্য মুখ্য পাত্ৰে মিলি সমত কৰিল ।
দশৰথ ওৱাৰিত সবহি মিলিল ॥ ১৫২০
সিংহাসনে বসিয়া আছন্ত দশৰথ ।
প্ৰতিহাৰে কৈলা গৈয়া বৃত্তান্ত সমস্ত ॥
যত মুখ্য মুখ্য জন তোমাত ভকত ।
হৰিষে মিলিল আসি সিংহ দুৱাৰত ॥ ১৫২১
নয়ন কটাক্ষে ৰাজা কৰিলা আদেশ ।
দ্বাৰী জনে আনি সবে কৰাইলা প্ৰবেশ ॥
বশিষ্ঠক দেখি ৰাজা চালিলন্ত গাৱ ।
যেন ইন্দ্ৰে নমিলা গুৰুৰ দুই পাৱ ॥ ১৫২২
বশিষ্ঠ বসিলা তথা আনন্দ বদনে ।
দশৰথ বসিলন্ত ৰত্ন সিংহাসনে ॥
ৰাজাক প্ৰণামি ভক্তি কৰে সৰ্ব্বজনে ।
ইন্দ্ৰক যেহেন তুতি কৰে দেৱগণে ॥ ১৫২৩
সমস্তৰে ভক্তি দেখি দশৰথ ৰায় ।
বুলিলা বচন পাচে সমস্তকে চাই ॥
তোমাসাৰ দেখোঁ আজি প্ৰসন্ন বদন ।
কিনো বাক্য বুলিতে সবাৰো আছে মন ॥ ১৫২৪
অনন্তৰে পাত্ৰলোকে কৃতাঞ্জলি ধৰি ।
ৰাজাক মাতিলা পাচে নমস্কাৰ কৰি ॥
শুনিয়ো গোসাই নিজ পৃথিবী পালক ।
ৰাজ ৰাজেশ্বৰ ৰঘুবংশৰ তিলক ॥ ১৫২৫
তোমাৰ তনয় ৰাম সাফল জীৱন ।
নিজগুণে ৰঞ্জিলন্ত নগৰীৰ জন ॥
দেৱৰ আগত আমি নোবোলোহো মিছা ।
ৰাম যুবৰাজ হৈবে সমস্তৰে ইচ্ছা ॥ ১৫২৬
ঘৰ্ম্মদুখে আতিশয় পীড়া পায়া জন ।
মেঘ জল বৃষ্টিক যেহেন কৰে মন ॥
ৰাম যুবৰাজ ভৈলে মিলে কৌতুহল ।
হোৱয় আমাৰ তেবে জীৱন সাফল ॥ ১৫২৭
হেন বাক্য শুনি ৰাজা সহৰিষ মন ।
ধন্য ধন্য প্ৰজা ৰাজা বুলিলা বচন ॥
অনুগ্ৰহ আছে মোক জানিলোহো কাজ ।
অবিলম্বে ৰামক কৰিবো যুবৰাজ ॥ ১৫২৮

শ্ৰীৰামৰ অভিষেকৰ আয়োজন ।

ফাল্গুন এৰায়া ভৈল চৈতৰ প্ৰবেশ ।
বৃক্ষ সব পুষ্পিত মণ্ডিত সবদেশ ॥
ইহাতে ৰামক ভালে অভিষেক ক্ষৰি ।
ৰাজ্য ভাৰ সমৰ্পিবো অযোধ্যা নগৰী ॥ ১৫২৯
শুনিয়ো বশিষ্ঠ কুলদেৱতা আমাৰ ।
শীঘ্ৰে মিলায়োক আনি সমস্তে সম্ভাৰ ॥
ৰাজাৰ বচন সবে জানিল প্ৰস্তুত ।
শীঘ্ৰে মিলাইলন্ত আনি সম্ভাৰ বহুত ॥ ১৫৩০

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দশৰথে বোলন্ত সুমন্ত্র মন্ত্রীবৰ।
ৰামক ৰথত তুলি আনিও সত্বৰ॥
ৰাজাৰ আদেশ মন্ত্রী মাথাত লৈলন্ত।
ৰামক আনিয়া আতি শীঘ্রে মিলাইলন্ত॥ ১৫৩১
প্রাসাদ উপৰে ৰাজা মাথা তুলি চাইল।
হৃদয় নন্দন শ্রীৰামক ভেট পাইল॥
গন্ধর্ব্ব ৰাজাৰ সমসৰ মনোহৰ।
সুকীর্ত্তি বিদিত দশো দিশ নিৰন্তৰ॥ ১৫৩২
প্রলম্বিত বাহু মত্ত গজৰ গমন।
কোমল কমল দল সমান নয়ন॥
দশৰথে নকৰিল চক্ষুক নিমেষ।
পুত্রমুখ দেখি ভৈলা হৰিষ আশেষ॥ ১৫৩৩
প্রাসাদ নামত ৰথ কৰি পৰিত্যাগ।
পাচত সুমন্ত্র ৰামচন্দ্র ভৈলা আগ॥
বাপক দেখিলা ৰাম প্রাসাদ উপৰে।
কুবেৰ আছন্ত যেন কৈলাস শিখৰে॥ ১৫৩৪
প্রদক্ষিণ কৰি কৃতাঞ্জলি কৰিলন্ত।
যেন নলকুবেৰে চৰণ বন্দিলন্ত॥
ৰামক আনিয়া ৰাজা আলিঙ্গি ধৰিল।
গুণৰূপ বর্ণাই মাথে চুম্বন কৰিল॥ ১৫৩৫
সুবর্ণৰ আসনক কৰিলা আদেশ।
তাহাতে বসিলা ৰামচন্দ্র হৃষীকেশ॥
ৰামৰ দিপিতি সিংহাসনত লাগিল।
ৰবিৰ কিৰণে যেন মেৰু উজ্জ্বলিল॥ ১৫৩৬
ৰামক দেখিলা ৰাজা হৰষিত মনে।
দর্পণত প্রতিবিম্ব যেহেন আপনে॥
সভাখন ভৈল যেন নির্ম্মল গগন।
ৰাজা সব ভৈল যেন নক্ষত্র শোভন॥ ১৫৩৭
ৰাঘৱৰ কান্তি চন্দ্র সমান বলিল।
স্বর্গৰ খণ্ডেক যেন ভূমিত পাৰিল॥

অল্প হাস্য কৰিয়া বোলন্ত দশৰথ।
শুনিয়োক শ্রীৰাম তোমাৰ হিতপথ॥ ১৫৩৮
জনক পালিবা বুজিবাহা ৰাজ কায।
পুণ্য যোগে তোমাক পাতিবো যুবৰাজ॥
বুলিতে নলাগে তুমি শোভন চৰিত।
স্নেহৰূপে ত্রিজগতে পালিবাহা হিত॥ ১৫৩৯
আপোন পৰক কিছু নেদেখিবি ভিন।
জন প্রতিপালিবে জানিবে ছয়গুণ॥
সন্ধি বিগ্রহৰ তত্ত্ব আৰৰ আসন।
দ্বৈধ সখ্য যান ছয়গুণে দিবে মন॥ ১৫৪০
এহি ছয় গুণে হয় ৰাজাৰ লক্ষণ।
সর্ব্বকালে সুখে তেবে বঞ্চে ৰাজগণ॥
শুন পুত্র শ্রীৰাম আৰৰ কহো বিধি।
এহি সাত প্রকাৰে ৰাজ্যৰ হোৱে সিদ্ধি॥ ১৫৪১
আপুনি পালিব ৰাজ্য আৰো মন্ত্রীগণ।
বহুমিত্র কৰিব সঞ্চিব বহুধন॥
ৰাজ্য দেশ বশ্য হৈব আনো নানা থান।
ৰাজা ভৈলে কৰিব সৈন্যক বহুমান॥ ১৫৪২
পৰজন সমে যেবে ৰাজা কৰে সঙ্গ।
হেন অষ্ট প্রকাৰে ৰাজ্যৰ হোৱে অঙ্গ॥
যিবা ৰাজা আক জানে তাৰ নাহি ভয়।
আছোক নৃপতি ত্রৈলোক্যতো পাৰে জয়॥ ১৫৪৩
জ্যেষ্ঠ মহাদেই মোৰ সাফলা কৌশল্যা।
যাহাৰ গর্ভত তুমি উতপতি ভৈলা॥
কুলৰ নন্দন বাপ মোৰ বৰ ভাগ।
তুমি ৰাজা হৈবাহা জনৰ অনুৰাগ॥ ১৫৪৪
বৃদ্ধ ভৈলো কৰিলো ৰাজ্যৰ উপভোগ।
যজ্ঞ শত কৰিলো ধনৰ উপযোগ॥
দেৱ পিতৃ পুত্রৰ নভৈল ঋণ শেষ।
প্রজাক পালিলো ভালে অনেক বিশেষ॥ ১৫৪৫

CC-0. Jangamwadi Math Collection. Digitized by eGangotri Gyaan Kosha

স্বপ্নেক দেখিয়া বিচলিত মোৰ চিত।
ভূমিকম্পে নিৰ্ঘাত পৰিল পৃথিবীত ॥
দুই গ্ৰহ মন্দ মোৰ ৰাহুৰে মঙ্গলে।
দৈবজ্ঞে গণিয়া মোত কহিলে সকলে ॥ ১৫৪৬
হেন উপঘাতত ৰাজাৰ কাল হয়।
প্ৰজাৰ অনিষ্ট আসি মিলিল নিশ্চয় ॥
যাৰে নৈয়ো জানে লোকে ইটো সবকাজ।
কালি শুভ দিনত তোমাক দিবো ৰাজ ॥ ১৫৪৭
তোমাক ভকতি মনে ভৰত কুমাৰে।
তোমাৰেসে আজ্ঞা পালি অন্নপান কৰে ॥
তথাপিতো নুবুজোহো কুমাৰ স্বভাৱ।
শীঘ্ৰে ৰাজ্য লৈয়োক দেশত নাহি যাৱ ॥ ১৫৪৮
কালি ৰাজা হৈবা চলো আপোনাৰ থান।
সীতায়ে সহিতে চাহিয়োক অনুষ্ঠান ॥
ৰাজাৰ আদেশ ৰামে মাথে তুলি লৈলা।
কৌশল্যাৰ ঠাৱক সত্বৰে চলি গৈলা ॥ ১৫৪৯
ৰাম অভিষেক শুনি সহৰিষ মনে।
আসিয়া আছন্ত আগে সুমিত্ৰা লক্ষ্মণে ॥
কথা শুনি কৌশল্যায়ো শুক্ল বস্ত্ৰ ধৰি।
আছন্ত দেৱৰ ঘৰে কৃতাঞ্জলি কৰি ॥ ১৫৫০
একান্তিক ধ্যান মনে জগতৰ মাৱ।
বিষ্ণুক পূজন্তে ৰামে নমিলন্ত পাৱ ॥
শুনিলা কি মাৱ মোৰ কাৰ্য্য সবিশেষ।
প্ৰজা পালিবাক বাপে কৰিলা আদেশ ॥ ১৫৫১
হেন শুনি কৌশল্যাৰ পৰম হৰিষ।
চিৰকাল জীৱ বুলি কৰিলা আশীষ ॥
ধন্য মোৰ জীৱন ফলিল মনোৰথ।
তুষিলা তোমাৰ গুণে ৰাজা দশৰথ ॥ ১৫৫২
সাফল বিষ্ণুত আমি ভকতি কৰিল।
কৰ্ম্মগত লক্ষ্মী আসি আপুনি বৰিল ॥
দেৱগণ সহিতে বিষ্ণুয়ে দেন্ত বৰ।
চিৰকাল জীৱ বুঢ়া ৰাজা ৰাজেশ্বৰ ॥ ১৫৫৩
শ্ৰীৰামে বোলন্ত কুখিধৰ মোৰ মাৱ।
কালি ৰাজা হৈবোহো জনাইলো তযু পাৱ ॥
আশীৰ্ব্বাদ দিয়া মাৱ কৰিয়ো আশ্বাস।
সীতা সমন্বিতে মোৰ আজি অদিবাস ॥ ১৫৫৪
মাঙ্গল্য দিয়োক মাৱ স্ত্ৰীৰ আচাৰ।
বিঘিনি বিনাশ হৌক সীতাৰ আমাৰ ॥
ৰাঘৱে বোলন্ত শুন কনিষ্ঠ লখাই।
প্ৰাণ সম তুমি মোৰ সুভাষিত ভাই ॥ ১৫৫৫
আমাৰ ৰাজ্যত তোৰ নাহি বিপৰীত।
অবিকলে ভোগ কৰ শোভন চৰিত ॥
লক্ষ্মণক সম্বুধি আৱৰ যত মাৱ।
শীঘ্ৰে বেগে চলিয়া গৈলন্ত নিজ ঠাৱ ॥ ১৫৫৬
বসিলন্ত সুবৰ্ণৰ আসন বিশেষে।
বশিষ্ঠ গৈলন্ত চলি ৰাজাৰ আদেশে ॥
সাদৰিলা তাঙ্ক ৰামে সহৰিষ মনে।
চলিলন্ত কৌতূহলে ব্ৰহ্মাৰ নন্দনে ॥ ১৫৫৭
নৃপতিয়ে পঠাই দিলা মোক তযু পাশ।
কালি ৰাজা হৈবা ৰাম আজি অদিবাস ॥
অদিবাস কৰাই গুৰু চলি গৈলা ৰথে।
দেখিলন্ত বশিষ্ঠে আনন্দ সব পথে ॥ ১৫৫৮
নিৰন্তৰে প্ৰজা বোলে ৰাত্ৰি পৰিহৰি।
ৰাম অভিষেকক দেখিবো নেত্ৰ ভৰি ॥
তেবেসে আমাৰ হৈবে সাফল জীৱন।
কৰে কৌতূহল অযোধ্যাৰ যত জন ॥ ১৫৫৯
নগৰী জনৰ বাক্য শুনিয়া আশেষ।
ৰাজাত কহিয়া গুৰু গৃহত প্ৰবেশ ॥
বশিষ্ঠৰ বাক্য ৰামে শিৰত ধৰিল।
বেদমন্ত্ৰে অগণিত আহুতি কৰিল ॥ ১৫৬০

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

আহুতিৰ শেষে ৰামে আনন্দিত মনে।
দেৱ ঘৰে থাকিলন্ত কুশৰ শয়নে॥
ৰাত্ৰি প্ৰহৰেক থিতে ৰামে চালি গাৰ।
শৰীৰত অলঙ্কাৰ পিন্ধি নানা ভাৰ॥ ১৫৬১
উষা কাল ভৈল জানি বিধিৰ বিধানে।
পূৰ্ব্ব সন্ধ্যা উপাসিল হৰিক ধিয়ানে॥
আনো সব নিয়মক কৰি এক চিতে।
আনন্দে ৰহিলা ৰাম সীতা সমন্বিতে॥ ১৫৬২
নিৰন্তৰে প্ৰজাগণে মনত কৌতুকে।
নগৰীক অলঙ্কৃত কৰিল উৎসুকে॥
বিচিত্ৰ পতাকা ধ্বজ তুলিয়া ধৰিল।
হাট বাট পুষ্পে গন্ধে ধূপে আৱৰিল॥ ১৫৬৩
জীৱন সাফল প্ৰজা বোলে নিৰন্তৰ।
ৰামচন্দ্ৰ হৈব আজি ৰাজ ৰাজেশ্বৰ॥
চিৰ কাল জীৱ বুঢ়া ৰাজা দশৰথ।
যাহাৰ প্ৰসাদে সাফলিল মনোৰথ॥ ১৫৬৪
সূৰ্য্যৰ বংশত ধন্য ভৈলা উতপতি।
ৰাঘৱক ৰাজ্য দিতে যাৰ ভৈল মতি॥
ৰাম অভিষেক শুনি সহৰিষ মনে।
নগৰী ভৰিল আসি আনো দেশীজনে॥ ১৫৬৫
হাসো হাসো কৰে পুৰী অযোধ্যা সম্প্ৰতি।
নৃত্য গীত বাদ্যে যেন দেখি অম্ৰাৱতি॥

মন্থৰাৰ কৈকেয়ীক কুমন্ত্ৰণা দান।

কৈকেয়ীৰ কুবুজী মন্থৰা তাৰ নাম।
প্ৰাসাদ উপৰে চড়ি দেখে অনুপাম॥ ১৫৬৬
হাট বাট নগৰী পূৰিল সৰ্ব্বজনে।
দেৱগণে ক্ৰীড়ে যেন স্বৰ্গ ভুৱনে॥
কেহো গাৱে কেহো বাৱে কেহো কৰে ৰোল।
আউৰে আউৰ হৰিষে ধৰিয়া কোলে কোল॥১৫৬৭
নৃত্য গীত শৱদ বাজয় বাদ্য ভণ্ড।
পতাকা তোৰণ ধ্বজ চিন চোণ্ডাদণ্ড॥
ভৰতৰ ধাইত কুজীয়ে পুছে কাজ।
বিপৰীত ৰঙ্গ দেখো ব্ৰাহ্মণ সমাজ॥ ১৫৬৮
আনন্দ উৎসাহ নগৰীত ভৈল জনে।
জয় নন্দি ঘোষে লোকে সহৰিষ মনে॥
কৌশল্যা ৰাজাৰ মাৱ ৰাজাত বিনয়।
যেন স্বৰ্গ জনৰ আনন্দ জয় জয়॥ ১৫৬৯
ধাই বোলে কুজী তই নলক্ষিলি কাজ।
দশৰথে ৰামক কৰন্ত যুবৰাজ॥
এতেকে কৌশল্যা ভৈলা আনন্দিত চিত্ত।
তনয়ৰ আনন্দ দেখিবা নিতে নিত॥ ১৫৭০
ধাইৰ বচন শুনি কুজীয়ে খঙ্গাইল।
আথে বেথে গৈয়া কৈকেয়ীৰ পাশ পাইল॥
উঠ উঠ দুহা শয়নক পৰিহৰ।
তোহোৰ উপৰে কথা বৰ আথান্তৰ॥ ১৫৭১
সচকিত মনে শয্যা হন্তে চালি গাৱ।
কুজীত শোধয় কথা ভৰতৰ মাৱ॥
শুন বোলো কুজী তোৰ কেনে দেখো মন।
কিনো আথান্তৰ কথা কহ এতিক্ষণ॥ ১৫৭২
কৈকেয়ীক মন্থৰা বুলিল পাচে বাণী।
মিলিল তোমাৰ ক্ষয় কিসক নাজানি॥
তুমি যেন সুভাগিনী জানিলোহো কাজ।
দশৰথে ৰামক কৰন্ত যুবৰাজ॥ ১৫৭৩
অকল্যাণ বৰ আসি মিলিল দুৰ্ঘোৰ।
ইটো দুখ সাগৰে উদ্ধাৰ নাহি তোৰ॥
কিনো পাপ কৰিলো যৌতুকে দিল মোক।
সতিনাৰ চেড়ী হোৱি দেখিবোহো তোক॥ ১৫৭৪

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাম অভিষেক শুনি সহৰিষ মনে।
গীৰ্ব্বাৰ কাঢ়িয়া হাৰ দিলা তেতিক্ষণে॥
ৰাজ্য দেওক ৰামক নৃপতি দশৰথ।
লও কুজা প্ৰসাদ ফলিল মনোৰথ॥ ১৫৭৫
ক্ৰোধত খঙ্গিল কুজী জাজ্জ্বল্য সমান।
আছাৰিয়া পেলাইলেক কৈকেয়ীৰ দান॥
হাতে হাতে পিশয় বজায়া দান্তে দান্তে।
আসজ শুনিয় যেন তেলীয়াৰ জান্ত॥ ১৫৭৬
সাপে খায়া মাৰোক গৰল নোহে খাহা।
গলে হাণ্ডি বান্ধি নোহে মৰিবাক যাহা॥
আবে জানো ভৈল তোৰ অধম বিপতি।
আপদ কালত তোৰ হেন ভৈল মতি॥ ১৫৭৭
প্ৰলয়ে হৰিষ তোৰ পাচ নমনস।
চূন্দেবাসে তল যাস পাৰক গিলস॥
যেবে তোৰ জীবেক স্বপুত্ৰ পৰিবাৰ।
ৰাঘৱক ৰাজ্য দিতে ৰাজাক নিবাৰ॥ ১৫৭৮
দশৰথ সাগৰ তৰঙ্গী নদী তই।
অলপতে শুখাই যাইবি জানিলোহো মই॥
প্ৰিয়া গঙ্গা কৌশল্যা গম্ভীৰ বেগে বহে।
ৰাম অভিষেকক বেকত কৰি কহে॥ ১৫৭৯
কৈকেয়ী বোলে কুজী হেন সে দাৰুণ।
মোহোৰ আগত আসি বোল নিকাৰুণ॥
ৰাম ৰাজা ভৈলে মন্দ নলখোহোঁ আন।
ভাতৃক দেখিব ৰামে পুত্ৰৰ সমান॥ ১৫৮০
গুণৰ সাগৰ ৰাম দেখিলি তই কিস্।
অমৃত কুণ্ডত কুজী তই ঢাল বিষ॥
জ্যেষ্ঠ পুত্ৰক দিব ৰাজ্য ধন কোষ।
দশৰথ ৰাজাৰ নেদেখো কিছু দোষ॥ ১৫৮১
গুণৰ মন্দিৰ ৰাম বাপ শুদ্ধমতি।
কৌশল্যাতোধিক মোত কৰয় ভকতি॥
সত্যে সত্যে বোলো কিছু নাই অন্যয়থা।
ভৰততোধিক মোৰ ৰামকেসে বেথা॥ ১৫৮২
কতোকাল ৰাজ্য ভুঞ্জি সহৰিষ মনে।
ভৰতত ৰামে ৰাজ্য সম্পিব আপনে॥
কুজী বোলে ভাল তুমি ৰামক বখান।
ৰাজ বংশে উতপতি কিছুৱে নজান॥ ১৫৮৩
ৰাম ৰাজা ভৈলে পাচে তাহাৰ তনয়।
পুত্ৰ পৌত্ৰ বংশে ৰাজা হৈবেক নিশ্চয়॥
দুয়োকুলে ৰাজা তাৰ নাজানস কাজ।
কহিত শুনিলি ভায়েকক দিয়ে ৰাজ॥ ১৫৮৪
তোহোৰ বাপৰ ভাই জগত বিদিত।
তাঙ্ক ৰাজ্য নেদিয়া থাপিলা যুদ্ধাজিত॥
হেন সব জানি তোৰ মতি বিপৰীত।
বুদ্ধি হত ভৈলে বোলে নুশুনস হিত॥ ১৫৮৫
সতিনীৰ পোৰ গুণ বখানস কিস।
মুখত অমৃত তাৰ হৃদয়ত বিষ॥
অঙ্গাৰক দুগ্ধে কৰে শতেক প্ৰক্ষাল।
তথাপিতো নেৰয় স্বভাৱ বৰ্ণ কাল॥ ১৫৮৬
ৰাজা ভৈলে ৰাঘৱ ভৰত বনে যাইব।
ৰামৰ হাতত নুহি প্ৰাণ সুজাইব॥
মোৰ বোল নুশুনস নুবুজস কাজ।
সকুটুম্বে জানিলো দেশৰ ভৈলি বাজ॥ ১৫৮৭

মন্থৰাৰ কথা মতে কৈকেয়ীয়ে দশৰথক বৰ খোজে আৰু দশৰথৰ খেদ।

হেন শুনি কৈকেয়ীৰ বিহৰিল মন।
বোলন্ত মন্থৰা তোৰ সাফল জীৱন॥
ৰামক গুছায়া ভৰতক দিবো দেশ।
কোনবা উপায় ফুলে বুলিয়ো বিশেষ॥ ১৫৮৮

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কুজী বোলে কৈকেয়ী হৰিষ কৰ মন।
একে উপদেশ ৰাম চলি যাইব বন॥
আলখনী কুজীত সুধিলি তই কাজ।
আৰ বুদ্ধি বোলোহো ভৰতে পাইব ৰাজ॥১৫৮৯
এতেক বচন শুনি ভৰতৰ মাৱ।
বুলিও উপায় বুলি চালিলেক গাৱ॥
ভৰত নৃপতি ভৈলে তই হৈবি সুখী।
অন্তেসপুৰত তোক কৰিবো প্ৰমুখী॥ ১৫৯০
ৰাজা ভৈলে ভৰত কীৰ্ত্তিক তোক নিবো।
তোৰ কুজ গুটী শুদ্ধ সুবৰ্ণে বান্ধিবো॥
বেটী শত দিবো আৰো ৰত্ন অলঙ্কাৰ।
গ্ৰীবাত তোহোৰ দিবো সাতেসৰি হাৰ॥ ১৫৯১
পদ্মকেশৰৰ বৰ্ণ প্ৰিয় দৰিশন।
উৰুস্থল লখি তোৰ আতি সুশোভন॥
উন্নত নাসিকা মুখ দেখিয়া স্বভাৱ।
কুজ গুচি দেখি হেন সুৱৰ্ণ সৰাৱ॥ ১৫৯২
আন সব কুবুজীৰ হিয়া খান খাল।
গ্ৰাৱা গোট নলখিয় পেচা হেন গাল॥
পেট গোট খাল আতি অশোভন দেখি।
ইসব দোষক তোৰ কিছুয়ে নলখি॥ ১৫৯৩
তোহোৰ উদৰ কৃশ সৰস জঘন।
শোভন যৌৱন দেখি যুবত মোহন॥
আগত থাকিলে মন কৰয় উল্লাস।
লীলা হংসী যেন কেলি কৰতেহি যাস॥ ১৫৯৪
কুজী বোলে উপায় শুনিয়ো তোৰ হিত।
যিমতে জিনিবি ৰাজা দশৰথ চিত॥
পুৰণি কথাক তই সুমৰণ কৰ।
ৰাজা বুলিয়াছে তোক দিবো দুই বৰ॥ ১৫৯৫
দেৱাসুৰ ৰণ বৰ মিলিল পূৰ্ব্বত।
জিনিলা দেৱক ৰণে অসুৰ সমস্ত॥

মহেন্দ্ৰৰ সখা ভৈলা দশৰথ ৰায়।
ভঙ্গায়া অসুৰ বল খেদাইলা লীলাই॥ ১৫৯৬
যুদ্ধ জিনি আসিয়া ভৈলন্ত তিৰপিতি।
আগ বাঢ়ি কৈলা তুমি ৰাজাত ভকতি॥
বৰ দুই দিবাক ৰাজাৰ ভৈল মন।
তুমিও বুলিলা বৰ লৈবো আনখন॥ ১৫৯৭
ক্ৰোধ ঘৰে থাকিও মলিন বস্ত্ৰ লৈয়া।
মাটিত কাপৰ পাৰি বিমন কৰিয়া॥
কোপ কৰি থাকিবি মুকুত কৰি কেশ।
ৰাজা আসি চাটু পাটু বুলিব আশেষ॥ ১৫৯৮
ৰত্ন মণি মানিবন্ত নিধিৰ ভণ্ডাৰ।
যতেক মানিব তাক নকৰিবি সাৰ॥
বাক্যে ছান্দি নৃপতিক শপত কৰাইবি।
হেন বুদ্ধি কৈলে তই দুয়ো বৰ পাইবি॥ ১৫৯৯
এক বৰ মাগি ভৰতক দিবি ৰাজ।
ৰাম বন যাইবাক বুলিবি আৰ কাজ॥
বৃদ্ধৰ তৰুণী ভাৰ্য্যা আতি বৰ ৰতি।
তোৰ বোল বাধিবাক নুহিবে শকতি॥ ১৬০০
চলিলা কুজীৰ বোলে হৰষিত মনে।
ৰামৰ লিখিত বিধি বাধিব কেমনে॥
কুজী তোৰ বচনে ভূমিত থাকো লুটি।
হা ৰাম বোলন্তে পৰাণ যায় ফুটি॥ ১৬০১
পাপিষ্ঠী কুবুজী মোৰ ভেদিলি হৃদয়।
জনিলি কথাক কহি অনেক সংশয়॥
তোহোৰ বোলত আবে কৰো মন্দ যত্ন।
ভৰত কাচক লাগি হৰাওঁ ৰাম ৰত্ন॥ ১৬০২
মোৰ বোলে ৰামাই বন যাইবে হেনজানি।
মৰিবো কটাৰ হানি নখাই ভাত পানী॥
মনত বিষাদ কৰি ভৰতৰ মাৱ।
ক্ৰোধঘৰে থাকিলন্ত বিমল স্বভাৱ॥ ১৬০৩

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাঘৱক ৰাজ্য দিবো বুলি আইলা ঠাৰে ॥
কৈকেয়ীক খোজে ৰাজা হৰষিত ভাৱে ॥
স্ত্ৰীগণ লৈয়া খুজি ফুৰা নৃপবৰে।
দেখন্ত কৈকেয়ী শুতি আছে ক্ৰোধঘৰে ॥ ১৬০৪
হস্তিনী আছয় যেন পৰিয়া নৈৰাশ।
মহাগজ সম ৰাজা চাপিলন্ত পাশ ॥
কৰে কৰ ধৰি ৰাজা বুলিলন্ত ভাৱ।
ৰাম অভিষেক কালি শীঘ্ৰে চাল গাৱ ॥ ১৬০৫
উঠ প্ৰাণেশ্বৰী অৱসান ভৈল বেলা।
তোক যি অনিষ্ট চিন্তে মোক কৰে হেলা ॥
নাৰীজন হোৱে অনুৰূপ কৰো দণ্ড।
পুৰুষৰ নামে কাটি কৰো নৱ খণ্ড ॥ ১৬০৬
মই মন্দ কৰিলোহো নলখোহো হেন।
বৃদ্ধৰ তৰুণী ভাৰ্য্যা দেখো প্ৰাণ যেন ॥
কোনে মন্দ চিন্তিলেক পাইবে পাপ ফল।
সপুত্ৰ বান্ধৱ সমে যাইব ৰসাতল ॥ ১৬০৭
নিৰ্ধনী হৈবেক ধনী ধনীয়ে নিৰ্ধন।
কাহাক দণ্ডিবো বোল তোৰ যাক মন ॥
যত ৰত্নভণ্ডাৰ আছয় এথা মোৰ।
যেই লাগে লৈয়োক হৰিষ মন তোৰ ॥ ১৬০৮
উঠ উঠ প্ৰাণেশ্বৰী নতু শুন কাজ।
পুণ্যযোগে কালি শ্ৰীৰামক দিবো ৰাজ ॥
এতেক বচন শুনি ভৰতৰ মাৱ।
নৃপতিক দুখ দিবে চালিলন্ত গাৱ ॥ ১৬০৯
কৈকেয়ী বোলন্ত প্ৰভু বচন ধৰিয়ো।
যিকাৰ্য্যক বোলো তাক শপত কৰিয়ো ॥
হেন শুনি দশৰথ স্ত্ৰীবশ ভৈলা।
আপোন বধক লাগি গলপাশ লৈলা ॥ ১৬১০
ৰাজা বোলে প্ৰাণেশ্বৰী শুনিয়ো মনত।
ৰামত তোমাত পৰে প্ৰিয় আছে কত ॥
ৰামক তেজিয়া আন যত মাগ বৰ।
হৃদয় কাটিয়া দিবো পুণ্য নিৰন্তৰ ॥ ১৬১১
হেন সে আবুধি তই মিছা কৰ গহ।
কিনো মোত সাধিবি বেকত কৰি কহ ॥
কৈকেয়ী বোলয় আপোনাৰ মত ৰাখি।
চন্দ্ৰ সূৰ্য্য বায়ু বসুমতী হৈবা সাখি ॥ ১৬১২
সত্য এৰিলতে যিবা আছে দোষ তাত।
তুমি সৰ্ব দৃষ্ট দেৱ দেখাহা সাক্ষাত ॥
পূৰ্ব্বত নৃপতি মোক দুই বৰ দিল।
সুমৰিয়ো প্ৰভু তাৰ সময় মিলিল ॥ ১৬১৩
শুনিয়ো গোসাই দশৰথ মহাৰাজ।
এই সব সাজে ভৰতক দিয়ো ৰাজ ॥
ৰামত সম্প্ৰতি তুমি হৈয়োক নৈৰাশ।
চৌধ্য বৰিষক লাগি দিয়ো বনবাস ॥ ১৬১৪
ৰাজ্য এৰি গৈয়া ৰামে বঞ্চোক বনত।
কৰি যুবৰাজ ৰাজ্যে থাপিয়ো ভৰত ॥
এই দুই বৰ মোক দিয়া প্ৰভু যেবে।
পূৰ্ব্ব অঙ্গীকাৰ তব সত্য হোৱে তেবে ॥ ১৬১৫
এতেকে আমাৰ হোৱে চিত্তত সন্তোষ।
সত্যক এৰিলে জানা যেন হৱে দোষ ॥
কৈকেয়ীৰ বচনত হৃদয় ভেদিল।
বাঘিনীক দেখি যেন মৃগ চমকিল ॥ ১৬১৬
ভয় হন্তে নৃপতিৰ শিহৰিল গাৱ।
মৃতক স্বভাৱ ভৈলা কম্পে হাত পাৱ ॥
শোকে দুখে ৰাজাৰ মোহিত ভৈল চিত।
বিমূৰ্চ্ছিত হুয়া ৰাজা পৰিলা ভূমিত ॥ ১৬১৭
বিহ্বল ভৈলন্ত ৰাজা কম্পে কলেবৰ।
পৰিলা অনাথ যেন ৰাজ ৰাজেশ্বৰ ॥
কতোবেলি দশৰথে পাইলন্ত চেতন।
মহাক্ৰোধে কৈকেয়ীক বুলিলা বচন ॥ ১৬১৮

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শুন বোলো পাপিষ্ঠী বধিতে ভৈলি মোক।
কুল বিনাশক লাগি বিহাইলোহো তোক॥
ৰাঘৱে বা মন্দ তোক কৰিলেক কিস।
বা পুত্ৰক বধিতে বুলিলি বাক্য বিষ॥ ১৬১৯
ৰাম হেন পুত্ৰ মোৰ আতি শুদ্ধ মতি।
কৌশল্যাতোধিক তোত কৰয় ভকতি॥
ৰাম গুণে তুষি সৰ্ব্বে জনৰ উল্লাস।
কোন অপৰাধে তাঙ্ক দিবো বনবাস॥ ১৬২০
শুদ্ধ চিত্ত ৰামৰ অনিষ্ট চিন্ত কিক।
মহা বৈৰী ভাৰ্য্যা আছে কোন তোতধিক॥
চৰণত ধৰো তোৰ কৃপা কৰ মোক।
নকৰিবি দ্ৰোহ দায়া কৰ ৰাম পোক॥ ১৬২১
মোৰ চিত পৰীক্ষা কৰিলি পৰিহাস।
কৃপা কৰ মোক চৰণৰ ভৈলো দাস॥
হেন বুলি চৰণত পৰিলা নৃপতি।
কৈকেয়ী নিষ্ঠুৰ বোলে নিকাৰুণ মতি॥ ১৬২২
ত্ৰৈলোক্যত জানে দৃঢ় চিত্ত দশৰথ।
আল জাল এৰি তুমি পালিয়ো শপত॥
শিৰি ৰাজা কপোতক অভয় দিলন্ত।
আপোনাৰ মাংস কাটি শেন তুষিলন্ত॥ ১৬২৩
সত্য পালি ৰামক সত্বৰে পঠাৱ বন।
নুহিবা তোমাৰ আগে তেজিবো জীৱন॥
হা বুলি দশৰথ পৃথিবীত লুটি।
হা ৰাম পুত্ৰ বুলি প্ৰাণ যাওক ফুটি॥ ১৬২৪
আতি সুচৰিত ৰাম বন যাইবি তই।
কেনে প্ৰাণ ধৰিবো কৌশল্যা সমে মই॥
যদি মোত শোধে লোক বৃদ্ধ গুৰুজন।
কেনে ৰাজা ৰাঘৱক পঠাইলন্ত বন॥ ১৬২৫
সত্যে বোলো প্ৰাণেশ্বৰী এৰা ই বচন।
কৰিবে গৰিহা মোক সানো দেৱী জন॥

স্ত্ৰীজিত ক্ৰূৰ ৰাজা নিকাৰুণ মন।
শোক জ্বালি ৰাঘৱক পঠাইলন্ত বন॥ ১৬২৬
পৰম দুষ্কীৰ্ত্তি মোৰ ৰৈল দেশে দেশ।
হেন জনবাদে মোৰ প্ৰাণ ভৈল শেষ॥
শিশুকালে ৰাঘৱৰ বৰ দুখ ভৈল।
ব্ৰহ্মচৰ্য্য আচৰন্তে কতো কাল গৈল॥ ১৬২৭
যেবে আসি মিলিল ৰাজ্যত উপভোগ।
বনবাস খাটিবেক কিনো বিধি যোগ॥
ছল পাশে কৰিলেক নৃপতিক বন্দী।
বামনে বলিক যেন নানা বোলে ছান্দি॥ ১৬২৮
খনো মূৰ্চ্ছা যান্ত খনো চেতনক পাইল।
অনেক বিষাদে তান ৰজনী পুহাইল॥
মন্ত্ৰী পুৰোহিত যত ৰামত ভকত।
অভিষেক সাজে মিলিলন্ত দুৱাৰত॥ ১৬২৯
শিঙ্গা শঙ্খ আদি কৰি সুমঙ্গল যত।
আভৰণে আঠ কন্যা ভৈল উপগত॥
শুকুল চামৰ ফল পুষ্প দধি ক্ষীৰ।
সুবৰ্ণ ঘটত সাত সাগৰৰ নীৰ॥ ১৬৩০
গঙ্গা যমুনাক আদি যত তীৰ্থজল।
শ্বেত ছত্ৰ জ্বলে যেন চন্দ্ৰৰ মণ্ডল॥
সুৱৰ্ণৰ কুম্ভত সুগন্ধ ভৰি জল।
সুৱৰ্ণ পতাকা ধ্বজ ৰচিল বিৰল॥ ১৬৩১
নিৰন্তৰে লৈয়া অভিষেক সাজ যত।
সবহি মিলিল আহি সিংহ দুৱাৰত॥
মন্ত্ৰী পুৰোহিত মিলি আলোচিল কাজ।
সুমন্ত্ৰক বুলিল জনায়ো মহাৰাজ॥ ১৬৩২
ৰবিৰ উদয় ভৈল নুযুৱাই হেলা।
ৰাম অভিষেকৰ লগ্নৰ হৈল বেলা॥
শুনিল সুমন্ত্ৰ হেন বচন বিশেষ।
অন্তেৰপুৰ দুৱাৰত ভৈলন্ত প্ৰবেশ॥ ১৬৩৩

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

জাগিয়োক প্ৰভু মন্ত্ৰীগণে পাৰে ৰাৱ।
ৰবিৰ উদয় ভৈল চালিয়োক গাৱ॥
ৰজনী প্ৰভাত ভৈল ৰাজা দশৰথ।
ব্ৰহ্মা বিষ্ণু শঙ্কৰে পূৰন্তো মনোৰথ॥ ১৬৩৪
মন্ত্ৰীৰ বচন ৰাজা শুনিলা শ্ৰৱণে।
সুমন্ত্ৰ সমীপ চাপ বুলিলা সঘনে॥
কৈকেয়ীৰ বাক্যবহ্নি দহে কলেবৰ।
তোৰ বাক্য অমৃতে জুৰাইয়ো নিৰন্তৰ॥ ১৬৩৫
ৰাম মুখ দেখিলে হৈবেক নিৰ্ব্বাণ।
ৰাম গুণ সাগৰক শীঘ্ৰ কৰি আন॥
ৰাজাৰ আজ্ঞাক মন্ত্ৰী মাথে কৰি লৈল।
ৰামক আনিবে প্ৰতি শীঘ্ৰে চলি গৈল॥ ১৬৩৬
হাট বাট এৰাইয়া ৰামৰ পাইল থান।
ৰঙ্গকৰে সৰ্ব্বজনে দেখি বিদ্যমান॥
যুৱা জন ক্ৰীড়া কৰে ধৰি হাতে হাত।
গ্ৰীৱে গ্ৰীৱে জড়িল লাগিল মাথে মাথ॥ ১৬৩৭
দদা ভাই মিতা বুলি ধৰি কোলে কোল।
বাহুত চাপৰ মাৰি কৰয় আস্ফাল॥
আউৰে আউৰক কেহ সাৰটি ধৰিল।
মুখ চাই কেহো কেহো বিগতি কৰিল॥ ১৬৩৮
ৰাম ৰাজা হৈব আজি জীৱন সাফল।
হেন বুলি প্ৰজাসবে কৰে কৌতূহল॥
নগৰী জনৰ হেন লখিল স্বভাৱ।
পাইলন্ত সুমন্ত্ৰ গৈয়া ৰাঘৱৰ ঠাৱ॥ ১৬৩৯
ৰামৰ প্ৰাসাদ শোভে কৈলাস সমান।
বিদ্যুতৰ কান্তি হেন জ্বলে থানে থান॥
সুৱৰ্ণৰ মাণ্ডলি চালত বলিয়াইল।
বৈদুৰ্য্য ৰুৱলি শুদ্ধ ৰজতেহি চাইল॥ ১৬৪০
শতেক শতেক হাত চৈধ্যয় মাণ্ডলি।
পঞ্চাশ পঞ্চাশ হাত একৈক ৰুৱলি॥
চৌষষ্টি তন্তত তাক কৰিল নিবেশ।
বৈজয়ন্ত সমসৰ দেখিতে সুবেশ॥ ১৬৪১
ৰতনে খসিয়া সুৱৰ্ণৰ পতা দিল।
সুষি কামি সমন্বিতে একত্ৰ কৰিল॥
ৰামৰ ওৱাৰি সব জগতে বখানি।
প্ৰবেশিলে দিন ৰাতি একোকে নজানি॥ ১৬৪২
হস্তীদন্তে বাৰ দিলা হিঙ্গুলৰ কাম।
কুন্দৰুখ জালা থৈলা দেখি অনুপাম॥
হিৰ্ম্মানি মাণিক জ্বলে মৰকত মোতি।
জ্বলে বাসঘৰ পূৰ্ণ চন্দ্ৰমাৰ জ্যোতি॥ ১৬৪৩
প্ৰাসাদ উপৰে দিল মাণিকৰ কান্তি।
ইন্দু নীল মণি দিল থানে থানে জান্তি॥
বিদ্যুৎ মণিৰ ভালে লাগি গৈল কাপ।
শুক্ল মেঘখনে যেন জ্বলে শক্ৰ চাপ॥ ১৬৪৪
শঙ্কৰক লেখিল আচন্ত বৃষ যানে।
পাৰ্ব্বতীক লেখি আছে সিংহৰ বাহনে॥
মুষৰ পিঠিত লেখি আছে গণপতি।
ময়ূৰৰ উপৰে কাৰ্ত্তিক সেনাপতি॥ ১৬৪৫
বামনক দেখিল কান্ধত দিব্য ছাতি।
বলিৰায়ৰ আগত আছন্ত হাত পাতি॥
তিনি পাৱ ভূমিক মাগন্ত বোলে ছান্দি।
পাতালত বলিক থাপিলা কৰি বন্দী॥ ১৬৪৬
বিষ্ণুক লেখিলা গৰুড়ৰ স্কন্ধে আতি।
ডাহিনত লক্ষ্মী বাম পাশে সৰস্বতী॥
লেখিয়াছে ব্ৰহ্মাক কুবেৰ দেৱৰাজ।
বায়ু বৰুণক আদি দেৱতা সমাজ॥ ১৬৪৭
ভূমিত পাৰিল নেত বস্ত্ৰ অহৰ্নিশ।
শুকুল চামৰে সুমণ্ডিত চতুৰ্দ্দিশ॥
পুষ্পমালা সুগন্ধে আমোদ সৰ্ব্বক্ষণ।
ৰত্ন সব জ্বলে আতি দেখি সুশোভন॥ ১৪৪৮

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

পূৰ্ণ ঘট পঙ্কতি মুখত ৰঞ্জি ফলে।
সুগন্ধি পূৰিত ভৈল সৰযূৰ জলে॥
সুমণ্ডিত সিন্দুৰে সৰ্ব্বাঙ্গে কলেৱৰ।
ঐৰাৱত সমসৰ ৰামৰ কুঞ্জৰ॥ ১৬৪৯
ময়মত্ত গজক মাহুতে আছে জান্তি।
আকাশক লাগি যেন কৰয় আক্ৰান্তি॥
ৰথ খান সাজিল বিচিত্ৰ অনুপাম।
মাণিকে ৰচিল শুদ্ধ সুৱৰ্ণৰ কাম॥ ১৬৫০
আঠ গোট তুৰঙ্গম ধৱল যুৰিল।
দিব্য বিমানেক যেন ভূমিত পৰিল॥
ওৱাৰিৰ লোকে বৰ আনন্দ কৰন্ত।
থানে থানে অনেক মাঙ্গল্য নিৰ্ম্মিলন্ত॥ ১৬৫১
হেন দেখি সুমন্ত্ৰ আনন্দ কৰি মনে।
ৰামৰ সমীপ চাপিলন্ত তেতিক্ষণে॥
সুৱৰ্ণ খাটত ৰাম আছা ৰঙ্গ কৰি।
সমীপত সীতা শ্বেত চামৰক ধৰি॥ ১৬৫২
মেৰু গিৰি শিখৰত যেন বাসুদেৱ।
ধৱল কমল ধৰি লক্ষ্মী কৰে সেৱ॥
ৰূপে ৰতি কামদেৱ দেখি সমসৰ।
অলঙ্কাৰে মণ্ডিত দোহানো কলেৱৰ॥ ১৬৫৩
কৃতাঞ্জলি ধৰিয়া সুমন্ত্ৰ মন্ত্ৰীবৰ।
নন্দি বন্দিলন্ত যেন পাৰ্ব্বতী শঙ্কৰ॥
সুমন্ত্ৰ বুলিলা পাচে বচন বিশেষ।
দশৰথ নৃপতিৰ তোমাক আদেশ॥ ১৬৫৪
বুলিলন্ত যাইবাক কৈকেয়ী শতমাৱ।
ৰথত চড়িয়ো ঝাণ্টে চালিয়োক গাৱ॥
সুমন্ত্ৰ বচনামৃতে সহৰিষ মনে।
সীতাক সম্বুধি ৰামে বুলিলা তেক্ষণে॥ ১৬৫৫
শুনা ৰামায়ণ সভাসদ নিৰন্তৰ।
শ্ৰৱণতে তৰি সুখে সংসাৰ সাগৰ॥
পৰম মঙ্গল ৰূপ মাধৱৰ নাম।
তাঙ্ক মনে ধৰি ডাকি বোলা ৰাম ৰাম॥ ১৬৫৬

তুলৰী

ৰাঘৱে বোলন্ত শুনিয়ো জানকী
তোমাত বোলোহো কাজ।
নিশ্চয় কৰিয়া আবেসে জানিলো
আমি হৈবো যুবৰাজ॥
কৌশল্যা মাৱৰ সদৃশ দেখোহো
কৈকেয়ী শত মাৱক।
মোক ৰাজ্য দিতে পুছিতে নৃপতি
আসিছে তান ঠাৱক॥ ১৬৫৭
আমি হেন মনে বুজোহো ৰাজাত
বুলিলন্ত মাৱে কাজ।
বিলম্ব নকৰি সত্বৰে আনিয়া
ৰামক দিয়োক ৰাজ॥
জানা প্ৰাণেশ্বৰী যুবৰাজ হুয়া
আমি আছো যেতিক্ষণ।
মোৰ সঙ্গে চলি আসিবেক সবে
যত পাত্ৰ মন্ত্ৰীগণ॥ ১৬৫৮
তাসম্বাক অৰ্চ্চা কৰিতে জানকী
মই যেন নোহো লাজ।
জানিবা নিশ্চয় তোমাতে লাগিল
ইঠায়ৰ যত কাজ॥
স্বামীৰ বচন শুনি সীতা দেবী
বুলিলা হৰিষ মনে।
ইঠানৰ কাৰ্য্য চৰ্চ্চিবোহো আমি
চলিয়ো তুমি এক্ষণে॥ ১৬৫৯
এহি বুলি দ্বাৰ মানে আগ বঢ়াই
থৈলা জগতৰ মাৱ।
স্বামীক সম্বুধি পাচে সীতা সতী
আসিলন্ত নিজ ঠাৱ॥
আপোনাৰ নিজ ধৱলি ঘৰৰ
বাজ ভৈলা ৰঘুবৰ।

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

তিমিৰ ফাৰিয়া শ্বেত মেঘ হন্তে
যেন পূৰ্ণ শশধৰ ॥ ১৬৬০
ৰত্নে বিৰচিত সুৱৰ্ণ ৰথত
চড়িলাহা তেতিক্ষণ।
চামৰ ছত্ৰক ধৰিয়া পাশত
চড়িলা গৈয়া লক্ষ্মণ ॥
মনত পৰম আনন্দে পাচত
সুমন্ত্ৰ চড়িলা যাই।
হাতত চাবুক ধৰিয়া ৰথক
ডাকিলা যেন যুৱাই ॥ ১৬৬১
শ্ৰীৰাম লক্ষ্মণ ইন্দ্ৰ বিষ্ণু যেন
যান্ত দুই মহাৰথা।
সুমন্ত্ৰ মন্ত্ৰীক দেখিয়া সাক্ষাত
মাতলি যেন সাৰথি ॥
নয়ন আনন্দে কুন্দৰুখ জালে
চাৱে যত নাৰীগণে ॥
মুখ ভৰি ভৰি ৰামৰ গুণক
বখানন্ত নাৰীগণে ॥ ১৬৬২
জনমে জনমে প্ৰয়াগ বটত
সীতা তেজি কলেৱৰ।
সিকাৰণে গুণ সাগৰ ৰামক
পাইলা মনোনীত বৰ ॥
অৱশ্যে তোমাক দিৱন্ত ৰাজ্যক
মহাৰাজা দশৰথে।
শুনিয়ো গোসাই আমাক পালিবা
তুমি প্ৰভু পুত্ৰৱতে ॥ ১৬৬৩
সাফলা কৌশল্যা গোসানী তোমাক
গৰ্ভত ভালে ধৰিলা।
কি ভৈল আনন্দ কৰ্ম্মাগত লক্ষ্মা
আপুনি যাক বৰিলা ॥
অন্যো অন্যে বোলে ৰাম ৰাজা ভৈলে
বহুতৰ হৈবে সুখ।
নিশ্চয়ে জানিলো বিস্তৰ কালক
লাগি পলাইবেক দুখ ॥ ১৬৬৪

এহিমতে ৰামে নগৰী জনৰ
শুনন্তে বোল আশেষ।
মধুৰ বচনে প্ৰজাক সম্বুধি
ওৱাৰি ভৈলা প্ৰবেশ ॥
কৈকেয়ীৰ ঘৰে মিলিলন্ত গৈয়া
শ্ৰীৰামচন্দ্ৰ লক্ষ্মণ।
আসনত বসি আছন্ত নৃপতি
পাইলা দুয়ো দৰিশন ॥ ১৬৬৫
পৰম নিশ্ৰীক দেখিলন্ত ৰামে
বদন দশৰথৰ।
ৰাহুগ্ৰস্ত হৈলে নজ্বলয় আতি
কিৰণ যেন সূৰ্য্যৰ ॥
প্ৰথমতে নম্ৰ ভাৱে নমিলন্ত
নৃপতিৰ দুয়ো পাৱ।
ৰাম লক্ষ্মণক আশীৰ্ব্বাদ পাচে
দিলন্ত কৈকেয়ী মাৱ ॥ ১৬৬৬
পৰম বিকল স্বৰূপ বাপক
দেখিলন্ত দুই ভাই।
কৰযোৰে নম্ৰ ভাৱে থাকিলন্ত
পিতৃৰ চৰণ চাই ॥
পিতৃৰ আগত আছে ৰামচন্দ্ৰ
কৰিয়া আতি ভকতি।
ৰামক নিষ্ঠুৰ বুলিতে ৰাজাৰ
নভৈল কিছু শকতি ॥ ১৬৬৭
একো অপৰাধ নাহিকে ৰামৰ
চাইলা কৰি বিমৰিষ।
কেনমতে আবে সুপুত্ৰ ৰামক
বুলিবোহো বাক্য বিষ ॥
কতোক্ষণে ৰাজা ৰাম হেন বুলি
বিমন্যু আতি কৰিল।
মহা মন দুখে কিছু নবুলিল
কণ্ঠত শোক ধৰিল ॥ ১৬৬৮
আতিশয় শোকে আথাকে নয়নে
লোতক বহে ৰাজাৰ।

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাহুগ্ৰস্ত হুয়া যেন পূৰ্ণচন্দ্ৰে
অমৃত তেজে দুধাৰ ॥
ৰাজাৰ বিষাদ দুখক দেখিয়া
ৰামৰ চিত্ত লৰিল।
কৰি বিমৰিষ যেন সূৰ্য্যদেৱ
ভূমিত আসি পৰিল ॥ ১৬৬৯
ভূমি পৰিৱৰ্ত্ত যেন ভৈল আতি
সাগৰ যেন শুখাইল।
হৰষিতে আতি ৰাজা দশৰথ
বিষাদক বৰ পাইল ॥
মই জানো একো দোষ নৈয়ো কৰো
কায়ে বা বাক্যে বা মনে।
তথাপিতো মাথা তুলি নচাৱন্ত
মোক বিষাদিত মনে ॥ ১৬৭০
একবাৰ মোক ৰাম হেন বুলি
কিছু নবুলিলা আন।
একো নজানিলো কি কাৰ্য্যে বাপৰ
মিলি গৈল অপমান ॥
ৰাঘৱে বোলন্ত শুনিয়োক মাৰ
কোনবা মিলিল দোষ।
কহিওক তুমি কি কাৰণে ইটো
কৰে বাপ অসন্তোষ ॥ ১৬৭১
পৰম অমৃত ৰামৰ চৰিত্ৰ
শুনা সামাজিক জনে।
দশৰথ হেন ৰাজায়ো আপদ
এৰাইব আৰ কমনে ॥
আতি দুখময় বিষয়ক জানি
কৰা মন উপশাম।
পৰম মঙ্গল মিলোক সবাৰো
ডাকি বোলা ৰাম ৰাম ॥ ১৭৭২

দশৰথৰ বিষাদ দেখি শ্ৰীৰামৰ আশ্বাস বাক্য

পদ।

বাপৰ ইন্দ্ৰ প্ৰতি ভৈল ক্ৰোধ মন।
বান্ধিয়া াগত আনি দিবো এতিক্ষণ ॥
দশ দিকপাল পূৰ খোজা নৃপবৰ।
বশ্য কৰি দিবো আজি ধৰি ধনুশৰ ॥ ১৬৭৩
পিতৃপূৰ পয়ান কৰিবো একেশ্বৰ।
বন্দী কৰি আনিবো যমৰ পৰিকৰ ॥
ক্ষত্ৰ বীৰ যতেক আছয় ৰবিতলে।
কেহো নোহে শকত মোহোক বাহুবলে ॥ ১৬৭৪
কাহাকো মাৰিবো কাকো কমৰত ধৰি।
বাপৰ আগত বান্ধি দিবো জড় কৰি ॥
গজ কন্ধে বীৰ মোক নাহি সমসৰ।
ঘোড়াৰ পিঠিত মই অজয় পাথৰ ॥ ১৬৭৫
ৰথে বা পয়দা মোক কেহো নোহে সম।
অৰি বিমৰ্দ্দন সাক্ষাতে মই যম ॥
ত্ৰিভুৱন বীৰ সমে একেশ্বৰ যোড়ো।
দুৰ্জয় মালক সবে ধৰি ঘাড় মোড়ো ॥ ১৬৭৬
মহা মহা বীৰৰ হৃদয় কোণ্ডে ফোড়ো।
খাণ্ডাৰ প্ৰহাৰে আজি ৰিপুশিৰ তোড়ো ॥
সাতো দ্বীপা পৃথিবী ৰুধিৰময় কৰি।
তিনি সাত বাৰ ফুৰি ক্ষত্ৰিয় সংহৰি ॥ ১৬৭৭
হেন যামদগ্নি ৰাম দুৰ্জ্জয় শৰীৰ।
কান্ধত কুঠাৰে মোৰ আগে ভৈল থিৰ ॥
জিনিলোহো তাহাক বাপৰ বিদ্যমান।
নিস্প্ৰভ হুয়া গৈলা আপোনাৰ থান ॥ ১৬৭৮
দেখিলন্ত আপুনি নৃপতি দশৰথ।
শৰে হানি নিৰুধিলো তান স্বৰ্গপথ ॥
দেৱৰাজ হৈবাক বাপৰ আছে মন।
ইন্দ্ৰক খেদায়া থাপিবোহো এতিক্ষণ ॥ ১৬৭৯

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

সুৰগণ বন্দী কৰি দিবোহো সকলে।
স্বৰ্গ ভোগ ভুঞ্জন্তোক মোৰ বাহুবলে॥
অভিলাষ আছে যেবে চৌদান্ত নাগত।
দিগ্‌গজক বন্দী কৰি দিবোহো আগত॥ ১৬৮০
বহুতৰ বিতক বাপৰ মন জানি।
মেৰু গিৰি উপাৰি আগত দেউ আনি॥
মোহোৰ আগত কিছু নোহে দেৱাসুৰ।
মুঠিৰ প্ৰহাৰে পৰ্ব্বতক কৰো চূৰ॥ ১৬৮১
আজ্ঞা বাধে আসি যেবে নৃপতি নিকৰ।
জিনিয়া আনিবো আজি ৰণৰ ভিতৰ॥
হাতত নৰাচ ধৰি পৃথিবীক ভেদো।
মুখ্য মুখ্য নাগৰ ফনাক সবে ছেদো॥ ১৬৮২
আজ্ঞা পাই বাপৰ পাতাল পূৰে যাও।
সৰ্পৰাজ বাসুকীক বান্ধিয়া ভেটাও॥
নিৰন্তৰে নাগক অন্তক লাগি নিবো।
শৰৰ সন্ধানে সাত সাগৰ শুষিবো॥ ১৬৮৩
ৰত্ন সব দিয়া মন বাপৰ পূৰিবো।
তিনি ভুৱনক নুহি একত্ৰ কৰিবো॥
ব্যাঘ্ৰ মুখ চন্দ্ৰ মুখ চন্দ্ৰ জেতাপন।
দীৰ্ঘবাহু সুবাহু প্ৰচণ্ড সমৰ্দ্দন॥ ১৬৮৪
সমভন নতাসন সমুদ্ৰ সমান।
ত্ৰিভুৱন কম্পন সক পাতাল নাশন॥
ধেনুক প্ৰলম্ব বাণ নৰক সমুৰ।
অনুহাদ হাদ এক নয়ন প্ৰৰৰ॥ ১৬৮৫
এহি আদি কৰিয়া দুৰ্জ্জয় মহাসুৰ।
একো একো বীৰে দেৱ দৰ্প কৰে চূৰ॥
দেৱগণ গজ যেন অসুৰ কেশৰী।
লোকৰ সন্ধানে কাপে নাগৰ নগৰী॥ ১৬৮৬
বাপৰ আজ্ঞায়ে এসম্বাত মান ছাৰো।
সকলে দানৱ যুগে যুগে হানি মাৰো॥
তিনিয়ো ভুবনে মোক নাহি সমসৰ।
বাপক কৰিবো তিনি ভুবন ঈশ্বৰ॥ ১৬৮৭
যুৱত হৈবাক ইছা বাপৰ মনত।
তান বৃদ্ধ ভাৰ লৈয়া কৰো পৰিৱৰ্ত্ত॥
ঘোৰ পাপ কৰি কোনে জনিল তৰাস।
তান পৰিৱৰ্ত্তে নৰকত দিবো বাস॥ ১৬৮৮
পুত্ৰ হুয়া নকৰয় পিতৃক নিস্তাৰ।
সিটো পুত্ৰ ভৈল পৃথিবীৰ মহাভাৰ॥
জীয়ন্তে নোপোষে মৰিবাক বাট চাই।
নৰক ভুঞ্জিতে সিটো কৰয় উপায়॥ ১৬৮৯
বাপৰ আজ্ঞাক বাধে আছো তাক ধিক।
আজ্ঞা কৰা যেবে ঘৰে ঘৰে মাগো ভিখ॥
দেশান্তৰ কৰো নোহে হাতে খাণ্ডা ধৰো।
হৃদয়ত খাণ্ডা হানি প্ৰাণ পৰিহৰো॥ ১৬৯০
নিষ্ঠে বোলো যদ্যপি বাপৰ আজ্ঞা পাও।
ৰাজ্য পৰিহৰি তেবে বনবাসে যাও॥
যেহি বোলা পিতৃ তাকে কৰিবাক পাৰো।
নোবোলন্ত কিছু পিতৃ আত মই হাৰো॥ ১৬৯১
মৰিব বচন শুনি প্ৰগুণ স্বভাৱ।
নিষ্ঠুৰ বুলিতে লৈল ভৰতৰ মাৱ॥

কৈকেয়ীৰ শ্ৰীৰামৰ আগত বৰৰ বৃত্তান্ত কথন
—শ্ৰীৰামৰ বনবাসত সম্মতি দান।

শুন পুত্ৰ ৰাম তই বোলো তোত কাজ।
হেন আজ্ঞা কৰন্ত তোমাক মহাৰাজ॥ ১৬৯২
দেৱাসুৰ যুদ্ধ মহা মিলিল পূৰ্ব্বত।
দানৱে জিনিল দেৱতাক সমৰত॥
ইন্দ্ৰে নিলা নৃপতিক কৰিয়া সম্মান।
অসুৰক জিনিয়া আসিলা মোৰ থান॥ ১৬৯৩

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

তোমাৰ বাপক সেৱা কৰিলো বিস্তৰ।
সিকালত ৰাজা মোক দিলা দুই বৰ॥
এক বৰ লৈলো ভৰতক দিবো ৰাজ।
তুমি বন যাইবাক বুলিলো আৰ কাজ॥ ১৬৯৪
পিতৃ সত্য পালিতে আছয় যেবে মন।
ৰাজাৰ আদেশ ভৈল চলি যাইয়ো বন॥
ৰাজ্যৰ বাসনা এৰি চিৰ জটাধৰ।
চৈধ্য বৰিষক লাগি বনবাস কৰ॥ ১৬৯৫
শুনিয়া ৰামৰ ভৈল ৰাজ্যত নৈৰাশ।
হাস্য কৰি বোলন্ত যাইবোহো বনবাস॥
ইসে কাৰ্য্যে মাৰ মোৰ দহে কলেবৰ।
আপুনি আদেশ নকৰিলা ৰাজেশ্বৰ॥ ১৬৯৬
ৰাঘৱে বোলন্ত মাৰ বাক্য শুনিয়োক।
শীঘ্ৰ দূত পঠাই ভৰতক আনিয়োক॥
যাৱে প্ৰাণ ধৰিয়া আছন্ত মহাৰাজ।
অৱিলম্বে ভৰতক আনি দিয়ো ৰাজ॥ ১৬৯৭
বাপক আশ্বাস বুলি পালিবেক জন।
পিতৃদ্ৰোহী ৰাম হেৰা চলি গৈলা বন॥
শুনিয়োক বাপদেও অজৰ নন্দন।
পিতৃদ্ৰোহী ৰাম হেৰা বোলয় বচন॥ ১৬৯৮
অনাথিনী মাৰ মোৰ পালিব কেমনে।
মই চলি যাও হেৰা ঘোৰ তপোবনে॥
শুনিয়োক বাপ পৃথিবীৰ নিজনাহা।
বদন কমল দেখো মাথা তুলি চাহা॥ ১৬৯৯
দেখোহো দুৰ্লভ পুনৰপি দৰশন।
আশীৰ্ব্বাদ কৰিয়োক চলি যাও বন॥
কৈকেয়ী বোলে ৰাম বোলোহো তোমাক।
যাৱে থাকা তুমি তাৱে নুতুলিবে মাথা॥ ১৭০০
লজ্জা ভৈলা বিস্তৰ ৰাজাৰ মন দুখ।
তুমি সত্য পালিলে ৰাজাৰ হৈবে সুখ॥
বুলিলি বচন হিত আনিবো ভৰত।
তুমি বন গৈলেহে ৰাজাৰ বহে সত॥ ১৭০১
কৈকেয়ীৰ বাক্য শুনি নিষ্ঠুৰ স্বভাৱ।
হা ৰাম বুলি ৰাজা এৰিলন্ত গাৱ॥
ক্ষণকতে ৰাজাৰ মোহিত ভৈল মতি।
আসনেতে মূৰ্চ্ছা গৈলা অযোধ্যাৰ পতি॥ ১৭০২
দুখ দেখি ৰাজাৰ বুলিলা ৰামে কাজ।
কৈকেয়ীক বুলিলা এৰিয়া মুখ লাজ॥
আমাক নিষ্ঠুৰ বাপে নোবোলন্ত বাণী।
হেৰ হাত যোৰো সুখে থাকিয়ো গোসানী॥১৭০৩
মোত নুবুলিলা তুমি ভৰতৰ কাজ।
প্ৰাণ দিতে পাৰোহো আছোক ধনৰাজ॥
মোৰ বনবাসত বাপক দিয়া দুখ।
ইনো ৰাজ্য ভাৰ কত বৰ হুইবে সুখ॥ ১৭০৪

কৌশল্যাৰ আগত শ্ৰীৰামে কৈকেয়ীৰ বৰ প্ৰাপ্তিৰ বৃত্তান্ত কথন।

অন্তেষপুৰে যতেক ৰামৰ শত মাৰ।
শুনি সন্তাপিত ভৈল উদবেগ ভাৰ॥
কৈকেয়ীক ভয়ে সবে সঙ্কোচিত মতি।
কৌশল্যাত জনাইবাক নভৈল শকতি॥ ১৭০৫
উদবেগে বিকলে ভ্ৰমন্ত মন্যু কৰি।
হা হা অনাথ ভৈলা অযোধ্যা নগৰী॥
পাপিষ্ঠী কৈকেয়ীৰ ভৈল কিনো মন্দমতি।
ভৰতক ৰাজ্য দেই ৰামৰ বিপতি॥ ১৭০৬
এহি কাজে পাপিষ্ঠী ভৈগৈল সুভাগিনী।
ৰামৰ ৰাজ্যত বহু পাতিল বিঘিনি॥
হা ৰাম বাপু তুমি আপুতিৰ পো।
সুমৰন্তে তোমাক চক্ষুৰ বহে লো॥ ১৭০৭

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কান্দন্তে থাকিলা কেহো ধৰণীত লুটি ।
হা ৰাম বোলন্তে পৰাণ যাওক ফুটি ॥
কৈকেয়ীৰ বোলে চিত ৰামৰ ভাগিল ।
বনক চলিতে ৰামে অনুজ্ঞা মাগিল ॥ ১৭০৮
অচেতন পিতৃ পাৰ শিৰে ধৰিলন্ত ।
কুটিলা কৈকেয়ীক নমস্কাৰ কৰিলন্ত ॥
বাপৰ মাৰৰ আগে পুষ্টাঞ্জলি ধৰি ।
চলি গৈলা ৰাম মন আনন্দিত কৰি ॥ ১৭০৯
গুৰুতৰ বিষাদে দগধ কৰে মন ।
নেত্ৰ জলে দেখিলন্ত পাচত লক্ষ্মণ ॥
নুগুছাইল মুখশ্ৰীক হুয়া ৰাজ্য হান ।
ৰাত্ৰি যেন চন্দ্ৰ কান্তি নকৰে মলিন ॥ ১৭১০
ধন জন ৰাজ্য ভাৰে ভৈলন্ত বৈৰাগ ।
জটী যেন ত্যজিল গৃহৰ অনুৰাগ ॥
প্ৰদক্ষিণ কৰিয়া সেৱক সব সজ ।
লীলা গতি চলি গৈলা যেন মত্ত গজ ॥ ১৭১১
অসন্তোষ ৰাঘৱৰ নলখিলা জনে ।
সৰ্ব্বলোকে সন্তোষিলা হৰষিত মনে ॥
মনত বিষাদ মুখ হৰিষ লক্ষ্মণ ।
কৌশল্যাৰ থান পাইলা পাচত লক্ষ্মণ ॥ ১৭১২
ব্ৰাহ্মণক দেখিলা দুৱাৰ পৰিহৰি ।
দেৱতাক পূজি আছে স্বস্ত্যায়ন কৰি ॥
তাসম্বাক প্ৰণাম কৰিলা বিদ্যমান ।
পাচে প্ৰবেশিলা গৈয়া কৌশল্যাৰ থান ॥ ১৭১৩
বিষ্ণুক পূজন্তে দেখিলন্ত নিজ মাৰ ।
দুই ভাই মিলি প্ৰণমিলা তান পাৰ ॥
প্ৰণামোহো হেৰা ৰাম আৱৰ লখাই ।
কল্যাণে বঞ্চিয়ো কুখিধৰ মোৰ আই ॥ ১৭১৪
হেন শুনি কৌশল্যা ৰামৰ গলে ধৰি ।
কুলৰ নন্দন বুলি অভিনন্দা কৰি ॥
হাতে গাৰ মাজিলন্ত দিলন্ত আশীষ ।
ধেনু বৎস পায়া যেন বিবিধ হৰিষ ॥ ১৭১৫
শুন বাপ ৰাম মোৰ হৃদয় নন্দন ।
দেৱৰ নিৰ্ম্মাল্য হেৰা পিন্ধিয়ো চন্দন ॥
বাপৰ আজ্ঞায়ে তুমি হৈবা যুৱৰাজ ।
জনক পালিবা বুজিবাহা ৰাজকাজ ॥ ১৭১৬
আৱৰ পালিবা তুমি যত দ্বিজগণ ।
পুত্ৰৱতে প্ৰজাক পালিবা সৰ্ব্বক্ষণ ॥
দেখিবা সকলো মাৰ মোহোৰ সমান ।
শ্ৰাদ্ধ যজ্ঞ কৰিবা দিবাহা মহাদান ॥ ১৭১৭
শুনি ৰামে বোলন্ত মাৰৰ মুখ চাই ।
আথান্তৰ ভৈল বৰ নতু শুনা নাই ।
উলট পালট ভৈল আমাসাৰ কাজ ।
কৈকেয়ীৰ বোলে ভৰতক দিলা ৰাজ ॥ ১৭১৮
বাক্যে বান্ধি নৃপতিক দুই বৰ মাগি ।
আমি বন যাইবো চৈধ্য বৰিষক লাগি ॥
আউৰ এক বৰ ভৰতক দিল দেশ ।
আমাক নিষ্ঠুৰ বাণী বুলিল আশেষ ॥ ১৭১৯
ভৰতক লাগি তেজিলোহো ধন জন ।
ৰাজাৰ আদেশে আজি চলি যাইবো বন ॥
ৰাজ্য ভোগ তেজিলোহোঁ কুটুম্ব সকল ।
চিৰ জটা ধৰিবো ভুঞ্জিবো বনফল ॥ ১৭২০
হেন শুনি কৌশল্যাৰ মোহ ভৈল মন ।
গুৰিত ছেদিলে যেন বৃক্ষ হোৱে চন ॥
ভূমিত পৰিল গাৰ সন্তাপিত ভাৰ ।
পৰম বিকলে বিমূৰ্চ্ছিত ভৈলা মাৰ ॥ ১৭২১
সন্তাপে পোৰন্ত যেন তুলাত অগনি ।
অচেতন পৰিলন্ত ৰামৰ জননী ॥
আথে বেথে দুই ভাই তুলি ধৰি হাতে ।
সুশীতল জল আনি ঢালিলন্ত মাথে ॥ ১৭২২

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কদাচিতো মাৰৰ শৰীৰ নোহে থিৰ।
দুভাইবো দেখিয়া নয়নৰ ঝৰে নীৰ॥
শ্ৰীৰামে বোলন্ত লখাই শুন মোৰ বাণী।
আবেসে নিজীৱে মাৰ জগত গোসানী॥ ১৭২৩
অগনি দহৱে পিম্পলিৰ দিয়া পথ।
আৰ মোৰ শোকত নিজীবে দশৰথ॥
সিংহৰ ভাৰ্য্যায়ে ছাগ প্ৰসবিল মোক।
মোহোৰ কাৰণে কৌশল্যাৰ এত শোক॥ ১৭২৪
কৈকেয়ী মাৱে আতি বৰ পাপ পাইল।
পাচে কতোক্ষণে কৌশল্যাৰ প্ৰাণ আইল॥
সন্ধুক্ষণ হুয়া মাৱে মাথা তুলি চাইল।
দুই পুত্ৰ কান্দে তাক দৰশন পাইল॥ ১৭২৫
উঠি বসি কৌশল্যা ৰামৰ গলে ধৰি।
মৰিলোহো বুলিয়া অনেক মন্যু কৰি॥
হা বিধি মোৰ কোন কাৰ্য্যক কৰিলে।
আগে নিধি দিয়া কেন পাচত হৰিলে॥ ১৭২৬
মোহোৰ হৃদয় বক্ৰ লোহায় গঢ়িল।
তোৰ বনবাস শুনি প্ৰাণ নছাৰিল॥
জানিলো কৈকেয়ী আবে স্বামীক বধিল।
তোমাৰ আগত বিধি মৰিবে নিদিল॥ ১৭২৭
হাত যোৰ কৰি বোলে প্ৰেত মহীপাল।
সব দুখ এৰাই সত্বৰে কৰা কাল॥
চিত্ৰগুপ্ত তুমি কেনে পাসৰিলা মোক।
পাঁজি মোচ সত্বৰে কাতৰ কৰো তোক॥ ১৭২৮
অপায় মিলিল কিনো অযোধ্যা নগৰ।
শুচি মুখে কৈকেয়ীয়ে শুষিল সাগৰ॥
টীপচিৰ বাৱে মেৰু পৰ্ব্বত উড়িল।
তুনি সাপে সব নাগপুৰীক গিলিল॥ ১৭২৯
তোমাক পাঠাইব বন দশৰথ ৰায়।
তান্তোধিক মোৰ কাৰ্য্য পাসিতে যুৱাই॥
স্ত্ৰীজিত পিতৃৰ নকৰি তুমি বাক।
বনক নযাইবে বাপ মোৰ পাশে থাক॥ ১৭৩০

লক্ষ্মণৰ ক্ৰোধ ; শ্ৰীৰামৰ কৌশল্যা আৰু লক্ষ্মণক প্ৰবোধ দান।

শুনিয়া লক্ষ্মণে হেন বুলিলন্ত বাণী।
উত্তম বুলিলা মাৰ জগত গোসানী॥
স্ত্ৰীজিত বৃদ্ধ বাপ কপট চৰিত।
তান বোলে বন যাইবা কিনো বিপৰীত॥ ১৭৩১
কৈকেয়ী পাপিষ্ঠী নৃপতিত ৰাজ্য মাগে।
বৈৰীণীৰ বোলত মৰিতে কেন লাগে॥
হেন বুলি ক্ৰোধিলন্ত লক্ষ্মণ প্ৰচণ্ড।
বুঢ়াৰে আগতে কাটি কৰোঁ খণ্ড খণ্ড॥ ১৭৩২
ভৰতক সাৰাইল তোমাক পৰিহৰি।
নিৰ্ম্মল কৰিবো আজি অযোধ্যা নগৰী॥
সমদলে সাজি আসন্তোক মহীপাল।
লক্ষ্মণৰ হাতত সবাৰো হৈব কাল॥ ১৭৩৩
অশ্বদল গজদল নৰদল ছেদি।
আজি মই শোণিতে বোৱাইবো এক নদী॥
মাতুলে সহিতে যদি সাজিয়া আসয়।
লক্ষক ভৰতো মোৰ লাহাৰি নসয়॥ ১৭৩৪
দেৱগণ সমে ভৰতত অনুবলে।
ইন্দ্ৰ দেৱো ধাৱ যদি কৰে সমদলে॥
তাহাঙ্কো জিনিবো আজি সমৰৰ মাজ।
মই আজি তোমাক কৰিবো যুৱৰাজ॥ ১৬৩৫
ভৰতৰ পক্ষ যক্ষ ৰাক্ষস অসুৰ।
ৰণমাজে সবাৰে কৰিবো দৰ্পচূৰ॥
নন্দী মহাকালক জিনিবো গণপতি।
কাৰ্ত্তিকক জিনিবো দেৱৰ সেনাপতি॥ ১৭৩৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

তোমাৰ চৰণ ভালে কৰিবোহো সেৱ।
ৰণে সমসৰ মোৰ নুহিকয় কেৱ॥
কাম বশ বাপৰ বচন পৰিহৰি।
ৰাজ্য ভাৰ লৈয়ো ঝাণ্টে অযোধ্যানগৰী॥ ১৭৩৭
হেন শুনি কৌশল্যায়ো বুলিলা বচন।
হিত উপদেশ বোলে সুমিত্ৰা নন্দন॥
অনুদিনে লখাই ভকতি তোত কৰে।
তোমাৰ অনিষ্ট দেখি অনুশোচ কৰে॥ ১৭৩৮
আন বোল কৰিয়োক জীৱন উপাই।
আমাৰ বচন ভালে কৰিতে যুৱাই॥
মাৱত ভকতি আবে কৰি নিতে নিত।
সিকাৰণে কাশ্যপৰ কৈলাসত থিত॥ ১৭৩৯
মোৰ জীৱনক যেবে আছে অভিপ্ৰায়।
বাপৰ বচনে বনে যাইতে নুযুৱায়॥
সাপত্ন্য ভাতৃক জিনি মাতৃৰ বচনে।
ইন্দ্ৰে কাঢ়ি লৈলা অমৰাৱতী ৰঙ্গমনে॥ ১৭৪০
হেন বুলি থাকিলা কোশল ৰাজজীৱ।
হাতযোৰে ৰামচন্দ্ৰ আগে ভৈল থিৰ॥
অনুজ্ঞা দিয়োক মাৱ চৰণত ধৰোঁ।
বাপৰ আদেশ মই কেনে পৰিহৰো॥ ১৭৪১
বিনয়ে কাতৰ কৰো কুখিধৰ মাৱ।
আজ্ঞা দিয়ো চলো বনে তেজি নিজ ঠাই॥
কৈকেয়ীৰ বোলে বন আদেশিলা ৰায়।
সমত দিয়োক বাধিবাক নুযুৱায়॥ ১৭৪২
যামদগ্নি ৰামে যত বুলিলন্ত গৰ্ব্ব।
মোৰ বাহুবলে তাক হৰিলেক সৰ্ব্ব॥
আমি হেন মহাবীৰ পিতৃত ভকত।
আজ্ঞা ভৈলে ত্ৰিভুবন জিনিবে শকত॥ ১৭৪৩
সত্য পাশে কৈকেয়ী ৰাজাক বন্দি কৈলা।
পলৱৰ চাৰত দিগ্‌গজ বন্দী ভৈলা॥

অনুমতি দিয়োক বাধিতে নুযুৱায়।
এহিসে কৰিতে আদেশিলা মহাৰায়॥ ১৭৪৪
মোৰ বিধি লিখিতক বাধিতে নোৱাৰি।
ৰাজ্য শ্ৰী এৰিলেহো আপোন ওৱাৰি॥
মোৰ শোকে দগধ বাপক ভালে চাহা।
তাহাক নিষ্ঠুৰ বোলা মোৰ মাথা খাহা॥ ১৭৪৫
পৰশু ৰামক কোপে বাপে আদেশিল।
কাটিয়া মাৱৰ মাথা পিতৃ আগে দিল॥
গণ্ডু নামে ঋষি পিতৃ আজ্ঞাক ধৰিল।
অদভুত কৰ্ম্ম তেৱে গোবধ কৰিল॥ ১৬৪৬
স্বৰূপ বুলিলি বাপ লখাই মহাবীৰ।
তোহোৰ আগত কোনে হৈবে পাৰে থিৰ॥
অসাৰ জীৱন দিন মাত্ৰ কতিপয়।
তাকে লাগি চিন্তিবোহো গোত্ৰৰ প্ৰলয়॥ ১৭৪৭
ভালে জানো লখাই তোৰ আমাত ভকতি।
মোৰ অৰ্থে প্ৰাণ দিতে আছয় শকতি॥
শুন শুন বোলোহো লক্ষ্মণ বিদ্যমান।
পিতৃশোকে মৰো হৃদয়ত দেস হান॥ ১৭৪৮
তই জান কৈকেয়ীৰ নিকাৰুণ কায়া।
ভৰতত অতিৰেক মোত বৰ দায়া॥
মোৰ দৈৱে চিত পৰিৱৰ্ত্ত ভৈল তান।
অন্যথা নুহিকে বাক সত্যে সত্যে জান॥ ১৭৪৯
ৰাজবংশে উতপতি স্বভাৱে কৈলাণী।
দৈব বশে তান চিত হৈল হেন জানি॥
মোৰ কৰ্ম্মে অভিষেকে মিলিল বিঘাত।
মন পৰিতাপ পৰিহৰিয়ো ইয়াত॥ ১৭৫০
সুখ দুখ দুই ভুঞ্জিলেহে যায় ক্ষয়।
তুলা ধৰিয়াছে বিধি ভাগ্যেসে মিলয়॥
দৈবে সমে যুজে কোনে কহতো কাহিনি।
কৈকেয়ীক দোষ কেন দিয়স নাজানি॥ ১৭৫১

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

হেন শুনি ক্ৰোধিলন্ত লক্ষ্মণ প্ৰধান।
খাণ্ডাক ঝঙ্কাৰি কম্পে তৰতৰি মান॥
তাৰা যেন ৰকত নয়ন দুই ফুৰে।
অৱিৰল ধাৰে যেন মেঘজল ঝুৰে॥ ১৭৫২
আকাশ নিৰ্ম্মল যেন খাণ্ডা তুলি লৈলা।
কৈকেয়ীক ধাৱে যমদূত সাজ ভৈলা॥
ভ্ৰুকুটি কুটিল আখি ভৈগৈল বদন।
ৰামক বুলিলা মহা কোপ কৰি মন॥ ১৭৫৩
ক্ষত্ৰ কুলে উপজিলা ভৈলা বুদ্ধিনাশ।
প্ৰিয় বাক্য বুলিয়া বৈৰক দিলা আশ॥
পৌৰুষ এৰিয়া দৈব কৰিলাহা সাৰ।
নপুংসক বৃত্তি সব ভৈগৈল তোমাৰ॥ ১৭৫৪
ভৈল দৈব তোমাৰ কুঞ্জৰ ময়মত্ত।
পৌৰুষ অঙ্কুশে আজি কৰো পৰিৱৰ্ত্ত॥
তুমি ৰাজা হৈবাক যাহাৰ নাহি মন।
মাৰিয়া পঠাইবো তাক যমৰ কৰণ॥ ১৭৫৫
ৰাজ ধৰ্ম্ম এৰিয়া হৈবা তাপসীৰ বেশ।
কেমন মুগুধে হেন দিল উপদেশ॥
কিনো পাপ কৰিলো বচন নুশুনাহা।
মাৱৰ সতিনী বোলে মৰিবাক যাহা॥ ১৭৫৬
কিসক তোমাৰ ভৈল হেন বুদ্ধি মোস।
সকলো লোকক কৰাইলাহা অসন্তোষ॥
লোকৰ বিদ্বেষ কৰিবাক নুযুৱায়।
ৰাজ্য ধৰ্ম্মধৰি দৃঢ় কৰিয়োক কায়॥ ১৭৫৭
দাব সুহায়ন মোৰ নোহে চন্দ্ৰহাস।
টোন হাত সুহায়ন নোহে বনবাস॥
শৰীৰ শোভন মোৰ নোহে দুই বাহু।
জিনিবো শত্ৰুক চন্দ্ৰক যেন ৰাহু॥ ১৭৫৮
খৰতৰ লক্ষ্মণক ত্ৰিভুবনে জানি।
বীৰগণ তাত তযু পাচত বখানি॥
কদলী বনক যেন গুৰিত ছেদিবো।
বিপক্ষক মাৰি যম সদন পূৰিবো॥ ১৭৫৯
কৈকেয়ীক নৃপতিক কোপ কৰি মনে।
মেলানি দিয়োক বুলি ধৰিলা চৰণে॥
সত্যেসত্যে পালিবোহো তোমাৰ আদেশ।
আজ্ঞা দিয়ো পৰিৱৰ্ত্ত কৰিবো নিশেষ॥ ১৭৬০
সকল ৰাজ্যৰ লোক ভৈলোহো অসাৰ।
বাপকৰ গোসানীক কৰিলেক সাৰ॥
আজ্ঞা দিয়ো প্ৰভু মোক বোলো বাৰেবাৰ।
বুঢ়াৰে আগতে কাটি কৰিবো দোহাৰ॥ ১৬৬১
বাপক কৰন্ত কোপ লখাই মহাবীৰ।
নিৰন্তৰে কম্পে আতি সকল শৰীৰ॥
ক্ৰোধ দেখি ৰামে লক্ষ্মণৰ হাতে ধৰি।
বিনয় বচন জনে চিত্ত শান্ত কৰি॥ ১৭৬২
ভালে জানো লখাই মোত ভকতি কৰস।
ব্যসনে মগন ভৈলো তাৰিতে পাৰস॥
যদি স্নেহ আছে কৰা আমাৰ সম্মত।
পৰিহৰ বাপ ইটো ক্ৰোধ ভাৰ যত॥ ১৭৬৩
যদি প্ৰিয় হৱ মোৰ বাক্য কৰ হিত।
বাপৰ চৰণ সেৱা কৰ নিতে নিত॥
মই বন গৈলে পালা মাতৃত সকলে।
ৰাজ্য ভাৰ বহিবে ভৰত অনুবলে॥ ১৭৬৪
শুনি লক্ষ্মণৰ কোপ উপশাম ভৈল।
হস্তীমদ যেহেন হস্তীতে অন্ত গৈল॥
যেহেন সৰ্পৰ বিষ শিখাগ্ৰক গৈল।
নমাই আনি গাৰুড়ী নিষ্প্ৰভ কৰি থৈল॥ ১৭৬৫
একো পক্ষে ৰাঘৱৰ চিত্ত নলৰিল।
হাতযোৰে লখাই গৈয়া চৰণে পৰিল॥
শুনিয়োক দদা মোৰ কৃপাময় মতি।
ৰাজ্য ভোগ শতেক তোমাৰ পাৰে গতি॥ ১৭৬৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দুখৰ সহায় হৈবো যোগাইবোহো ফল।
সেৱা কৰি থাকিবোহো চৰণ যুগল॥
তোমাৰ সঙ্গতি হৈবো মোৰ এহি সাৰ।
বনবাসে পৰিচৰ্য্যা কৰিবো তোমাৰ॥ ১৭৬৭
ৰাঘৱে বোলন্ত শুন সুমিত্ৰা নন্দন।
বন্ধুজন এৰি তুমি নজাইবাহা বন॥
কৌশল্যা মাৱৰ শোক হৈব অনুপাম।
তোৰ দৰশনে কিছু হৈব উপশাম॥ ১৭৬৮
একুটীৰ পুত্ৰ মই বনবাসে যাইবো।
সি কাৰণে মাৱ মোৰ বৰ দুখ পাইব॥
আশ্বাসিবি ইহাঙ্ক সুমিত্ৰা আৰ আই।
কেন বনে যাইবি তই লক্ষ্মণ ভৈয়াই॥ ১৭৬৯
বনবাসে গৈলে বৰ নিকাৰকে পাইব।
চৈধ্য বৰিষক লাগি অন্নকে নখাইব॥
ফল মূল এৰিয়া ভক্ষণ নাহি আন।
বৃক্ষৰ বাকলি মাত্ৰ হৈবে পৰিধান॥ ১৭৭০
বাপেৰ আজ্ঞাক আমি শিৰোগত কৰি।
চলি যাইবো আজি অযোধ্যাক পৰিহৰি॥
ৰাজ্যৰ ভোগত আমি ভৈলোহো নৈৰাশ।
আতি বৰ দুখে খপিবোহো বনবাস॥ ১৭৭১
জঁটাৰ ভিতৰে পশি ওকণীয়ে খাইব।
হাতৰ পাৱৰ নখ বাঢ়ি বাঢ়ি যাইব॥
বাৰিষা কালত আমি বৰ দুখ পাইব।
একো একো ৰজনী বৰিষ সম যাইব॥ ১৭৭২
কিশলয় সম তোৰ কুশল স্বভাৱ।
আদিত্যৰ ৰশ্মি ভালে নসহয় গাৱ॥
বাহুৰিয়া চল ভৈয়াই আপোনাৰ ঠাৱ।
মৰিবন্ত কান্দিয়া সুমিত্ৰা তোৰ মাৱ॥ ১৭৭৩
আগবাঢ়ি লক্ষ্মণে যুৰিলা দুই হাত।
প্ৰাণদদা ৰাম বুলি নমিলন্ত মাথ॥
তুমি এৰি গৈলে মই যাইবো দেশান্তৰ।
নুহি আজি কটাৰত কৰিবোহো ভৰ॥ ১৭৭৪
হেন শুনি ৰামৰ কৌতুক বৰ ভৈল।
বনক যাইবাক লক্ষ্মণক লগে লৈল॥
শুন শুন বোলো তোক ভৈয়াই লক্ষণ।
আমাৰ লগত বাপ তই যাইবি বন॥ ১৭৭৫
আদি অন্ত কথা শুনি আপোনাৰ ঠাৱে।
আথে বেথে আসিলা সুমিত্ৰা নিজমাৱে॥
দুই বাহু মেলি দোহান্তৰ গলে ধৰি।
দীৰ্ঘ ৰাৱে কান্দিলা অনেক মন্যু কৰি॥ ১৭৭৬
কিনো পাপ কৰিলোহো কৌশল্যায়ে বাই।
দুই আন্ধলীৰ লাঠি কহি লাগি যায়॥
এত হন্তে তান দুই চৰণত ধৰি।
আগে সবিনয়ে কোপ উপশাম কৰি॥ ১৭৭৭
হেন দেখি কৌশল্যা হৃদয়ে মুঠি হানি।
মুখ চাই ৰামক বুলিলা দেবী বাণী॥
জপে তপে পাইলোহো তোমাক গৰ্ভে ধৰি।
পৰম আশায়ে তুলিলোহো বৰ কৰি॥ ১৭৭৮
কৈকেয়ী প্ৰচণ্ড সূৰ্য্য জনিল তৰাস।
পুত্ৰ তৰু ছায়াত কৰিলো বৰ আশ॥
ফল ধৰিবাৰ যেবে হৈগৈল সময়।
মোৰ কৰ্ম্ম বায়ু উৰে বিধি বিৰম্বয়॥ ১৭৭৯
সতিনীৰ পৰাভৱ কতক সহিবো।
সত্যে সত্যে কহিলোহো জীৱন ত্যজিবো॥
বৈৰিণীৰ বোলে ৰাম দেশৰ ৰজাস।
ৰাজধৰ্ম্ম দেখে বাপু নজা বনবাস॥ ১৭৮০
নুশুনিলি বাপু তই মনুৰ বচন।
আমি কহো শুন ৰাম ভালে দিয়া মন॥
কাম কাজ নুবুজস বাতুল চৰিত।
হেন গুৰু বচন বাধিব নিতে নিত॥ ॥ ১৭৮১

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দশ বিপ্ৰ অধিক গৌৰৱ উপাধ্যায়।
তাতো দশগুণ পিতা দেখিতে যুৱায় ॥
বাপত অধিক দশগুণ হোৱে মাৱ।
পৃথিবীত গুৰুতৰ দেখিব সুভাৱ ॥ ১৭৮২
হেন মনু বাক্য তুমি নকৰিবা বাধা।
পাপ এৰি বাপু তুমি ধৰ্ম্ম পথ সাধা ॥
মোত পৰে তোৰ আৰ নাই গুৰুতৰ।
কাম বশ বাপৰ বচন পৰিহৰ ॥ ১৭৮৩
হৰি হৰি ৰাম তই দহিবাক ভৈলে।
নিৰ্যাণ কালৰ বাতি জ্বালিয়া মিলাইলে ॥
দুই পুত্ৰ হৰুৱাইলো কি কাম কৰিলো।
এবেসে জানিলো মই জীৱন্তে মৰিলো ॥ ১৭৮৪
প্ৰাণ প্ৰভু দশৰথ মহা মহীপাল।
জানিলোহো এবেসে তোমাৰ ভৈল কাল ॥
কৈক যাইবে ৰাম মোৰ একুটীৰ পো।
তোক সুমৰন্তে সদা ঝৰিবেক লো ॥ ১৭৮৫
নৃপতিৰ বাক্য বাধি কৰ মোক মত্ত।
ৰাজাৰো হৰিষ হৈব জানিয়োক তত্ত্ব ॥
কৈকেয়ীক বাক্য বুলিৱন্ত মহাৰাজ।
বুলিলোহো ৰামক যাইবাক বনমাজ ॥ ১৭৮৬
বচন নকৰে পুত্ৰ আবচন কৰ।
যেন অভিমত আবে লৈয়ো আন বৰ ॥
মোৰ বাক্য কৰিলে সবাৰো হোৱে হিত।
জ্যেষ্ঠ পুত্ৰক ৰাজ্য দিবাক উচিত ॥ ১৭৮৭
কাম বশ বাপৰ বচন পৰিহৰ।
লখাই সমে বিমৰিষ কৰি ৰাজ্য কৰ ॥
তুমি এৰি গৈলে শূন্য দেখো দশোদিশ।
অগনিত প্ৰবেশো নুহিবা খাও বিষ ॥ ১৭৮৮
যদি বনে যাইবে বাপু মোকো লৈয়া চল।
তোহোৰ লগতে মইয়ো যাইবো বনফল ॥

শ্ৰীৰাম বোলন্ত মাৱ কোশল জিয়াৰী।
তোমাৰ আমাৰ নৃপতিসে অধিকাৰী ॥ ১৭৮৯
তাহান বচন বাধি কত ফল পাইব।
গৃহ এৰা ত্ৰিভুবনে কুখিয়াতি যাইব ॥
নাৰীৰ পতিসে গতি আন দেৱ নাই।
তান বোল হেলা কৰি পাপকেসে পায় ॥ ১৭৯০
ব্ৰতে দানে তুষিলা দেৱতা ব্ৰাহ্মণ।
মোহোৰ দায়াত তাক বিনাশিবে মন ॥
কৈকেয়ীক দেখিবা ভগিনী সম হিত।
প্ৰবলে সহিতে দ্বন্দ নুহিকে উচিত ॥ ১৭৯১
যাবত তোমাৰ আছা স্বামী দৃঢ়কায়।
আমাৰ তুলত বন যাইবে নুযুৱায় ॥
ৰাজা বৰ দিলা লৈলা কৈকেয়ী সাদৰী।
তান অপৰাধ আচৰিবো কেন কৰি ॥ ১৭৯২
কৈকেয়ীক নৃপতি পূৰ্ব্বত দিলা বৰ।
আত কিছু দোষ মই নেদেখো বাপৰ ॥
তোমাৰ স্বামীসে দেৱ শুশ্ৰুষা কৰিবা।
তাহান বচন মাৱ শিৰত ধৰিবা ॥ ১৭৯৩
পাতব্ৰতা ধৰ্ম্মে আই স্বৰ্গে চলি যাইবা।
তান বাক্য হেলা কৰি অধৰ্ম্মক পাইবা ॥
দশৰথ বাপ মোৰ তুমি নিজ মাৱ।
জগতে বিদিত ৰঘুকুলে যাৰ ঠাৱ ॥ ১৭৯৪
ৰামৰ বচন শুনি কৌশল্যা কান্দন্ত।
পুত্ৰশোকে দুখৰ কমনে পাইবো অন্ত ॥
যাহাৰ কিঙ্কৰে সবে হস্তী ৰথ ৰায়।
বিধিৰ বিপাকে ৰাম বন চলি যায় ॥ ১৭৯৫
ওৰাৰি শ্মশানশাল চিন্তা আম গাণ্ডি।
কৈকেয়ীৰ বচনে খোচনি ভৈল দাণ্ডি ॥
শোক বহ্নি শ্বাস ধুম বিয়োগ তোমাৰ।
নিৰন্তৰে শৰ্ব দাহ কৰিবে আমাৰ ॥ ১৭৯৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

তুমি এৰিলেতো মই শোক দুখ পাইবো ।
নিহৰে নলিনী যেন ঠাৰতে শুখাইবো ॥
ধেনু যেন বৎসৰ পাচত কৰে গতি ।
তোমাৰ লগতে যাইবো হেন মোৰ মতি ॥ ১৭৯৭
কৈকেয়ীক দেখিয়া শৰীৰ মোৰ কম্পে ।
হৰিণীক নিতে যেন বাঘিনীয়ে জাম্পে ॥
সৰ্পিনীৰ আগে যেন মণ্ডূকীৰ গতি ।
শেনীৰ আগত যেন কম্পে কপোৰতী ॥ ১৭৯৮
কৈকেয়ীৰ দাস ৰাজা মই যাইবো বন ।
তুমি এৰি গৈলে মোৰ নাহিকে জীৱন ॥
ৰাঘৱে বোলন্ত মাৰ শোক এৰিয়োক ।
চলিবোহো বনক মাঙ্গল্য কৰিয়োক ॥ ১৭৯৯
ত্ৰিভুবনে বিদিত নৃপতি দশৰথ ।
সত্যক এৰিয়া কেনে তেজি ধৰ্ম্মপথ ॥
মোৰ কৰ্ম্মে আসিয়া ভৈলন্ত উদভাৱ ।
চৰণত ধৰো মোক আজ্ঞা দিয়ো মাৱ ॥ ১৮০০
যুগুত বচনে ৰামে মাৱক জুৰাইল ।
অনিচ্ছায়ে মাৱৰ অনুজ্ঞা ৰামে পাইল ॥
আখি মুখ পখালিলা ৰামে দিলা জল ।
শিশিৰে প্ৰকাশে যেন ৰকত কমল ॥ ১৮০১
দেৱতা পূজিয়া দেবী কৰি সমাপতি ।
মঙ্গল কৰিলা মন্ত্ৰ জপিয়া সম্প্ৰতি ॥
ৰক্ষা বান্ধিলন্ত মাথে ৰাম লক্ষ্মণৰ ।
ৰক্ষা কৰন্তোক পথে দেৱ নিৰন্তৰ ॥ ১৮০২
ৰক্ষা ঔষধক পিন্ধাইলন্ত দুইবো হাতে ।
দেৱৰ নিৰ্ম্মাল্য পিন্ধাইলন্ত দুইবো মাথে ॥
ধৃতি স্মৃতি কীৰ্ত্তি কান্তি সতী সৰস্বতী ।
গতি মতি শান্তী আদি কৰি তুতি নতি ॥ ১৮০৩
অসংখ্য ৰহস্য শাস্ত্ৰ নিগম পুৰাণ ।
ইতিহাস আদি কৰি কৰন্তো কল্যাণ ॥
সিংহ বাঘ ঘোঙ আদি কুঞ্জৰ মহিষ ।
ৰাক্ষস পিশাচ সৰ্পগণ মহাবিষ ॥ ১৮০৪
বৰাহ ভালুক গণ্ড গবয় সকল ।
ঋষভ প্ৰভৃতি কৰি কৰন্ত মঙ্গল ॥
ধাতা বিধাতাক আদি ইন্দ্ৰ দেৱৰাজ ।
কুবেৰ বৰুণ আদি দেৱতা সমাজ ॥ ১৮০৫
স্বৰ্গ মৰ্ত্ত্য ৰসাতল অনিল অনল ।
চন্দ্ৰ সূৰ্য্য দিন ৰাতি নক্ষত্ৰ সকল ॥
জলচৰ থলচৰ বনচৰ যত ।
ত্ৰিভুবনে থিত যত মঙ্গল কৰন্ত ॥ ১৮০৬
পুত্ৰ দুইকো কৌশল্যা কোলাক লাগি নিলা ।
আপোন পাৱৰ ধূলি দুইবো মাথে দিলা ॥
চৈধ্যয় বৰিষ সুখে বনে যাওক কাল ।
অবিৰোধে তৰিবাহা বিপিন বিশাল ॥ ১৮০৭
আকাশে পৱন যেন থাকে নিৰন্তৰে ।
এক প্ৰাণে দুয়ো ভাই বঞ্চিবা দুস্তৰে ॥
দুয়ো ভাই মাৱ দুইকো প্ৰদক্ষিণ কৰি ।
মাৱ দুইয়ো পদধূলি শিৰে আনি ধৰি ॥ ১৮০৮
জন মন হৰন্তে চলিলা দুই ভাই ।
লীলাগতি পাইলা গৈয়া আপোনাৰ ঠাই ॥
নমো নমো ৰঘুকুল কমল দীনেশ ।
ব্ৰহ্মা হৰ আদি পালে যাহাৰ আদেশ ॥ ১৮০৯
ভৱ দুখ দূৰ হোৱে যাৱ লৈলে নাম ।
তান কৈত দুখ আছে জানি বোলা ৰাম ॥ ১৮১০

শ্ৰীৰামে সীতাৰ আগত বনবাস-আজ্ঞা কথন ।

দুলৰী ।

ধৰলি ওৱৰত আছন্ত জানকী
ৰাঘৱৰ মনোৰমা ।
শ্বেত মেঘ যেন জগত বিদিত
ৰোহিণী দেৱী উপমা ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

আতি অপৰ্য্যন্ত হৰিষ কৰন্ত
গাৱে অলঙ্কাৰ ধৰি ।
মোৰ স্বামী ৰাম ৰাজা হৈবা আজি
আমি হৈবো পটেশ্বৰী ॥ ১৮১১
মনে কৌতুহল অনেক মঙ্গল
কৰিলন্ত ঠাৱে ঠাৱ ।
মনত হাসন্ত নিয়মে আছন্ত
সীতা জগতৰ মাৱ ॥
প্ৰসন্ন নয়ন হৰিষ বদন
কৰি দুৱাৰক চাইল ।
প্ৰাণনাথ ৰাম গুণে অনুপাম
আসা দৰশন পাইল ॥ ১৮১২
পৰিল ঝামৰ নোশোভে ৰামৰ
মুখ অনুৰূপ দিন ।
গধূলি কালৰ যেন দিনকৰ
প্ৰভায় ভৈলা বিহীন ॥
প্ৰদক্ষিণ কৰি স্বামীক নমিল
সীতা জনকৰ জীৱ ।
হাতযোৰ কৰি ৰামৰ পাচত
সঙ্কোচে ভৈলন্ত থিৰ ॥ ১৮১৩
অন্তৰ্গতে পাচে কাৰ্য্যক লখিয়া
ৰাঘৱৰ বৰনাৰী ।
ধীৰে ধীৰে মাৱ বুলিলা বচন
জনক ৰাজা জিয়াৰী ॥
কি কাৰণে প্ৰভু হৰিষ কালত
দেখিয় কেনে বিষাদ ॥ ১৮১৪
আতি অপ্ৰমাদী মন্ত্ৰী পাত্ৰ আদি
ব্ৰাহ্মণ যত আছন্ত ।
পঢ়ি মন্ত্ৰ মূল দূৰ্ব্বাক্ষত ফুল
নিদিল তযু শিৰত ॥
তোমাৰ লগত ধৰল চামৰ
নাহি ৰাজ অলঙ্কাৰ ।
কিনো বিপৰীত অথিৰ চৰিত
দেখোহো চিত্ত তোমাৰ ॥ ১৮১৫
ৰাজলক্ষ্মী ধৰ প্ৰমত্ত কুঞ্জৰ
নাসিল কেনে লগত ।
চলন্তে বেগত মেৰু পৰ্ব্বতক
তুলিতে দান্তে শকত ॥
আতি মনোৰম অষ্ট তুৰঙ্গম
যুগুত কাঞ্চন ময় ।
হেন পুষ্পৰথ তোমাৰ লগত
কেনে প্ৰভু নচলয় ॥ ১৮১৬
তোমাৰ ভকত মন্ত্ৰী পাত্ৰ যত
আনো ৰাজ সেনাগণ ।
সমৰে শকত গোসাইৰ লগত
নকৰে কেনে গমন ॥
সুৱৰ্ণৰ ৰথ শুক্ল ঘোড়া যত
শোভন কৰি যুগুত ।
কৰি কৌতুহল কৰন্তে মঙ্গল
নচলয় অদভূত ॥ ১৮১৭
আনো নানা মত তোমাৰ সঙ্গত
নলখোহো ৰাজ্য অঙ্গ ।
কৈয়ো অভিপ্ৰায় কি কাৰণে প্ৰভু
অভিষেক ভৈল ভঙ্গ ॥
হেন শুনি পাচে প্ৰভু ৰামচন্দ্ৰে
সীতাক দিলা উত্তৰ ।
সাৱধান কৰি শুনা প্ৰাণেশ্বৰী
যেন ভৈল আথান্তৰ ॥ ১৮১৮
পৰম নিৰ্ম্মল ৰাজ ঋষি কুলে
তুমি ভৈলা উতপতি ।
সুশোভন চিত ধৰ্ম্মেসে চৰিত্ৰ
শুদ্ধমতী শান্তী সতী ॥
অভিষেক বিধি বিহিয়া নৃপতি
গৈলা কৈকেয়ীৰ ঠাৱ ।
বচনে চান্দিয়া বৰ দুই মাগি
লৈলন্ত কৈকেয়ী মাৱ ॥ ১৮১৯
তেজিয়া ৰাজ্যক চৈধ্য বৰিষক
আমি যাইহো বনমাঝ ।

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

আউৰ বৰ মাগি লৈলন্ত ৰাজাত
ভৰতক দিতে ৰাজ ॥
পাপক সঞ্চিলে শৰীৰ দংশিলে
কৈকেয়ীয়ে কাল সৰ্প।
মিলিল বিঘাত বাক্য বিষে ছলি
হৰি লৈল বলদৰ্প ॥ ১৮২০
মাৰৰ বচন শুনি আতিশয়
ভৈল চিত উপশাম।
কালে পাইলে আৰ নাহিকে জীৱন
সাক্ষাতে লৈ যায় যম ॥
নাহি আন মন বাপৰ বচন
আমি শিৰোগত কৰি।
শ্ৰী ভৈল চন্ন আজি যাইবো বন
অযোধ্যাক পৰিহৰি ॥ ১৮২১
শুনা প্ৰাণেশ্বৰী চিত্ত থিৰ কৰি
নকৰিবা কিছু শোক।
আসিয়োক বান্ধ পৰিছেদ কৰি
দেখিলেহো মই তোক ॥
পৰম দাৰুণ ৰামৰ বচন
শুনিয়া সীতা গোসানী।
হা প্ৰভু বুলি পৰিলা ভূমিত
হৃদয়ত মুঠি হানি ॥ ১৮২২
বিষাদে মনত শিৱৰ আগত
যেহেন দেবী পাৰ্ব্বতী।
যেন মহাদেৱ দহিলা কামক
বিলাপ কৰন্ত ৰতি ॥
আতি মহাভয় শৰীৰ কম্পয়
হাতৰ খসে বলয়।
নাহি গাৰে তত সিংহৰ ত্ৰাসত
যেন মৃগ নলৰয় ॥ ১৮২৩
চেতন লভিয়া সীতায়ে বোলন্ত
কতনো পাপ কৰিলো।
মাটিৰ ভিতৰ প্ৰবেশি আছিলো
তথাপিতো নমৰিলো ॥
কিনো অপৰাধে প্ৰভু তুমি মোক
শোক অগনিত দিয়া।
আমি পতিব্ৰতা নাৰীক গোসাই
চলিলা কেনে তেজিয়া ॥ ১৮২৪
নযাইবাহা প্ৰভু বুলিয়া জানকী
আঞ্চলত ধৰিলন্ত।
যেন লক্ষ্মীদেবী ঈশ্বৰ বিষ্ণুৰ
চৰণত পৰিলন্ত ॥
ৰাঘৱে বোলন্ত উঠা প্ৰাণেশ্বৰী
শুনিয়োক হিতপক্ষ।
বাপৰ বচন তেজিয়া বনক
নযাইবো ইটো অশক্য ॥ ১৮২৫
কৌশল্যা মাৰক আদি কৰি যত
তেজিলোহো বন্ধুগণ।
মায়াময় ইটো গৃহ সুখ তেজি
আজি চলি যাইবো বন ॥
নমো নমো ৰাম যাহাৰ উপাম
নাহি ইটো ত্ৰিভুবনে।
দুখ উপসাম হৌক ৰাম ৰাম
বোলা সামাজিক জনে ॥ ১৮২৬

ৰামৰ লগত যাবলৈ সীতাৰ প্ৰাৰ্থনা।

পদ।

তেজিলোহো মিত্ৰ যত অযোধ্যানগৰা।
মোহ এৰিলোহো সীতা সৰ্ব্বাঙ্গসুন্দৰী ॥
মুখচন্দ্ৰ অৰি অমৃতৰ অভিলাষে।
গ্ৰসিবাক লাগি ৰাহু আসি ভৈলা পাশে ॥ ১৮২৭
ভ্ৰুৰযুগ ধনুত কটাক্ষ যেন শৰ।
চমকিয়া ৰাহু গৈল গগন উপৰ ॥
নীলোৎপল দল সম নয়ন যুগল।
দেখি মুনিগণে হোয়ে মোহিত সকল ॥ ১৮২৮

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

নাসা ভৈল তিল ফুল বন্দুলি অধৰ।
মুকুতাপকতি দন্ত পান্তি মনোহৰ॥
মনোহৰ অধৰ অধিক বিম্বফল।
তিনি ৰেখা সমে জ্বলে সুশোভিত গল॥ ১৮২৯
বাহু দুইখান তোৰ মৃণালত সৰি।
উদৰত ত্ৰিবলীকা মৰখাট খৰি॥
হৰ কোপবহ্নি পাড়ে খুজি নাপাই জুৰ।
নাভি সৰোবৰে কামদেৱে দিল বুৰ॥ ১৮৩০
নিজ পুৰ পশি কামে মুদিল দুৱাৰ।
উদৰৰ লোমপান্তি ধুম ভৈল তাৰ॥
ডম্বৰুৰ মধ্যদেশ সদৃশ কঙ্কাল।
কাঞ্চিয়ে ৰঞ্জিত আতি নিতম্ব বিশাল॥ ১৮৩১
অমৃতৰ কূপ সম মন্মথৰ পুৰ।
সৰস জঘন তোৰ প্ৰকাশে প্ৰচুৰ॥
সুকুমাৰ উৰু ৰাম কদলীৰ সম।
জঙ্ঘা দুইৰ কান্তি আতি দেখি মনোৰম॥ ১৮৩২
সুগুপুত গ্ৰন্থি আতি ৰঙ্গা দুই পাৱ।
নৱ কিশলয় দল সদৃশ স্বভাৱ॥
মন্থৰ গমনে কুঞ্জৰৰ তেজ হৰে।
নুপূৰৰ শব্দে সাৰস অনুসৰে॥ ১৮৩৩
সূৰ্য্যৰ উপমা দুই কুণ্ডলৰ জ্যোতি।
তাৰাগণ চমক মাণিক গজমতি॥
সুৰগণ গন্ধৰ্ব্ব নাগৰ তেজ হৰে।
বেশ দেখি কিমতে যুৱতে প্ৰাণ ধৰে॥ ১৮৩৪
জীৱন্তে মৃতক মই তোক পৰিহৰো।
গলে শিলা বান্ধিয়া সাগৰে জাম্প কৰো॥
পৰিহৰ দুখ সীতা চিন্তা শোক ৰোগ।
মৰন্তা জনৰ দূৰ নোহে হেন যোগ॥ ১৮৩৫
বাপৰ বচন মই কেনে পৰিহৰো।
গহ এৰ ক্ষমা কৰ হাতে তোৰ ধৰো॥

সীতায়ে বোলন্ত প্ৰভু দেৱ নিজনাহা।
কোন দোষে প্ৰভু মোক পৰিহৰি যাহা॥ ১৮৩৬
পূৰ্ব্বজন্মে নৰাধিলো পাৰ্ব্বতী শঙ্কৰ।
সি কাৰণে মোক পৰিহৰে প্ৰাণেশ্বৰ॥
সূৰ্য্যকূলে উতপতি অযোধ্যাৰ পতি।
দুখৱতী নাৰী কৰো তোমাত ভকতি॥ ১৮৩৭
চৈধ্যয় বৰিষ লাগি তুমি বন যাইবা।
ইজন্মক লাগি মোৰ মানে বুৰুয়াইবা॥
চম্পক কলিকা যেন মোৰ কলেৱৰ।
লুণ্ডি ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ॥ ১৮৩৮
যেবে আসি বিকশিত হৈল ফুল ফল।
উপভোগ এৰি কেনে কৰাহা নিস্ফল॥
সূৰ্য্য অবিহনে যেন নোশোভয় দিন।
ৰজনী নোশোভে যেন শশধৰ হীন॥ ১৮৩৯
বসন্ত নোশোভে বিনে কোকিলৰ ৰোলে।
নিস্ফল জীৱন প্ৰভু তুমি বিনে কোলে॥
সুমৰন্তে প্ৰভু মোৰ লাগে হৃদি খেদ।
বোলো স্বামী দেৱ নকৰিও বন্ধু ছেদ॥ ১৮৪০
কমন অঙ্গত মোক হীন দেখিলাহা।
কি কাৰণে প্ৰভু মোক উপেক্ষিয়া যাহা॥
তোমাক বোলোহো তুমি ৰাজাৰ কুমাৰ।
দাৰুণ বনক কেনে যাইবা একেশ্বৰ॥ ১৮৪১
যমৰ কৰণ সম দুৰ্গম দুস্তৰ।
সুমৰন্তে হৃদি খেদ গহন গহ্বৰ॥
ৰাঘৱে বোলন্ত সীতা থিৰ চিত কৰা।
আমাৰ বচন তুমি দৃঢ় কৰি ধৰা॥ ১৮৪২
আমি বন গৈলে দেৱ দ্বিজ আৰাধিবা।
উপবাস ব্ৰতে মোৰ কল্যাণ সাধিবা॥
ভাই মোৰ সুবোধ ভৰত শত্ৰুঘন।
দেৱ হেন আৰাধবে সকৰুণ মন॥ ১৮৪৩

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দৰ্প মান এৰি তান চিত্তক তুষিবা।
তেবে অনুৰূপে তোমাক ভৰতে পুষিবা॥
প্ৰভাত সময়ে উঠি চলিবাহা গাৰ।
কৰিবাহা প্ৰণাম আমাৰ বাপ মাৰ॥ ১৮৪৪
হিত সুহৃদক ছাৰি নেদেখিবা আন।
সব শাশু দেখিবাহা কৌশল্যা সমান॥
সীতায়ে বোলন্ত প্ৰভু শুনিয়ো বচন।
মোৰ বাক্য হেলা নকৰিবা দিয়া মন॥ ১৮৪৫
বাপৰ সুকৃতে পোৰ নুপজয় সুখ।
পোৰ কৰ্ম্মে বাপেকৰো নখণ্ডয় দুখ॥
স্বামীৰ সুকৃত ভুঞ্জে পতিব্ৰতা জন।
প্ৰভুৰ লগত আৰ শোকে যাইবো বন॥ ১৮৪৬
বনক যাহন্তে আগে মিলিবেক যত।
ভাঙ্গিয়া কণ্টকবন চলিবো আগত॥
মোৰ অভিপ্ৰায় যেন আপুনি জানাহা।
অনুগত তেজি অপমানক পাইবাহা॥ ১৮৪৭
কেশৰী কুঞ্জৰ বাঘ ভালুক মহিষ।
তুমি সঙ্গে থাকিতে কৰিবে মোক কিস॥
নদী নদ দেখিবো বিবিধ সৰোবৰ।
কুমুদিনী নলিনী অনেক মনোহৰ॥ ১৮৪৮
উৎসুক মনক গোসাই নকৰিয়ো ভঙ্গ।
তুমি সমে বনক যাইবাক বৰ ৰঙ্গ॥
তুমি সমে ভ্ৰমণ কৰিবো বন মাজ।
যেহেন স্বৰ্গত শচীদেৱী দেৱৰাজ॥ ১৮৪৯
ৰত্নময় বিচিত্ৰ পৰ্ব্বত বন দেশ।
বিবিধ পুষ্পিত বন সুগন্ধি নিশেষ॥
সমুচিত ক্ৰীড়া স্থান কুঞ্জৰ বিশেষ।
কামে সমে ৰতি যেন কৰিবো আশেষ॥ ১৮৫০
মাৰে মোক পূৰ্ব্বত শিখাইলা হাতে ধৰি।
নকৰিবা ভোজন স্বামীক পৰিহৰি॥
সি সব বচন আমি শিৰোগতে ধৰো।
নদী বনে তোমাৰ তুলতে অনুসৰো॥ ১৮৫১
হেন শুনি বুলিলন্ত জগতৰ নাথে।
সীতা দেৱী আগতে আছন্ত হেটমাথে॥
শুন শুন সীতা বোলো জনক জিয়াৰী।
নাৰীসমে বনবাস খাটিতে নপাৰি॥ ১৮৫২
সিংহৰ নাদক শুনি গিৰিৰ কন্দৰে।
কাম্পে কলেবৰ চমকিত হৈবা ডৰে॥
পৰ্ব্বত সমান হস্তী গৰ্জ্জে নিৰন্তৰে।
দ্বাদশ মাসৰ ভিতৰত ময় ধৰে॥ ১৮৫৩
মহিষ বৰাহ বাঘ সৰভ গৰয়।
সিংহ ঘোঙ ৰাৰে আতি ত্ৰাসক জনয়॥
গোলাসতে ৰাজগোম পৰ্ব্বতীয়া বোৰ।
মাণ্ডলীক অজগৰ যাক নাহি যোৰ॥ ১৮৫৪
ইসবক আদি কৰি ভয়ঙ্কৰ সৰ্প।
দৰশন মাত্ৰেকতে হৰে বল দৰ্প॥
কীট পতঙ্গ জোক নকুল ইন্দুৰ।
ইটো সব জন্তু আছে বনত প্ৰচুৰ॥ ১৮৫৫
গুণ্ডকুৰি পৰুৱা আছয় আস থান।
যাহাৰ প্ৰহাৰে সিংহে নসহয় টান॥
বিহঙ্গম চাতক বনত সব মিলে।
আচোক মানুষ হস্তী গোটে গোটে মিলে॥১৮৫৬
ৰকত কমল সব তোৰ হাত পাৰ।
সৰ্ব্বক্ষণে নেতক মলিত যাৰ গাৰ॥
ৰত্নগৃহে ফুৰন্তে শোণিত পাৰে বহে।
উলু কণ্টকত ফুৰিবেক কোন সাহে॥ ১৮৫৭
অনেক দিনৰ পথ হৈব মৰুস্থল।
মহাদুখ থান কতো অপৱিত্ৰ জল॥
কুশৰ কণ্টক লতা গুল্ম যত দেশ।
ঘোৰ অৰণ্যত কেনে হৈবাহা প্ৰবেশ॥ ১৮৫৮

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

পৰিধান বল্কল হৈবেক জটা কেশ।
নখ লোম চোৱৰ হৈব ভোবকাৰ বেশ॥
অস্থি চৰ্ম্ম নাম মাত্ৰ হৈব মোৰ সাৰ।
কিনো প্ৰীতি হৈব তোৰ সুৰত আমাৰ॥ ১৮৫৯
ঘৰ্ম্মকালে পঙ্কত ব্ৰতক ধৰিবো।
শিশিৰ সময়ে জলে নিবাস কৰিবো॥
উপবাস কৰিতে লাগয় ঘনে ঘন।
অন্নক তেজিয়া ফলমূলেসে ভোজন॥ ১৮৬০
আমাৰ লগত বসবাসে যেবে যাইবা।
উপবাস ব্ৰতে মহা দুখ মাত্ৰ পাইবা॥
জনক নন্দিনী মোৰ বচন নবাধা।
গৃহে পতিব্ৰতা ধৰ্ম্মে পৰলোক সাধা॥ ১৮৬১
ৰামৰ বচন শুনি জানকী গোসানী।
ক্ৰন্দন কৰিয়া দেৱী বুলিলন্ত বাণী॥
তুমি এৰি গৈলে মোৰ জীৱন নিষ্ফল।
কটাৰত ভৰ নুহি ভুঞ্জিবো গৰল॥ ১৮৬২
সীতাৰ বিলাপে চিত ৰামৰ দ্ৰৱিল।
বনক যাইবাক তাঙ্ক অনুমতি দিল॥
শুন শুন জানকী লখিলো তোৰ কাজ।
মোহোৰ তুলত বনে যাইবে হোৱা সাজ॥ ১৮৬৩

লক্ষ্মণৰ বনলৈ যাবলৈ অনুমতি লাভ;
ৰাম-সীতা-লক্ষ্মণৰ বনগমনৰ উদ্যোগ।

ৰাঘৱে বোলন্ত লক্ষ্মণৰ হাতে ধৰি।
পলটাউ মন বাপু গ্ৰহ পৰিহৰি॥
দুখী দুই মাৰ মোৰ বৰ শোক পাইব।
কৈকেয়ীত মান সাৰি লঘনক পাইব॥ ১৮৬৪
শুনিয়া লক্ষ্মণে পাচে বুলিলন্ত বাণী।
লক্ষক পুষিতে পাৰে কৌশল্যা গোসানী॥
ধন জন সমন্বিতে গ্ৰাম দশ শত।
তোমাত গৌৰবে তাঙ্ক পালিব ভৰত॥ ১৮৬৫
তুলত যাইবাক মোক নিৰোধাহা কিক।
কিনো মন্দচিন্তিলো মোহোৰ আছে ধিক॥
প্ৰাণ মোৰ দহে আতি এতমান স্নেহ।
হৃদয়ত খাণ্ডা হানি তেজিবোহো দেহ॥ ১৮৬৬
যেন অভিমত কৰ ভৈয়াই লক্ষ্মণ।
সুযজ্ঞ দ্বিজক গৈয়া আন এতিক্ষণ॥
বশিষ্ঠৰ পুত্ৰ তেহো ৰাঘৱৰ মিত্ৰ।
তেখনে লক্ষ্মণ আনি কৰিলা উপস্থিত॥ ১৮৬৭
সুযজ্ঞক ৰামদেৱে অৰ্চ্চনা কৰিলা।
আপোনাৰ অলঙ্কাৰ তাঙ্ক দান দিলা॥
ৰাঘৱক দেখিয়া সীতাৰ অভিমত।
মিতিনীক আনি দিলা অলঙ্কাৰ যত॥ ১৮৬৮
শয়ন কামলি আৰো সিংহাসন খাট।
ৰত্নৰ বাহুতি দিলা চতুৰ্ষষ্টি পাট॥
পাট পট কুণ্ডল কঙ্কণ মণিহাৰ।
নুপূৰ পাগৰী দিলা নানা অলঙ্কাৰ॥ ১৮৬৯
কৌশল্যা সুমিত্ৰা আদি মাৱগণ যত।
ব্ৰাহ্মণ প্ৰমুখ্যে আনো যত অনুগত॥
বন্ধুজন নট ভাট দাস দাসী জন।
মনোৰথ পুৰি ৰামে বিলাইলন্ত ধন॥ ১৮৭০
পাচে বৃদ্ধ ব্ৰাহ্মণে ৰামক পাইল ভেট।
আমি পাঞ্চ বৰিষে ৰাজাত কৰি জ্যেষ্ঠ॥
শিশু সুত মোহোৰ বিস্তৰ পৰিজন।
পুষিতে নপাৰি মোক কিছু দিয়ো ধন॥ ১৮৭১
ৰাঘৱে বোলন্ত ধন আগে দিয়া গৈল।
সহস্ৰেক চক্ৰ তাৰ অৱশেষ ৰৈল॥
ৰাখিতে পাৰিবা যত আপুনি লৈয়োক।
বিলম্ব নকৰি ঝাণ্টে লৈয়ো ধৰিয়োক॥ ১৮৭২

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শুকাই গৈল চৰ্ম্মসম পাঞ্জি হেন কেশ।
দৃঢ় কৰি গাঠি বান্ধি আগত প্ৰবেশ॥
হাতে লৰু ধৰি চলিলাহা দ্বিজবৰ।
পাৰ থিৰ নোহয় কাম্পয় কলেবৰ॥ ১৮৭৩
বাহুৰিয়ো গোসাই বুলি ৰামে দিলা ৰাৰ।
পৰিহাস বুলিলো লখিলো কুট ভাৱ॥
গোৰক্ষে সহিতে গোসকল নিয়োক।
আৰো যত ধন লাগে মোত মাগিয়োক॥ ১৮৭৪
যজ্ঞ কৰিবোহো বুলি মাগি লৈয়া ধন।
ৰামক আশীষ কৰি চলিলা ব্ৰাহ্মণ॥
যত ধন দিয়া ৰামে কৰিলন্ত শেষ।
অস্ত্ৰ আন লক্ষ্মণক কৰিলা আদেশ॥ ১৮৭৫
বৰুণে পিতৃক দিলা ধনু দুই খান।
তূণ দুই অক্ষয় সম্পূৰ্ণ যত বাণ॥
আৰো দিলা অভেদ কৱচ দুইখান।
বিমল কৱচ দুই ঝাণ্টে গৈয়া আন॥ ১৮৭৬
দিব্য ধনু মোহোৰ আছয় গুৰু ঘৰে।
তাহাক আনিয়ো গৈয়া লক্ষ্মণ সত্বৰে॥
ৰাঘৱৰ আদেশ শিৰত কৰি লৈয়া।
ত্বৰিতে লক্ষ্মণে ধনু আনিলন্ত গৈয়া॥ ১৮৭৭
ৰাম সীতা লক্ষ্মণ ধনুক দান কৰি।
ৰাজাক দেখিতে যান্ত থান পৰিহৰি॥
ওৱাৰিৰ নাৰী কান্দে সীতা পাৰে পৰি।
কৈক যাহা মাৰ আমাসাক পৰিহৰি॥ ১৮৭৮
নকৰিলো পাপ অকালত মৃত্যু নাই।
অন্তেষপুৰৰ লক্ষ্মী এৰি কৈক যায়॥
পূৰুৰ কালত আছো খণ্ড তপ কৰি।
তাৰ ফলে সীতা মাৰ যান্ত পৰিহৰি॥ ১৮৭৯
ধৱলীবৰত পৰি কান্দে নাৰীজন।
যেন হিম গিৰিত পৰিল তাৰাগণ॥
ৰাজ পথে প্ৰজা যত আদি অন্ত নাই।
চতুৰ্ভিতি বেঢ়িয়া ক্ৰন্দন কৰি যায়॥ ১৮৮০
নিৰন্তৰে প্ৰজা যত কান্দয় চৌপথে।
কিনো কৰ্ম্ম কৰিলে নৃপতি দশৰথে॥
জানিলোহো ইহাঙ্ক আপদে আসি পাইল।
সি কাৰণে প্ৰিয় পুত্ৰ বনক পঠাইল॥ ১৮৮১
আমি সব ৰামৰ লগতে চলি যাইবো।
ইহানে পাশতে গৈয়া নগৰী বসাইবো॥
নিৰন্তৰে লইয়া যাইবো পুত্ৰ পৰিবাৰ।
ইটো শূন্য নগৰী কৈকেয়ীৰ হৌক সাৰ॥ ১৮৮২
ৰাজাৰ কুমাৰী তুলিলন্ত বাপে মাৰে।
প্ৰজাগণে দেখে সীতা যান্ত ভূমি পাৰে॥
সুকোমলী সীতা দেবীৰ ভূমিত চৰণ।
কিসক নভৈল বিধি আমাৰ মৰণ॥ ১৮৮৩
নগৰী জনৰ বাক্য শুনি হেন কাণে।
সিংহদ্বাৰ পাইলন্ত মনত অভিমানে॥
সুমন্ত্ৰক বোলন্ত জনায়ো মহাৰাজে।
বাপৰ চৰণ দেখো যাইবো বনমাজে॥ ১৮৮৪
সংক্ষেপ কৰিয়া কহিলোহো ইটো কথা।
দশৰথ নৃপতিৰ শুনিয়ো ব্যৱস্থা॥

দশৰথ শ্ৰীৰামৰ বিদায় প্ৰাৰ্থনা আৰু দশৰথৰ শোক।

চেতন লভিয়া শোকে কৈকেয়ীক চাইল।
ৰোগযুত গজে যেন সিংহ ভেট পাইল॥ ১৮৮৫
কাল ৰাতি শুনিবি কৈকেয়ৰাজ জীৱ।
ৰাম বন গৈলে মই তেজিবোহো জীৱ॥
তোৰ পুত্ৰ কেনমতে কৰিবেক ৰাজ।
চৰাল চৰিবে কিছু নবজয় কাজ॥ ১৮৮৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

মধুফল আশায়ে সেবিলো বৃক্ষমূল।
ফলকালে ভৈল সিয়ে শিমলীৰ তুল॥
বিৰিধ কালত হেন নিকাৰুণ ভৈলে।
মুখৰ গৰাস মোৰ তাকো কাঢ়ি লৈলে॥ ১৮৮৭
এবেসে জানিলো তোক যেনে পতিব্ৰতা।
মোহোৰ ৰুধিৰ পান কৰিতে শকতা॥
জন্মে জন্মে হোৱে যেন তোৰ সদ্গতি।
ৰাজ্যলোভে বধ কৈলে মই হেন পতি॥১৮৮৮
কীৰ্ত্তি কৰ্ম্ম ধৰ্ম্ম মানে সবে পৰিহৰি।
অনাথ কৰিলি তই অযোধ্যা নগৰী॥
হায়! প্ৰিয় পুত্ৰ মই পৰিহৰো কিক।
স্ত্ৰীৰ অধীন মোক আছে ধিক ধিক॥ ১৮৮৯
প্ৰতিপাল কৰে মোক সুভাষিত ৰাম।
তিনিয়ো ত্ৰৈলোক্যে যাক নাহিকে উপাম॥
হা বিধি মই আবে কৰিলোহো কিস্।
পাপিষ্ঠীয়ে ঢালিলন্ত অমৃতত বিষ॥ ১৮৯০
পাপিষ্ঠ নিষ্ঠুৰ মই ভৈলো স্ত্ৰীৰ বশ।
ৰামক বনক পঠাই পাইলো অপযশ॥
কিনো অধোগামী তই পাপিষ্ঠী দাৰুণী।
বিহতা স্বামীত কেনে ভৈলি নিকাৰুণী॥ ১৮৯১
বিলাপ কৰন্তে যেবে আছে মহাৰথ।
হাত যোৰে সুমন্ত্ৰ আগত উপগত॥
শ্ৰীৰাম লক্ষ্মণ সীতা দুৱাৰত থিত।
বনে যাইতে আসিলন্ত চৰণ দেখিত॥ ১৮৯২
কান্দি ৰাজা সুমন্ত্ৰক বুলিলন্ত বাণী।
মহাদই সমস্তক মিলায়োক আনি॥
পৰিছেদা দেখন্তোক ৰাম পুত্ৰমুখ।
ৰাম বনে গৈলে অন্তৰ্গতে পাইব দুখ॥ ১৮৯৩
ৰাজাৰ আদেশে মন্ত্ৰী গৈলা অভ্যন্তৰে।
নিৰন্তৰে নাৰীগণ মিলাইলা সত্বৰে॥

বসিলা ৰাজাক বেঢ়ি ৰমণী সকলে।
চন্দ্ৰক বেঢ়িয়া যেন তাৰাগণ জ্বলে॥ ১৮৯৪
দেৱতা ভূষিত যত সুন্দৰী সমাজ।
অপেশ্বৰা বেঢ়িলে যেহেন দেৱৰাজ॥
সুমন্ত্ৰয়ো নৃপতিৰ বচন প্ৰমাণি।
ৰাম সীতা লক্ষ্মণক ভেটাইলন্ত আনি॥ ১৮৯৫
বাপক দেখিলা হেম সিংহাসন থিত।
উদয় গিৰিত যেন জ্বলন্ত আদিত্য॥
কৈকেয়ী কৌশল্যা দুয়ো আছন্ত দুভিতি।
কাশ্যপক বেঢ়ি যেন দিতি যে অদিতি॥ ১৮৯৬
দশৰথ আছে কন্যাগণৰ মাজত।
হস্তিনীগণৰ মাজে যেন ঐৰাৱত॥
ৰামক দেখিয়া ৰাজা চালিলন্ত গাৱ।
সাৱটি ধৰিতে লাগি বঢ়াইলন্ত পাৱ॥ ১৮৯৭
শোকে শিহৰিল গাৱ নপাইলন্ত উলি।
ঢলিয়া পৰন্তে ৰামে ধৰিলন্ত তুলি॥
শ্ৰীৰাম লক্ষ্মণে নিয়া থাপিলা আসনে।
তিনিহন্তে কান্দিলা বিষাদ কৰি মনে॥ ১৮৯৮
বিচিলন্ত অনেক চামৰ ধৰি হাতে।
সুশীতল জল আনি ঢালিলন্ত মাথে॥
কৌশল্যাক প্ৰমুখ্যে ৰামৰ শত মাৱ।
হা প্ৰাণ প্ৰভু বুলি তেজিলন্ত ৰাৱ॥ ১৮৯৯
হৰি হৰি বিধি কত কৰিলে সঙ্গতি।
দশৰথ নৃপতিৰ হেন সে বিপতি॥
সুখৰ ভিতৰে কেনে মিলিল অপায়।
বন্ধুচ্ছেদ কৰি ৰামে বনবাসে যায়॥ ১৯০০
কহি যাইবে সীতা আই সৰ্ব্বাঙ্গে সুন্দৰী।
কৈক যাহা লখাই বাপ দেশ পৰিহৰি॥
বিনাশ মিলিল আসি অযোধ্যা নগৰী।
কৈক যাইবে ৰামাই মোক অনাথিতি কৰি॥১৯০১

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কতো বেলি নৃপতিৰ আসিলেক জীৱ।
কৰযোৰে শ্ৰীৰাম আগত ভৈলা থিৰ॥
তব সত্য পালিয়া চলিবো বনমাজ।
শুভ দৃষ্টি চাহি আজ্ঞা দিয়ে মহাৰাজ॥ ১৯০২
লক্ষ্মণ সীতাক মই বুলিলোহো ভাৰ।
গহ কৰি তেজিলন্ত আপোনাৰ ঠাৰ॥
পলটাইতে নপাৰিলো কৰিবোহো কিস।
তিনিহন্তে চলিলোহো দিয়োক আশীক॥১৯০৩
জগতৰ নাথে এই বুলি ৰহিলন্ত।
মাথা তুলি পাচে দশৰথে বুলিলন্ত॥
স্ত্ৰীজন বঢ়াই বৰ ভৈলোহো হতাশ।
কৈকেয়ীক বৰ দিয়া চিন্তিলো বিনাশ॥ ১৯০৪
জন্মে জন্মে মই কৰিলোহো মন্দকৰ্ম্ম।
জ্যেষ্ঠ পুত্ৰ বনে যাই কোন যোগধৰ্ম্ম॥
অযোগ্য কৰিয়া গলে সত্য পাশে ধৰি।
ৰাজ্য ভাৰ লৱয় নিগ্ৰহ মোক কৰি॥ ১৯০৫
দশৰথে বোলে শুনা হৃদয় নন্দন।
এৰি যাইবে মোহোক বিকল কৰে মন॥
তুমি এৰি গৈলে মোৰ নাহিকে জীৱন।
দুখ ভাগ লৈবো মোক লৈয়া চল বন॥ ১৯০৬
প্ৰদক্ষিণ কৰি ৰামে বুলিলন্ত বাণী।
আমাৰ জীৱন যেন পদ্মপত্ৰ পানী॥
পিতৃদেৱ তোমাৰ সত্যক ৰক্ষা কৰি।
নিশ্চয়ে চলিবো বন ৰাজ্য পৰিহৰি॥ ১৯০৭
ধৰ্ম্মপথ ৰাখো মোত তেজিয়োক স্নেহ।
সত্যক পালন কৰো দৃঢ় কৰা দেহ॥
পুত্ৰ সঙ্গে ৰাজাৰ যাইবাক নোহে যোগ।
বন্ধুজন পালি কৰিয়োক ৰাজভোগ॥ ১৯০৮
দশৰথে বোলে ৰাম কুলৰ নন্দন।
মাৰক বাপক বোলো আশ্বাস বচন॥
মাৰক বাপৰ পুত্ৰ সৰ্ব্বকালে ছোট।
মাজ কৰি গলে বান্ধি থাকো ৰাতিগোট॥ ১৯০৯
ৰাজায়ে বোলন্ত ৰাম বুজিলোহো চিত।
এক বোল বোলোতাক দেখিয়োক হিত॥
আজি থাকি অনুগ্ৰহ কৰিয়ো আমাত।
পৰিছেদা একে থানে ভুঞ্জো আজি ভাত॥১৯১০
ৰাঘৱে বোলন্ত বাপ শুনিয়ো আপোনে।
আজি দুয়ো ভাত খাইবো কালি খাইবো কোনে॥
মোহোৰ বাসনা এৰি পালিয়ো শপত।
অৱিলম্বে ৰাজ্যে আনি থাপিয়ো ভৰত॥ ১৯১১
মোহোৰ নিমিত্তে কিক শোকক জ্বলয়।
গম্ভীৰ সাগৰ কদাচিতো নটলয়॥
নিশ্বাস কাঢ়িয়া ৰাজা মাথা তুলি চাইলা।
সুমন্ত্ৰ আগতে আছে তাঙ্ক ভেট পাইলা॥ ১৯১২
বোলোহো সুমন্ত্ৰ শুন বচন আমাৰ।
চতুৰঙ্গ দল মোৰ সত্বৰে হাঙ্কাৰ॥
শ্ৰীৰামৰ লগতে চলোক সেৱা কৰি।
ভৰতে আসিয়া লৌক ই শূন্য নগৰী॥ ১৯১৩
প্ৰথম যৌৱনী যত বিবিধ সুন্দৰী।
ৰাঘৱৰ লগতে চলায়ো ঝাণ্ট কৰি॥
ভাণ্ডৰ বেহাৰ বন জন যত দেশ।
ৰামৰ তুলত হৌক বনত প্ৰবেশ॥ ১৯১৪
পাত্ৰ মন্ত্ৰী সকল যতেক বীৰ সাৰ।
একো একো বীৰে বসাৱকো দেই ধাৰ॥
ৰামত তুলত গৈয়া বৈসায়োক নগৰী।
কৈকেয়ীক ৰাজ্য ইটো দেও শূন্য কৰি॥ ১৯১৫
শুনি কৈকেয়ীৰ মুখ জিহ্বা শুকাই গৈল।
ক্ৰোধে নৃপতিক বাক্য বুলিবাক লৈল॥
সাৰভাগ কাঢ়ি লৈলা পাইলো সত্য বোল।
ঘৃত কাঢ়ি লৈলা মই কি কৰিবো ঘোল॥ ১৯১৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাজাৰ চৰিত্ৰ দেখি ভৰতৰ মাৰ।
চমৎকাৰ জ্বলিল কাম্পয় হাত পাৰ॥
বিবৰ্ণ বদন ভৈল নিশ্ৰীক কুচান্দ।
অমৃত পানক যেন ৰাহুগ্ৰস্ত চান্দ॥ ১৯১৭
তোমাৰ উপৰি বংশ সগৰ আছিল।
শুনি আছো তেহো শ্ৰেষ্ঠ পুত্ৰক ত্যগিল॥
সেহি মতে ৰামক কৰিয়ো পৰিহাৰ।
তাঙ্ক যোগ্য নুহিকে অযোধ্যা ৰাজভাৰ॥ ১৯১৮
ধিক তোক পাপিষ্ঠী বুলিলা মহাৰায়।
লাজে শোকে থাকিলা ভুমিক লাগি চাই॥
হেন দেখি বুলিলন্ত বৃদ্ধ মহাপাত্ৰ।
নামত সিদ্ধাৰ্থ তেহো চিৰকালি পাত্ৰ॥ ১৯১৯
আছিলা অসমঞ্জ শঙ্কটবৰ থলে।
শিশু মাৰি পেলাৱয় সৰযুৰ জলে॥
শোকে বিনাৱয় প্ৰজা নৃপতিত কাজ।
সিকাৰণে তেজিলা সগৰ মহাৰাজ॥ ১৯২০
গুণৰ সাগৰ ৰাম সৰ্ব্বজন হিত।
দেৱ দ্বিজ ভক্ত পিতৃ মাতৃত বিনীত॥
জল মল কুমুদ প্ৰকাশ শশধৰ।
কোন দোষে শ্ৰীৰামক গুচাইবে ৰাজ্যৰ॥ ১৯২১
বাৰে বাৰে বোল তই ৰামক গুচিত।
মই জানো তোক যেনে কৰিবে উচিত॥
সবৰাজে সাজিয়া ৰামৰ পাশে যাউক।
কুকুৰ শৃগালে তোক লাৰি চাৰি খাউক॥ ১৯২২
ৰাজাৰ কুমাৰী ৰূপে আইলি ৰাক্ষসিনী।
দশৰথ হেন স্বামী লৈলি নিকাৰুণী॥
পৰম পাপিনী দেখিবাক নোহ যোগ।
অচিকিৎস্য ব্যাধি ভৈলে যেন গৰ্ভৰোগ॥ ১৯২৩
নৃপতি বোলন্ত শুন হাওৰে পাপিষ্ঠী।
তোক দেখি পৰে যেন নৰকত দৃষ্টি॥
ৰাজভোগ তেজি মই ভৈলোহো নিৰাশ।
সুখে থাক ৰাম সঙ্গে চলো বনবাস॥ ১৯২৪
ৰাঘৱে বোলন্ত পিতৃ চিত্ত কৰা থিৰ।
বনবাস যোগ মোক দিয়ো আনি চীৰ॥
পুত্ৰৰ লগত বন যাইতে নোহে যোগ।
বন্ধুজন পালিয়ো কৰিয়ো ৰাজ্য ভোগ॥ ১৯২৫

শ্ৰীৰাম আদিৰ বাকলি বস্ত্ৰ ধাৰণ আৰু সকলোৰে প্ৰতি আশ্বাস বাক্য প্ৰদান।

শুনিয়া কৈকেয়ী আতি সহৰিষ মনে।
তিনিকো বাকুলি বস্ত্ৰ দিলা তেতিখনে॥
লাজ এৰি বোলয় নিষ্ঠুৰ মন কৰি।
চীৰ পিন্ধি চল ঝাণ্টে দেশ পৰিহৰি॥ ১৯২৬
ভৰতে আসিয়া লৌক এহি দণ্ডপাট।
চৈধ্যয় বৰিষ লাগি বনবাস খাট॥
দেৱাঙ্গ বস্ত্ৰক তেজিলন্ত তেতিক্ষণে।
পিন্ধিলা বাকলি বস্ত্ৰ শ্ৰীৰাম লক্ষ্মণে॥ ১৯২৭
সীতাদেৱী থৈলন্ত গলত চীৰবাস।
মৃগী যেন দেখিয় গলত লৈল পাশ॥
লাজে নমাইলন্ত মাথ জনকৰ জীৱ।
স্বামীৰ পাশত ধীৰে ধীৰে ভৈলা থিয়॥ ১৯২৮
শুনিয়োক প্ৰভুৰাম মোৰ নিজপতি।
কেন মতে চীৰ পিন্ধো কহিয়ো সম্প্ৰতি।
হেন বুলি চীৰ নেত্ৰ উপৰে ধৰিল।
মহাদই লোকে দেখি ক্ৰন্দন কৰিল॥ ১৯২৯
হা বিধি বুলি ৰোল উথলিল জাৰি।
সীতা গোসানীক লাগি নাহি পাট শাৰী॥
ৰাজাবোলে পাপিষ্ঠী অখ্যাতি বৰ থৈলে।
একে ৰামে বনে যাইতে ধৰ মাগি লৈলে॥ ১৯৩০

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কিনো নিদাৰুণী তোৰ পাপৰ শৰীৰ।
লক্ষ্মণ সীতাক কেনে পিন্ধাৱস চীৰ॥
ৰাঘৱে বোলন্ত বাপ তযু পাৱে ধৰো।
একুটীৰ পুত্ৰ মই আইক পৰিহৰো॥ ১৯৩১
মোহোৰ বিয়োগে আইৰ জীৱন সংশয়।
হেন কাজ কৰা যেন তান প্ৰাণ ৰয়॥
পৰিলা কৌশল্যা মাৱ শোকৰ সাগৰে।
ইহাৰ শৰীৰ ৰক্ষা কৰা নিৰন্তৰে॥ ১৯৩২
হেন শুনি নৃপতি বিহ্বল আতি ভৈলা।
ভূমিত পৰিয়া তেতিক্ষণে মূৰ্চ্ছা গৈলা॥
কতোক্ষণে চেতন লভিয়া মহাৰায়।
কৰিলা আদেশ ৰাজা সুমন্ত্ৰক চাই॥ ১৯৩৩
মোৰ ৰথখান আন শীঘ্ৰে ঘোড়া সাজি।
ৰাম বনে যাহন্তে সাৰথি হুয়ো আজি॥
ৰাজাৰ আদেশ মন্ত্ৰী মাথে তুলি লৈয়া।
সব সাজে ৰথ সাজি আনিলন্ত গৈয়া॥ ১৯৩৪
ভণ্ডাৰীক নৃপতিয়ে কৰিলা হাঙ্কাৰ।
সীতাক দিয়োক ৰাজ যোগ অলঙ্কাৰ॥
ৰাজাৰ বচন মন্ত্ৰী শিৰোগতে লৈয়া।
তেখনে আনিলা দিব্য অলঙ্কাৰ গৈয়া॥ ১৯৩৫
নৃপতি বোলন্ত কুল বোহাৰী আমাৰ।
পৰিছেদা দেখোঁ পিন্ধিয়োক অলঙ্কাৰ॥
তেতিক্ষণে সীতা বল্কলক তেজিলন্ত।
সুনিৰ্ম্মল বস্ত্ৰ পৰিধান কৰিলন্ত॥ ১৯৩৬
শাশু পাঞ্চশতে পিন্ধাইলন্ত অলঙ্কাৰ।
মুকুট কুণ্ডল গ্ৰীৱে সাতেসৰি হাৰ॥
নেপূৰ পগৰি আনো অলঙ্কাৰ যত।
থানে থানে প্ৰতি প্ৰতি পিন্ধাইলা সমস্ত॥ ১৯৩৭
কঙ্কণ কুণ্ডল ৰত্নাঙ্গুলি আৰো কাঞ্চি।
সমস্ত শৰীৰ অলঙ্কাৰে নিলা খাঞ্চি॥

মঙ্গল কৰিলা ভালে জনকৰ জীৱে।
গাৱ চালি কৌশল্যায়ো ধৰিলন্ত গ্ৰীৱে॥ ১৯৩৮
মাৱে জীৱে যেন ধৰিলন্ত গলে গলে।
লোহো মলচিলা সীতা নেত্ৰৰ অঞ্চলে॥
মাথাত চুম্বন দিয়া ৰামৰ জননী।
বোলন্ত শুনিয়ো মাৱ জনক নন্দিনী॥ ১৯৩৯
নিৰ্গুণ সুস্বামী তোৰ দুৰ্গতি পতিত।
আৰ মান নাসাধিয়া কৰিবাহা হিত॥
সীতায়ে বোলন্ত মাৱ তেজা চিন্তা শোক।
ইতৰ নাৰীৰ সম নেদেখিবা মোক॥ ১৯৪০
সুস্বামী থাকন্তে শোভে সবে অলঙ্কাৰ।
স্বামী হীন হৈলে হোৱে সবে ছাৰখাৰ॥
পৰিমিত ধন মাত্ৰ দেন্ত বাপ ভাই।
পুত্ৰত থাকিলে ধন হাততো নাপাই॥ ১৯৪১
স্বামীৰ ধনক সুখভোগে কৰে দান।
কোন নাৰী কৰাৱে স্বামীক অপমান॥
কোকিল শোভন হোৱে সুশোভন বাৱে।
নাৰীগণ শোভে পতিব্ৰতা ধৰ্ম্মভাৱে॥ ১৯৪২
পুৰুষ শোভন গুণ সদাবিদ্যা ভাৱে।
তাপস শোভন হোৱে ক্ষমা অলঙ্কাৰে॥
শুনিয়ো গোসানি বোলা সীতা পৰবাসু।
জন্মে জন্মে ৰাম স্বামী তুমি হৈবা শাশু॥ ১৯৪৩
কৌশল্যা শুনিলা হেন বচন কুশল।
হৰিষ বিষাদে পৰে নয়নৰ জল॥
ৰামৰ লগত ধৰি বুলিলা বিশেষ।
সীতাক ৰাখিয়া যত্নে দিলা উপদেশ॥ ১৯৪৪
সুকুমাৰ বাপ মোৰ লক্ষ্মণ কুমাৰ।
তাহাঙ্কো দেখিবা যেন নিজ কলেৱৰ॥
ৰাঘৱে বোলন্ত মাৱ তেজিয়োক চিন্তা।
লক্ষ্মণ ডাহিন বাহু ছায়া মোৰ সীতা॥ ১৯৪৫

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

আঙ্ক পৰাভৱে পশে হৰত শৰণে।
পাতি মলছিল তাৰ যমৰ কৰণে॥
মোৰ লগে শোভন লক্ষ্মণ বীৰবৰ।
ৰবিতলে নাহিকে আমাক সমসৰ॥ ১৯৪৬
একে আৰো অগ্নি মই লক্ষণ পৱন।
ৰিপু অৰণ্যক কৰিবোহো পুৰি ছন॥
কৌশল্যা মুঠিক ধৰি হানিলন্ত হিয়ে।
চাপিয়া ধৰিলা গৈয়া লক্ষ্মণৰ গ্ৰীৱে॥ ১৯৪৭
শুন শুন বাপু মোৰ লক্ষ্মণ কুমাৰ।
সীতাক ৰাখিবা ভালে বনৰ ভিতৰ॥
লক্ষ্মণে বুলিলা বাণী যোৰহাত কৰি।
চিন্তা তেজিয়োক শোক মন্যু পৰিহৰি॥ ১৯৪৮
সীতাৰ নিমিত্তে মাৱ নকৰিবা ভয়।
ধনু ধৰি ৰাখিবোহো লক্ষ্মণ দুৰ্জ্জয়॥
অশ্বিনীকুমাৰো মোক নুহিৱন্ত সম।
হাতে ধনুশৰ ধৰি জিনিবোহো যম॥ ১৯৪৯
কাল বিকালক জিনি কীৰ্ত্তি বৰ থৈবো।
মহেশৰ হাতৰ ত্ৰিশূল কাঢ়ি লৈবো॥
একেশ্বৰে জিনিবো সকলে দেৱাসুৰ।
মুঠিতে কৰিবো বাসৱৰ বজ্ৰ চূৰ॥ ১৯৫০
হাতে ধৰি ছিণ্ডিবোহো বৰুণৰ পাশ।
গদা ভাঙ্গি কুবেৰক কৰিবো উদাস॥
শ্ৰীৰামে বোলন্ত মাৱ তেজিয়োক তাপ।
আশ্বাসিয়ো ভালে মোৰ দশৰথ বাপ॥ ১৯৫১
ভক্তিভাবে তুষিয়ো শঙ্কৰ দেৱ হৰি।
সত্বৰে আসিবো মই বনবাস তৰি॥
সুবিনয় স্বৰূপ পুত্ৰৰ শুনি বোল।
স্ত্ৰীসব মাজে ভৈল ক্ৰন্দনৰ ৰোল॥ ১৯৫২
ক্ৰৌঞ্চ সমূহে যেন নাদয় আকাশে।
ক্ৰন্দনৰ উৰ্ম্মি দশৰথৰ আবাসে॥

ৰাম সীতা লক্ষ্মণ ৰাজাক নমিলন্ত।
পুনু পুনু পাৱে ধৰি ধূলিক লৈলন্ত॥ ১৯৫৩
বন্দিলন্ত পাচত কৌশল্যা দেবী মাৱ।
অনন্তৰে নমিলন্ত সুমিত্ৰাৰ পাৱ॥
চৰণ বন্দিলা লখাই বিনয় স্বভাৱে।
বসাইলন্ত কোলাত সুমিত্ৰা নিজ মাৱে॥ ১০৫৪
সাফল জীৱন মোৰ কল্যাণ সাধিলো।
কত জন্ম পুণ্যে মই হেন পুত্ৰ পাইলো॥
উদ্ধাৰিলি বংশক সাফল উতপতি।
জ্যেষ্ঠ ভাইত ভৈল তোৰ ইমত ভকতি॥ ১৯৫৫
সীতা তোৰ মই সম ৰাম দশৰথ।
অবিৰোধে চল বাপ কল্যাণৰ পথ॥
শুনা ৰামায়ণ মন সাৱধান কৰি।
ভকতিক ইচ্ছা যাৰ ডাকি বোলা হৰি॥ ১৯৫৬

শ্ৰীৰাম আদিৰ বনগমন।

দুলড়ী

অনন্তৰে ৰাম সীতা একে ৰথে
চড়িলন্ত ৰঙ্গে গই।
পাচত লক্ষ্মণ চড়িলা হৰিষে
হাতে ধনুশৰ লই॥
চৈধ্য বৰিষক লাগিয়া সীতাৰ
বস্ত্ৰ অলঙ্কাৰ লৈয়া।
পেটাৰিত ভৰি লৈয়া ঝাণ্ট কৰি
সুমন্ত্ৰ চড়িলা গৈয়া॥ ১৯৫৭
সমস্তে প্ৰজাৰ তিনি ৰত্নসাৰ
চড়িলা থান তেজিয়া।
ওৰাৰি জনৰ গাৱত সাক্ষাতে
অগনি কুণ্ড জ্বালিয়া॥
সিংহ দুৱাৰক এৰি অনন্তৰে
পাইলা গৈয়া ৰাজপথ।

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শোকে দুখে মৰ্ম্মে পৰিজন সমে
পাচে যান্ত দশৰথ ॥ ১৯৫৮
উম্বল প্ৰম্বল ভৈলা তল বল
অযোধ্যা যত নগৰা।
ৰাম সঙ্গে যাই আগ পাচ চাই
পলাই যত দেশান্তৰি ॥
যোগীৰ কান্ধত কানি ঝুলি যত
হাতে দোৱাদশ কাথি।
লৰৰন্তে লৰ- ৰন্তে পাচে চান্তে
হিয়া মানে গৈল ফাটি ॥ ১৯৫৯
পাইলেক ভাগৰ বোকণ্ডা কাখৰ
সবে পৰি গৈল খসি।
মুখে শিৱ শিৱ সুমৰন্তে আতি
পলাইলা যত তপসী ॥
আস বুলি যোগী আচাৰি পেলাইলে
পূজাৰ দেৱতা মান।
পূজিবাক লাগি পাচে পাইবো দেৱ
থাকয় যেবে পৰাণ ॥ ১৯৬০
ৰামৰ পাচত পঞ্চাশ ছপন
কোটি যায় কোণ্ডকৰ।
তাৰ সীমা সংখ্যা নাহিকে যতেক
চলি যাই ধনুৰ্দ্ধৰ ॥
বাৰু খাণ্ডা ধৰ যতেক যুজাৰ
আদি অন্ত নাহি তাৰ।
একো একো বীৰে সাগৰ পৰ্য্যন্তে
যুজিবাক দেই ধাৰ ॥ ১৯৬১
পুত্ৰক কান্ধত ধৰিয়া পাচত
চলিলা ব্ৰাহ্মণ মানে।
নট ভাট আদি কিঙ্কৰ লৰিল
আছিল যতেক মানে ॥
সূৰ্য্য দেৱতায়ো যাৰ ৰূপ দেখি
চলিয়া নযান্ত ৰথে।
হেনয় সুন্দৰী সকলে কান্দয়
পৰি পৰি চতুষ্পথে ॥ ১৯৬২

নয়ন কটাক্ষ কৰি ৰামদেৱে
পাচক লাগিয়া চাইলা।
ভূমি পাৰে চলি আছয় কান্দন্তে
নৃপতিক ভেট পাইলা ॥
হাঁ বাপ ৰাম লক্ষ্মণ জানকী
এৰি মোক কৈক যাহা।
ইজন্মক লাগি দেখো পৰিছেদা
মাথা তুলি মোক চাহা ॥ ১৯৬৩
বাপৰ বচন শুনি ৰামদেৱে
মন আকৰসি আনি।
মক মক কৰি ক্ৰন্দন্ত কৰন্ত
মুখত নাসয় বাণী ॥
সুমন্ত্ৰ মন্ত্ৰীক বুলিলন্ত ৰামে
শীঘ্ৰে ৰথখান ডাক।
শুনৰে সুমন্ত্ৰ নডাকিবি ৰথ
দশৰথে দেন্ত হাক ॥ ১৯৬৪
নযা থাক থাক ডাক ডাক ডাক
উথলিল দুই বোল।
সুমন্ত্ৰ মন্ত্ৰীৰ মন দোধা ভৈল
কৰয় চিত্ত আন্দোল ॥
খৰতৰ কৰি ৰাঘৱে বোলন্ত
মন্ত্ৰী আৰ কিবা চাহা।
বাপৰ বচন নুশুনিলা ভাৱে
ৰথখান ঝাণ্টে বাহা ॥ ১৯৬৫
শুনিয়া সুমন্ত্ৰ মন্ত্ৰীয়ে ৰাজাক
চাই কৰি হাত যোৰ।
আতি শীঘ্ৰ বেগ কৰিয়া ৰথৰ
ডাকিলন্ত চাৰি ঘোড় ॥
মন পৱনৰ বেগে চলে ৰথ
ধৰি অৰণ্যৰ পথ।
ক্ষণেকতে সবে পাছ কৰিলন্ত
নগৰৰ লোক যত ॥ ১৯৬৬
সবাকে তেজিয়া শীঘ্ৰ বেগে আতি
চড়িয়া গৈলন্ত ৰথে।

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

হিয়া ধাকুৰিয়া পৰি বাহুৰিয়া
নাৰীগণ কান্দে পথে ॥
ৰাজা দশৰথ কান্দন্ত পথত
চলি যান্তে ভূমি পাৰে।
মহাদই যত কান্দন্তে চলন্ত
ৰাম বুলি দীৰ্ঘৰাৱে ॥ ১৯৬৭
বশিষ্ঠ প্ৰমুখ্যে কৰিয়া যতেক
আছন্ত গুৰু ব্ৰাহ্মণ।
ৰাজাক সম্বুধি মধুৰ বচন
বুলিলন্ত তেতিক্ষণ ॥
ৰামৰ পুনৰা- গমনে তোমাৰ
আছে যেবে অভিপ্ৰায়।
বহুদূৰ তাঙ্ক আগ বঢ়াইবাক
এতিক্ষণ নুযুৱাই ॥ ১৯৬৮
শুনিয়ো নৃপতি আপুনি চিন্তিলা
আপোনাৰ সৰ্ব্বনাশ।
আগে সত্য কৰি বৰ দুই দিয়া
কৈকেয়ীক দিলা আশ ॥
বশিষ্ঠে দেখন্ত ৰাজা দশৰথ
মত্ত গজ যেন আছে।
যুগুত বচন অঙ্কুশে তাহাঙ্ক
পালটাইলা গুৰু পাছে ॥ ১৯৬৯
গুৰুৰ যুগুত বচন শুনিয়া
ৰহিলা তথা নৰেশ।
ৰামৰ ভিতিক চাহিয়া নৃপতি
নকৰে চক্ষু নিমেষ ॥
কাঢ়ন্ত নিশ্বাস ভৈলন্ত নৈৰাশ
পুনু পুত্ৰ দৰশনে।
মৰ্ম্মে পোৰে হিয়া ভূমিত পৰিয়া
মূৰ্চ্ছা গৈলা তেতিক্ষণে ॥ ১৯৭০
হাহাকাৰ কৰি ডাহিনে কৌশল্যা
ধৰিলা বিকল ভাৱে।
ৰাম পাশ চাপি ধৰিলন্ত পাছে
ভৰতৰ নিজ মাৰে।

কতোক্ষণে পাছে ৰাজা দশৰথ,
গাৱত চেতন পাইলা।
ক্ৰোধ দৃষ্টি আতি কৰিয়া নৃপতি
কৈকেয়ীক লাগি চাইলা ॥ ১৯৭১
হাওৰে পাপিষ্ঠী পৰম অনিষ্ঠী
নুচুবি নুচুবি মোক।
গুচ ইথানৰ জীওঁ মানে আৰ
মইতো নচাইবো তোক ॥
শুন ছাৰি ওৰে তোৰ বাক্যে যেবে
ভৰতে লৱয় ৰাজ।
নলৈবো তাহাৰ পিণ্ড জলাঞ্জলি
আদি কৰি যত কায ॥ ১৯৭২
দেখিয়া সুন্দৰী তোক বিহা কৰি
নষ্ট ভৈলো মই ছাৰ।
নথাক এথাত তোহোৰ আত্মাত
পৰি যাউক মহামাৰ ॥
ধিকাচোক তোক ৰাম হেন পোক
দিলি তই বনবাস।
শুনৰে পাপিষ্ঠী দূৰ যাহা তই
মোক বধিবাক চাস ॥ ১৯৭৩
ৰামে তৈত বন ফলক খাইৱন্ত
মই ভুঞ্জিবোহো ভাত।
ৰাজ্য ভোগ সবে তেজিবো বাসনা
ইটো পুৰী অযোধ্যাত ॥
নাই মোৰ সিদ্ধি হৰি হৰি বিধি
কি কৰিলি তই মোক।
মৰিবাৰ কালে পাইলোহো দাৰুণ
প্ৰিয় পুত্ৰ ৰাম শোক ॥ ১৯৭৪
কৌশল্যা গোসানী গদ গদ বাণী
বুলিলা বচন হিত।
কেন মতি হীন ভৈলা প্ৰভু এবে
থিৰ কৰিয়োক চিত ॥
নাহি তুল্য যাৰ ত্ৰিভুৱনে আৰ
তুমি মোৰ নিজ পতি।

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ভাল কাৰ্য্য আৰ নেদেখোহো প্ৰভু
মিলি গৈল বিসঙ্গতি ॥ ১৯৭৫
বিষাদে মনত বুলিলন্ত পাছে
অযোধ্যাৰ নিজ নাহা।
মাত নাসে আৰ থানে কৌশল্যাৰ
মোক আবে লৈয়া যাহা ॥
কিছু স্বস্থ মন ৰাজাৰ বচন
মন্ত্ৰীগণে যেবে পাইলা।
কৌশল্যা দেৱীৰ ঠাৱত ৰাজাক
প্ৰবেশ নিয়া কৰাইলা ॥ ১৯৭৬
পটেশ্বৰী সব সহিতে নৃপতি
পশিলা নিজ পুৰত।
ৰামৰ উত্তম ওৱাৰিক ৰাজা
দেখিলা কতো দূৰত ॥
মলিন পৰিল গৰুড়ে এৰিল
সৰ্পৰ যেন গহ্বৰ।
কেশৰী খেদিল কুঞ্জৰে তেজিল
যেহেন গিৰি কন্দৰ ॥ ১৯৭৭
পাছে শোকে দুখে কৌশল্যা সহিতে
শয্যাত এৰিলা গাৰ।
হা ৰাম বুলি বাহু দুই তুলি
কান্দে দিয়া দীৰ্ঘৰাৱ ॥
হৰি হৰি ৰাম মোক শোক দিয়া
এৰি কৈক লাগি গৈলা।
কিনো তোৰ চিত মোহোক বধিত
লাগি উতপতি ভৈলা ॥ ১৯৭৮
পূৰ্ব্ব জন্মে হৈবে মই পিতা পুত্ৰে
কৰায়া আছো বিয়োগ।
তাৰ ফলে ঘোৰ মিলিল মোহোৰ
নিদাৰুণ পুত্ৰ শোক ॥
প্ৰাণেশ্বৰী মোৰ শুনিয়ো কৌশল্যা
গ্ৰাৱত চাপিয়া ধৰ।
তোহোৰ গৰ্ভত ভৈল উতপতি
ৰাম মোৰ পুত্ৰবৰ ॥ ১৯৭৯

আৰ নেদেখিবো গৈল কৈক লাগি
মোহোৰ কুল নন্দন।
মহা বীৰবৰ শৰীৰ সুন্দৰ
গজৰ যেন গমন ॥
পৰম নিৰ্ম্মল নীল উতপল
সমান শোভে বদন।
সুৱলি বলিত আজানুলম্বিত
বাহু প্ৰিয় দৰশন ॥ ১৯৮০
আতি সুশোভন শিশু তিনি জন
মোৰ যেবে বনে গৈল।
বিধিৰ বিঘাতে আমি হেন নাথে
পুত্ৰ অনাথিতি ভৈল ॥
কোমল তুলিত নেত কামলিত
শুতি উতপাত কৰে।
তৃণৰ শয্যাত শুতিয়া সাক্ষাৎ
এবে কেনে প্ৰাণ ধৰে ॥ ১৯৮১
অল্প বয়সৰ সুখীয়া কুমৰ
ৰাজাৰ ভোগ উচিত।
তেজি গৃহ সুখ বনবাস দুখ
ভুঞ্জিবেক নিতে নিত ॥
শৰীৰক ছানি পুত্ৰ শোক বহ্নি
দহে দুইকো নিৰন্তৰ।
শোকে সৰ্ব্বক্ষণ ৰবিৰ কিৰণে
যেন শোষে সৰোবৰ ॥ ১৯৮২
নিদ্ৰাক নপাইলা বিষাদে থাকিলা
ৰাজা আৰু পটেশ্বৰী।
ৰামৰ শোকত ভৈল নিশবদ
অযোধ্যা সিটো নগৰী ॥
শুনিয়োক লোক সংক্ষেপে আছোক
ইটো কথা এহিমানে।
মহা লাভ জানি ৰামৰ কাহিনী
শুনিয়োক বিদ্যমানে ॥ ১৯৮৩
ঘোৰ কলিকাল নাহি আত ভাল
ৰামত বিনে ভকতি।

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

জীৱা কতকাল তেজি আলজাল
ৰাম পাৱে দিয়া মতি ॥
পৰম অথিৰ মনুষ্য শৰীৰ
পৰে কেতিক্ষণ জানি।
জন্মৰ সাফল হৌক লোক ডাকি
বোলা ৰাম ৰাম বাণী ॥ ১৯৮৪

প্ৰজাসকলৰ প্ৰতি শ্ৰীৰামৰ প্ৰবোধ বাক্য।

পদ।

অযোধ্যা তেজিয়া ৰাম গৈলা যেতিক্ষণ।
নগৰীয়া লোক নথাকিল একোজন ॥
নিজ প্ৰাণ তিনি জন বন চলি যায়।
মৃতক শৰীৰে থাকিবোহো কাক চাই ॥ ১৯৮৫
এহি বুলি প্ৰজা ৰাঘৱৰ লাগ লৈলা।
যাইবে কতো নপাৰি পথতে পৰি ৰৈলা ॥
ৰাঘৱে বোলন্ত শুনা অযোধ্যাৰ জন।
যদি দায়া থাকে মোৰ ধৰিয়ো বচন ॥ ১৯৮৬
মোহোৰ বাসনা এৰি অযোধ্যাক যাহা।
ভৰতক ৰাজা পাতি ধৰ্ম্মপথ চাহা ॥
মোহোৰ শোকতে দগ্ধ ৰাজা দশৰথ।
তাঙ্ক যেবে আশ্বাসিয়ো মোৰ হিতপথ ॥ ১৯৮৭
প্ৰজা বোলে ৰাম প্ৰভু ধৰ্ম্ম চাহিয়োক।
বাহুৰায়া মন অযোধ্যাক চলিয়োক ॥
নোহে আমি তেজিলোহো পুত্ৰ পৰিবাৰ।
তোমাৰ তুলত বন কৰিলোহো সাৰ ॥ ১৯৮৮
কৈকেয়ীৰ বচনক দৃঢ় মনে ধৰি।
কোথা চলি যাহা আমাসাক পৰিহৰি ॥
ৰাগ ৰোষ সকলো আমাত ক্ষমা কৰি।
প্ৰতিপাল কৰিয়োক অযোধ্যা নগৰী ॥ ১৯৮৯

পিঠি দিয়া প্ৰজাক নিৰ্দ্দয় ৰাম বীৰ।
শীঘ্ৰবেগে পাইলেক তমসা নদীতীৰ ॥
ৰাঘৱে বোলন্ত শুনা লক্ষ্মণ বিনীত।
প্ৰথম প্ৰবাসে আমি ভৈলো উপস্থিত ॥ ১৯৯০
অসুখ নকৰ বাপু মনুষ্য পৰিহৰি।
ৰাত্ৰি গোট বঞ্চিয়ো প্ৰজাক ৰক্ষা কৰি ॥
কেনমতে ফলমূল ভুঞ্জিবোহো আজি।
ঝাণ্ট কৰি তৃণশয্যা দিয়ো মোক সাজি ॥ ১৯৯১
ৰামৰ বচন শুনি লখাই মহাবীৰে।
তৃণশয্যা নিৰ্ম্মিলা তমসা নদীতীৰে ॥
ৰাম সীতা পাচে তথা শয়ন কৰিলা।
নিদ্ৰা গৈলা দুয়ো দুখ শোক পাসৰিলা ॥ ১৯৯২
চতুৰ্ভিতি বেঢ়ি শুইলা অযোধ্যাৰ লোকে।
নিচেষ্টে গৈলন্ত নিদ্ৰা পীড়িলেক শোকে ॥
ৰামৰ বিবিধ গুণ কথা আতি কহি।
সুমন্ত্ৰ লক্ষ্মণ জাগি থাকিলন্ত বহি ॥ ১৯৯৩
সমধিকে গৈল যেবে নিশা দুইপৰ।
পাইলন্ত চেতন নিদ্ৰা ভাগিল ৰামৰ ॥
ৰাঘৱে বোলন্ত লখাই প্ৰজাৰ বিপত্তি।
পুত্ৰ দাৰা গৃহ তেজি আমাত ভকতি ॥ ১৯৯৪
দাৰুণ বনত আসি তমসা কূলত।
মোত অনুৰাগে শুইল বৃক্ষৰ মূলত ॥
প্ৰজাক আমাৰ দুখ দিতে নুযুৱাই।
সবাহাঙ্কো পৰিহৰো চিন্তাহা উপায় ॥ ১৯৯৫
শুনা বোলো বচন সুমন্ত্ৰ সদভাৱ।
অযোধ্যাক লাগি মোৰ ৰথ বাহুৰাৱ ॥
কতো দূৰ গৈয়া পাছে আন পন্থা ধৰি।
অন্তৰীক্ষ ভাৱে ৰথ আন ঝাণ্ট কৰি ॥ ১৯৯৬
শ্ৰীৰামৰ বচন সুমন্ত্ৰে পৰিমানি।
সেহিমত কৰি ৰথ যোগাইলন্ত আনি ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাঘৱে সীতায়ে সেহি ৰথত চড়িয়া।
তমসাৰ পাৰ ভৈলা প্ৰজাক এৰিয়া ॥ ১৯৯৭
পাৰ হুয়া ৰাম যেবে বহু দূৰ গৈলা।
প্ৰভাতত আদিত্য উদয় আসি ভৈলা ॥
জাগি প্ৰজা সবে বোলে হৰি হৰি বিধি।
খুজি ফুৰে হাতৰ হৰাইল যেন নিধি ॥ ১৯৯৮
অযোধ্যাক গৈল ৰাম দেখি ৰথ চিন।
জানি নিৰন্তৰে প্ৰজা ভৈল শোক হীন ॥
ক্ষমাশীল ৰাম কোপ উপশাম ভৈল।
হেন বুলি প্ৰজা সব অযোধ্যাক গৈল ॥ ১৯৯৯
পাচে প্ৰজা দেখে ৰাম নাহি অযোধ্যাত।
সূৰ্য্য অস্ত গৈলে পদ্ম সঙ্কোচ সাক্ষাত ॥
ভূমিত পৰিয়া প্ৰজা আপোনাৰ ঠাৱে।
পুত্ৰ পৰিবাৰ সমে কান্দে দীৰ্ঘৰাৱে ॥ ২০০০
নাৰীগণে স্বামীক বোলয় অনুত্তৰ।
ৰাম গুণ পাসৰিয়া আসি লৈলে ঘৰ ॥
দিনেকৰো গুণ তান সুজিতে নপাৰি।
স্বামী সকলক গালি পাৰে যত নাৰী ॥ ২০০১
স্বামীৰ মাথাত কেহো দেয় মাৰঘোৰ।
এৰি আইলি ৰামক টেণ্টন যেন চোৰ ॥
এভো হেন কৰহ ৰামৰ পাশে যাহা।
সেৱা কৰি বিনয় ৰামক মনবাহা ॥ ২০০২
কল মূল গোটাই আনি ৰামক তুষিব।
তোমাক আমাক ৰাম সীতায়ে পুষিব ॥
স্ত্ৰী মুখ চাইতে আইলি ৰামক তেজিয়া।
পাপী মোক্ষ তেজি মৰে নৰকে মজিয়া ॥ ২০০৩
এহিমতে প্ৰজায়ে ৰামক কৰে মৰ্ম্ম।
তেজিল সমস্ত লোকে যাৰ যেন কৰ্ম্ম ॥
দেৱৰীয়ে দেৱ পূজা কৰিলে বিচ্ছেদ।
ব্ৰাহ্মণ সকলে নপঢ়য় আৰো বেদ ॥ ২০০৪
ক্ষত্ৰে এৰিলেক অস্ত্ৰ শস্ত্ৰ কৰ্ম্ম ধৰ্ম্ম।
বৈশ্যে এৰিলেক কৃষি বাণিজ্যৰ কৰ্ম্ম ॥
শূদ্ৰে এৰিলেক সেৱা বিষাদিত লোক।
পুত্ৰে মাতৃ এৰিলে তেজিল মাৱে পোক ॥ ২০০৫
সকলে প্ৰজাৰ ভৈল অসুখ আধৃতি।
ছত্ৰিশ জাতিয়ে তেজিলেক নিজ বৃত্তি ॥
দেশে দেশে প্ৰজা সবে কান্দে মন্যু কৰি।
সকলে নগৰী ছানি শুনি হৰি হৰি ॥ ২০০৬
দশৰথ কৈকেয়ীক প্ৰজা বোলে ধিক।
বিনা দোষে ৰামক পাঠাইলা বনে কিক ॥
কতো দিনে প্ৰজা সবে খাইলে অন্ন পানী।
শুনিয়ো পথত যেন ৰামৰ কাহিনী ॥ ২০০৭

শ্ৰীৰামচন্দ্ৰৰ গুহ ৰাজাৰ লগত সাক্ষাত।

উপায় বিশেষে প্ৰজাগণে পৰিহৰি।
অবিলম্বে পাইলা আসি কোশল নগৰী ॥
তাকো এৰাই গৈলা বেদশ্ৰুতি নদী তৰি।
লক্ষ্মণ জানকী সমন্বিতে মন্যু কৰি ॥ ২০০৮
গোপকূল পাইলা গৈয়া ঘৃত দধি সাৰ।
শীঘ্ৰ বেগে ভৈলা গৈয়া গোমতীৰ পাৰ ॥
ৰথনেমি সন্ধানে পৃথিবী তল ভেদি।
শীঘ্ৰ বেগে তৰিলা সৰযূ মহানদী ॥ ২০০৯
মন্ত্ৰীক সম্বুধি ৰামে বুলিলা বচনে।
বিষাদ থাকিল মোৰ সৰযূৰ বনে ॥
কোন কালে আসি মাৱবাপ ভেট পাইবো।
সৰযূৰ বনে মৃগ মাৰিবাক যাইবো ॥ ২০১০
হেনয় বিষাদে যেবে গৈলা বহু দূৰ।
গোধূলিৰ বেলা পাইলা শৃঙ্গৱেৰ পুৰ ॥
দেৱনদী গঙ্গাক দেখিলা গৈয়া তথা।
জগত পৱিত্ৰ কৰি বহন্ত সৰ্ব্বথা ॥ ২০১১

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শত যোজনত থাকি সুমৰণ কৰে।
তেতিক্ষণে দুৰ্ঘোৰ দুস্তৰ পাপ তৰে॥
স্নানত দুষ্কৃত যত গুচয় নিশেষ।
কল্যাণ লভিয়া পায় পুণ্য কথা শেষ॥ ২০১২
দেখিলে পাতক হৰে এক জনমৰ।
পৰশিলে নষ্ট হোৱে জনম শতৰ॥
স্নানিলতে সহস্ৰ জনমৰ পাপ নাশ।
স্নান দান জপে হোৱে ব্ৰহ্মৰ প্ৰকাশ॥ ২০১৩
অন্তকালে যিবা জনে গঙ্গাত মজয়।
মুকুতি লভিয়া ঘোৰ সংসাৰ তৰয়॥
চাৰি মুখে ব্ৰহ্মা গুণ বৰ্ণাইতে নপাৰি।
হেন গঙ্গাতীৰ পাইলা ৰাঘৱ মুৰাৰি॥ ২০১৪
বায়ুৰ পৰশে ঢৌ উঠলন্তে আছে।
ৰাম দৰশনে গঙ্গাদেবী যেন নাচে॥
ফেনগণ হৈল যেন সচকিত হাস।
জলৰ উল্লোল যেন দেখয় প্ৰকাশ॥ ২০১৫
নিজাৱৰ্ত্ত হাতে গঙ্গা আহ্বান কৰিল।
গঙ্গাক দেখিয়া ৰামে শোক পাশৰিল॥
কুম্ভীৰ কচ্ছপ মৎস শিশু ঘৰিয়াল।
নানাবিধ জলজন্তু কৰয় আস্ফাল॥ ২০১৬
হংস সাৰসৰ মধ্যে বক চক্ৰবাক।
জলচৰ পক্ষীগণ লখি জাকে জাক॥
দুখতে হৰিষ কিছু ভৈল গঙ্গাকূলে।
বসিলা ৰথৰ নামি ইঙ্গুদিৰ মূলে॥ ২০১৭
সুমন্ত্ৰ ৰথৰ ঘোড়া কৰিলা উদাস।
জলপান কৰায়া ঘোৰাক দিলা ঘাস॥
শৃঙ্গৱেৰ পূৰে বীৰ ইন্দ্ৰ সমসৰ।
গুহ নামে ৰাজা বৰ সুহৃদ ৰামৰ॥ ২০১৮
চাণ্ডালৰ ৰাজা তেহো বাৰ্ত্তা পাছে পাইল।
মুখ্য মুখ্য পাত্ৰ লৈয়া ৰাম পাশে আইল॥
দূৰতে ৰামক দেখি নমাইলেক মাথ।
সাষ্টাঙ্গে প্ৰণামি যুৰিলেক যোৰহাত॥ ২০১৯
কৰ্পূৰ তাম্বুল যত বিবিধ ভক্ষণ।
ৰামৰ আগত কৰিলেক উপসন॥
আইস আইস গুহ বুলি ৰামে দিলা বাৰ।
সন্মিত চাপিলা গৈলা বিনয় স্বভাৱ॥ ২০২০
দুই বাহু মেলি ৰামে সাৱটি ধৰিলা।
গ্ৰীৱাত ধৰিয়া মাথে চুম্বন কৰিলা॥
কিনো শুভদিন আজি দেখিলোহো তোক।
এৰাইলোহো ক্ষণতেক হৃদয়ৰ শোক॥ ২০২১
কুশল বাৰ্ত্তাক পুছি দিলন্ত সিদ্ধান্ত।
আদি অন্তে কহিলন্ত আপোন বৃত্তান্ত॥
পৰিগ্ৰহ তেজিলোহো তাপসৰ ভাৰ।
অন্ন পান দ্ৰব্য যত ঠাৱক পঠাৱ॥ ২০২২
বাকলি বসন ফল মূলে মোৰ আশ।
পাইলো তোৰ আদৰ ঘোৰাক দিয়ে ঘাস॥
সন্ধ্যা কৰিলন্ত ৰাম লখাই মহাবীৰে।
তৃণ শয্যা নিৰ্ম্মিলা লক্ষ্মণ গঙ্গাতীৰে॥ ২০২৩
তৃণৰ শয্যাত ৰামে ঘেলাইলন্ত গাৱ।
সীতাও চাপিলা গৈয়া সলজ্জিত ভাৱ॥
সুমন্ত্ৰ লক্ষ্মণ গুহ গঙ্গাৰ কূলত।
তিনি জনে বিষাদিত বৃক্ষৰ মূলত॥ ২০২৪
গুহ ৰাজে বোলে লক্ষ্মণৰ মুখ চাই।
তোমাক দিবাক আছে পত্ৰক বিছাই॥
ইহাতে শুতিয়ো তুমি মন্যু পৰিহৰি।
সসৈন্যে পহৰা দিবো হাতে ধনুধৰি॥ ২০২৫
লক্ষণে বোলন্ত শুনা গুহ মহাবীৰ।
কেনে নিদ্ৰা যাইবো শোকে দগধ শৰীৰ॥
কৌশল্যা সুমিত্ৰা মাৱ বাপ দশৰথ।
ছত ফটাই মৰে দুইয়ো দহে অন্তৰ্গত॥ ২০২৬

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

যাহাৰ তুলত লৰে চতুৰঙ্গ দল।
স্বৰ্গদ্বাৰ ভেদয় সৈন্যৰ কোলাহল॥
হেন ৰাম সীতা শুতিলন্ত তৰুতল।
নৰহয় প্ৰাণ মন কৰয় বিকল॥ ২০২৭
যাহাৰ সেৱক হস্তী ঘোড়া ৰথে চড়ি।
আগে পাছে সেৱা কৰি চলে দৰদৰি॥
তাহান বিপতি হেন মিলিল অপায়।
জাৱনতো ধিক মোৰ পৰাণ নযায়॥ ২০২৮
শুনি গুহ নৃপতিৰ পৰাণ নসহে।
দশৰথ বহ্নি জ্বলি অন্তৰ্গত দহে॥
তিনিকো পীড়িলে শোক জলিয়া প্ৰচণ্ড।
কান্দন্তে পুহাইল ৰাত্ৰি উদিত মাৰ্ত্তণ্ড॥ ২০২৯
ৰাঘৱে বোলন্ত লখাই ঝাণ্টে চাল ৰাৱ।
পুহাইল ৰজনী কুলি তেজিলেক বাৱ॥
ময়ূৰৰ নাদে শুন পূৰিলেক বন।
ধনু কাণ্ড লৈয়ো ভাই কৰিয়ো গমন॥ ২০৩০
ৰামৰ বচন শুনি বিনীত লক্ষ্মণে।
তূণ বাণ খড়্গ সাজি লৈলা তেতিক্ষণে॥
আগত লক্ষ্মণ সীতা পাছে ৰঘুনাথ।
আগ বাঢ় সুমন্ত্ৰ জুৰিলা জোৰহাত॥ ২০৩১
লখিলোহো ভূমি পাৱে ধৰিলাহা দিশ।
আজ্ঞা দিয়ো প্ৰভু মই কৰিবোহো কিস॥
ৰাঘৱে বোলন্ত মন্ত্ৰী অযোধ্যাক চল।
লোকত জনাইবে মোৰ বাৰ্ত্তাক কুশল॥ ২০৩২
হেন শুনি মন্ত্ৰী ভৈল বিকল স্বভাৱ।
মৰিলোহো বুলিয়া দিলেক দীৰ্ঘবাৱ॥
আশেষ কান্দিয়া বোলে চৰণত ধৰি।
দেশক নযাইবো থাকো তযু সেৱা কৰি॥ ২০৩৩
শ্ৰীৰামে বোলন্ত মন্ত্ৰী হেন নোহে যোগ।
তিনি দিন বাপৰ নাহিকে ৰাজভোগ॥
জীৱন্তে কি দশৰথে তেজিলন্ত মোক।
আশ্বাসিবি ভালে তাঙ্ক যেন পলাই শোক॥২০৩৪
ৰামৰ চৰিত্ৰ কথা অমৃত পৰম।
সংসাৰ তৰস ইটো উপায় সুগম॥
জানিয়া ৰামৰ পাৱে থিৰ কৰি মন।
বোলা ৰাম ৰাম সবে সামাজিক জন॥ ২০৩৫

সুমন্ত্ৰ বিদায়।

দুলৰী।

আমাৰ বাপৰ তুমি প্ৰিয়মন্ত্ৰী
বচন মোৰ শুনহ।
দুখৰ ভাজন বাপৰ আগত
কুশল বাৰ্ত্তাক কহ॥
জীৱন্তে আছন্ত দুখৰ ভাজনী
কৌশল্যা সুমিত্ৰা আই।
কৈবে দুইৰো আগে সুখে জীৱে তিনি
স্বাদু বনফল খাই॥ ২০৩৬
কৈকেয়া প্ৰমুখ্যে মাৱক প্ৰণামি
জনাইবাহা পাছে মোক।
ৰামে বুলিলন্ত ভালে মই আছো
তুমি সব তেজা শোক॥
বাপৰ চৰণ বন্দিয়া বুলিবি
তোমাত ৰাম ভকত।
আছো বনবাস তযু সত্য পালি
নৰক যাইতে শকত॥ ২০৩৭
ভৰতক ঝাণ্টে ৰাজ্যে থাপিয়োক
তেজিয়োক সব শোক।
অৰিৰোধে বন তেজিয়া যাইবো
ত্বৰিতে দেখিবা মোক॥
ভৰতক মোৰ বচন বুলিবি
সুভাষিত মোৰ ভাই।
কৈকেয়ী সদৃশ দেখিবে মোহোৰ
কৌশল্যা সুমিত্ৰা আই॥ ২০৩৮

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

লক্ষ্মণে বোলন্ত বাপক বুলিবি
গুচিল তোমাৰ ছলি।
কৈকেয়ীৰ হিত চিন্তিয়া আমাক
বনক পঠাইলা বুলি॥
লোক পতিয়ান বিষাদ এৰিয়া
হৰিষে কৈকেয়ীক চাহা।
সাত পুৰুষৰ তোমাৰ গোসানী
কান্ধত কৰি বুলাহা॥ ২০৩৯
তুমি হেন ৰাজা স্ত্ৰীবশ হৈয়া
বৰ ইটো ধৰ্ম্ম পাইলা।
দেশে দেশে খ্যাতি থাকিল তোমাৰ
ৰামক বনে পঠাইলা॥
সকলে লোকক অসাৰ দেখিলা
কৈলা কৈকেয়ীক সাৰ।
মৰিবাৰ কালে কামবশ্য হুয়া
ধৰ্ম্ম নষ্ট আপোনাৰ॥ ২০৪০
লক্ষ্মণক বাধি ৰামে বুলিলন্ত
মন্ত্ৰী শুনা পৰিমাণ।
লক্ষ্মণৰ বোল ৰাজাক জানাইলে
তেখনে তেজিব প্ৰাণ॥
শোক দুখ এৰি কিছু নুবুলিবি
হৰিষে অযোধ্যা যাহা।
আমাৰ কুশল সবে বাৰ্ত্তা কহি
নৃপতিক ভালে চাহা॥ ২০৪১
গুহ নৃপতিক ৰামে বুলিলন্ত
আঠ আন এতিক্ষণ।
মাথে জটা ধৰি তাপসৰ বেশে
দুভায়ে চলিবো বন॥
আজ্ঞা শিৰে ধৰি তেতিক্ষণে গুহে
আনি দিলা বৰ আঠ।
জটা নিৰ্ম্মি শিৰে দুভায়ে গঙ্গাৰ
পাৰ হৈতে লৈলা বাট॥ ২০৪২
গঙ্গাতৰ চাহি গুহয়ে সুমন্ত্ৰে
আছয় বিকল ভাৱে।
সীতাৰ হাতত ধৰিলা লক্ষ্মণে
ৰামে চড়িলন্ত নাৱে॥
ৰাম সীতা লখাই গুহ সুমন্ত্ৰৰ
নয়নে লোতক বহে।
দুইহাঙ্কো সম্বুধি ৰামে চলি গৈলা
শৰীৰ কাৰো নসহে॥ ২০৪৩
পৰম অমৃত ৰামৰ চৰিত্ৰ
শুনা সমাজিক যত।
অসাৰ সংসাৰ আৰ আশা এৰি
কৰিয়ো ৰতি ৰামত॥
ৰামৰ ভকতি এহি সে সম্পত্তি
সমস্তে শাস্ত্ৰ সম্মত।
থিৰ মন কৰি বোলা হৰি হৰি
লাগোক জুই পাপত॥ ২০৪৪

শ্ৰীৰামৰ বনত প্ৰবেশ আৰু ভৰদ্বাজ মুনিৰ
আশ্ৰমত আগমন।

পদ।

মাজ গঙ্গা পাইলা গৈয়া লইয়া নাও বাহি।
হাতজোৰে বোলন্ত গঙ্গাক সীতা চাহি॥
শুনিয়ো গোসানী তুমি দেৱ নদী গঙ্গে।
আমি যিটো বোলো তাক শুনিয়োক সঙ্গে॥ ২০৪৫
প্ৰণামোহো গঙ্গাদেৱী হেৰ জোৰহাত।
দশৰথ সুত ৰাম মোৰ প্ৰাণনাথ॥
ৰক্ষা কৰা মাৰ আৰু দুৰ্গতি তৰন্ত।
বনবাস খাটি আসি ৰাজ্যক কৰন্ত॥ ২০৪৬
লক্ষ্মণকো পালিবাহা আমাৰ দেৱৰ।
মোক ৰক্ষা কৰা সবে তৰোহো দুস্তৰ॥
অযোধ্যাক আসিলে কৰিবো বহুমান।
তোমাৰ উদ্দেশে দিবো সহস্ৰ গোদান॥ ২০৪৭

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

সীতা স্তুতি কৰন্তে গঙ্গাৰ ভৈলা পাৰ।
প্ৰণমিয়া গঙ্গাক বনত পয়সাৰ॥
সীতা আগে চলে লখাই ধনুশৰ ধৰি।
পাছত চলন্ত ৰাম দুইকো ৰক্ষা কৰি॥ ২০৪৮
তিনিও অনেক বন বিষম এৰাইলা।
কতোদূৰ গৈয়া বৰ বৃক্ষ মূল পাইলা॥
হৰিণেক মাৰিয়া ৰান্ধিয়া তৈতে খাইলা।
বৃক্ষমূলে লখাই পত্ৰ শয্যাক বিছাইলা॥ ২০৪৯
শ্ৰীৰামে বোলন্ত বাপ শুনিয়ো লখাই।
তোৰ শয্যা কৰ মোৰ সন্নিত চপাই॥
আজি ভালে জানিবি প্ৰথম পৰবাস।
সুমন্ত্ৰে এৰিল দেখি তেজিলা নিশ্বাস॥ ২০৫০
কতো নিশা যাহন্তে উদিত ভৈল শশী।
লক্ষ্মণক বুলিলা শয্যাতে ৰামে বসি॥
আজি জানো সাফলিলো বাপৰ শপত।
কৈকেয়ী মাৰৰ সিদ্ধি ভৈল মনোৰথ॥ ২০৫১
হৰি হৰি বাপ দশৰথ মহীপাল।
কৈকেয়ী তোমাৰ ভৈলন্ত নিজ কাল॥
ভৰত নৃপতি ভৈলে লখাই বুজি উলি।
মাৰিবে কৈকেয়ী মোৰ মাৰ বাপ পুলি॥ ২০৫২
এভো তই লখাই দেশক চলি যাহা।
অনাথিতি মাৰক বাপক ভালে বাহা॥
তোক দৰশনে কিছু সন্তাপ তেজিব।
সীতা সমে আমি পিতৃ সত্যক পালিবো॥ ২০৫৩
লক্ষ্মণে বোলন্ত শোকে তোমাক বাধয়।
ইসব ক্ৰন্দনে আৰো কিছু নসাধয়॥
পুনু পুনু বোলাহা দেশক লাগি চল।
মই প্ৰাণ তেজিলে পাইবাহা কোন ফল॥ ২০৫৪
লক্ষণৰ বোলে ভৈল শোক উপশাম।
পুহাইল ৰজনী গাৱ চালিলন্ত ৰাম॥

আগ ভৈলা লক্ষ্মণ সীতাক মাজ কৰি।
চলি যান্ত ৰাম বৃক্ষমূল পৰিহৰি॥ ২০৫৫
ননী নদ গহন পৰ্ব্বত মহাদেশ।
সীতাক আপুনি বিনাৰন্ত হৃষীকেশ॥
দেখিয়োক সীতা গঙ্গা যমুনা সঙ্গম।
পাইলোহো প্ৰয়াগ ভৰদ্বাজৰ আশ্ৰম॥ ২০৫৬
ভৰদ্বাজ ঋষিয়ে কৰন্ত হোম যাপ।
ত্ৰিভুৱন দহিতে পাৰন্ত দিয়া শাপ॥
হোম ধূম পকতি দেখিয়ো সীতা আগ।
মুক্তি ক্ষেত্ৰ আসি আমি পাইলোহো প্ৰয়াগ॥ ২০৫৭
গধূলি সময়ে যেবে আদিত্য নামিলা।
ঋষিৰ দুৱাৰে গৈয়া তিনিও মিলিলা॥
ৰাম আসিবাৰ পাছে ঋষি বাৰ্ত্তা পাইলা।
শিষ্যক পঠাইয়া ঋষি ৰামক অনাইলা॥ ২০৫৮
সৰ্ব্বে মুনিগণে ভৰদ্বাজক আৱৰি।
বাঘ ঘোঙ ভালুকে আছয় সেৱা কৰি॥
ভৈল যজ্ঞ সবে মুনি তপে উপশাম।
নমিলন্ত মুনিক লক্ষ্মণ সীতা ৰাম॥ ২০৫৯
ঋষিয়ে ৰামক কৰিলন্ত আশীৰ্ব্বাদ।
বেদধ্বনি উথলিল ব্ৰাহ্মণৰ নাদ॥
আসনে বসিয়া ৰাম ঋষি সভা মাজে।
ফলে মূলে জলে অৰ্চ্চিলন্ত ভৰদ্বাজে॥ ২০৬০
কমন কাৰণে ৰাম সথিৰ চৰিত।
ঋষিয়ে সুধিলা তব কিবা অপেখিত॥
ৰাঘৱে বোলন্ত শুনিয়োক ঋষিৰাজ।
আদি অন্তে সংক্ষেপে কহিবো সবে কাজ॥ ২০৬১
কৈকেয়ী মাৰে বৰ লৈলন্ত ৰাজাত।
ভৰতক ৰাজা পাতিৰন্ত অযোধ্যাত॥
চৈধ্য বৰিষক মোক পঠাইলন্ত বন।
তুলত লৰিল সীতা ভৈয়াই লক্ষ্মণ॥ ২০৬২

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

তোমাৰ চৰণ আসি দেখিলো বনত।
এৰাইলোহো শোক কিছু হৰিষ মনত॥
কমন থানত আসি হৈবো উপস্থিত।
উপদেশ বুলিয়োক আমাক উচিত॥ ১০৬৩
সসম্ভ্ৰম ৰূপে ঋষি বুলিলা বচন।
ত্ৰিভুবনে সাৰ ইটো মোৰ তপোবন॥
প্ৰয়াগ সুতীৰ্থ গঙ্গা যমুনা সঙ্গমে।
আমি সমে হয়ো থিত এহিতো আশ্ৰমে॥ ২০৬৪
ৰাঘৱে বোলন্ত শুনিয়োক ঋষি ৰত্ন।
ইথানে থাকিতে মোক নকৰিবা যত্ন॥
মোক দেখিবাক আসিবন্ত বন্ধুজন।
নিৰজন থানে উপদেশিয়োক বন॥ ২০৬৫
ঋষিয়ে বোলন্ত আমি বিমৰিষি চাইলো।
অনুৰূপে তোমাৰ থানক খুজি পাইলো॥
তৃতীয় প্ৰহৰ পথে আছে গুপ্ত দেশ।
চিত্ৰকুট পৰ্ব্বতৰ হুয়োক প্ৰবেশ॥ ২০৬৬
মুনিগণ দেখিবাহা বহু ফল মূল।
ভালুক বানৰ সম গোদা গোলাঙ্গুল॥
কতো কতো ঋষি তাতে স্বৰ্গপথ চাইলা।
কেহো কেহো মুনিগণ মুকুতিক পাইলা॥ ২০৬৭
ঋষি সমে কথা মতে ৰজনী প্ৰভাত।
মুনি সমে পাইলা গৈয়া যমুনা সাক্ষাত॥
পথ উপদেশি মুনি বাহুৰি আসিলা।
ভেল বান্ধি তিনিহন্তে যমুনা তৰিলা॥ ২০৬৮
শাম নামে বটবৃক্ষ পাইলা কতোদূৰে।
ভাল ৰূপে তাহাক জানয় দেৱাসুৰে॥
মুনি উপদেশে সীতা বৃক্ষক আৰাধি।
চলি গৈলা তিনিও অনেক বৰ সাধি॥ ২০৬৯
দণ্ডদুইৰ পথে পাইলা নীল নামে বন।
মৃগ মাৰি ৰান্ধি তৈতে কৰিলা ভোজন॥

তৰুতলে লখাই পত্ৰশয্যাক বিছাইলা।
প্ৰয়াস তেজিয়া সুখে নিদ্ৰা তাতে পাইলা॥২০৭০
লখাইক জগাইলা ৰামে জানিয়া প্ৰভাত।
হাত মুখ ধুইয়া সন্ধ্যা কৰিলা তথাত॥
অবিলম্বে চিত্ৰকুট বন পাচে পাইলা।
হৰিষ বদনে ৰামে সীতা মুখ চাইলা॥ ২০৭১
দেখা দেখা জানকী হৰিষ কৰি মন।
ফল মূল যুকুত বিবিধ তৰুবন॥
জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন টগৰ কুন্দ সেৱালী মন্দাৰ॥ ২০৭৩
অশোক পলাশ ফুলি গৈল হিসা হিসি।
নাগেশ্বৰ চম্পক ফুলিল অহৰ্নিশি॥
পীণ্ডাত গৰৰক ফুলিল সেৱতি।
ধুন্দুৰ কনৌৰ আৰো ফুলিল মালতী॥ ২০৭২
ওৰ পুষ্প মালি দুৰামালি আৰু মালি।
তমাল তুলসী মাধৈ মৰুৱা সেৱালী॥
বসন্ত সময়ে কাম ৰাজাৰ পয়াণ।
পুষ্পৰ ধনুত আৰোহিয়া পাঞ্চবাণ॥ ২০৭৪
ভাৰ্য্যা পুৰুষৰ কাম বাণে কৰে লখ।
বিৰহী জনৰ ভৈল সহন আসখ॥
সেনাপতি লৰি ভৈল মলয়ৰ বাৱ।
মহাবীৰ নাদ ভৈল কোকিলৰ ৰাৱ॥ ২০৭৫
পক্ষীগণ ৰাৱে যেন বাৱে বাদ্যভণ্ড॥
নাগেশ্বৰ ফুল কাম নৃপতিৰ দণ্ড॥
গুঞ্জৰিত ৰাৱে সমে ভ্ৰমৰ লৰিল।
কেতকী কুসুমে যেন কোণ্ডক গঢ়িল॥ ২০৭৬
কোকিল ভ্ৰমৰ পক্ষী ময়ূৰৰ ৰাৱে।
কাম ব্যাধি পীড়িয়া নসহে মোৰ গাৱে॥
শুনি মন মোহিত পাৱন [illegible]
ভালেসে ক্ৰোধত কাম দহিলা ঈশ্বৰে॥ ২০৭৭

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দেখ দেখ সীতা আম জাম পনিয়াল।
তাম্বুল কণ্ঠাল নাৰিকল নানা ফল॥
কমলা মোহৰি শ্ৰীফলৰ গন্ধ কহে।
নানা ফুল ফলৰ সুৰভি বায়ু বহে॥ ২০৭৮
সব বৃক্ষে বাহ্রয় মাসৰ ফল ধৰে।
আশেষ চটকে পৰি ৰোল কৰে॥
জলচৰ থলচৰ জাকে জাকে পক্ষী।
সীতাক বিনান্তে চলি যান্ত লখি লখি॥ ২০৭৯
কঙ্ক বঙ্ক মউপিয়া পক্ষী মনোনীত।
নানাবিধ চিত্ৰ পক্ষী দেখিতে শোভিত॥
কোকিলৰ ৰাৱ পেচা ফিঞ্চা শুকসাৰি।
মনোহৰ পক্ষী যত বৰ্ণাইতে নপাৰি॥ ২০৮০
মন্দাকিনী নদীতে দেখিয়া পক্ষীগণ।
সীতাক সম্বুধি ৰামে বুলিলা বচন॥
ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই তন॥ ২০৮১
কল হংস ৰাৱ কাঞ্চি নুপূৰৰ নাদ।
বদন কমল তোৰ দেখন্তে আহ্লাদ॥
বদন উপৰে তোৰ নয়ন যুগলে।
খঞ্জন দুতয় যেন চলয় কমলে॥ ২০৮২
জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী॥
বিদূৰ গমনে যেন মিলিল প্ৰয়াস।
কৃশ ভৈল শৰীৰ ঈষত যেন হাস॥ ২০৮৩
চিত্ৰকূট পৰ্ব্বতক দেখিয়োক সীতা।
পকা আমে গৌৰবৰ্ণ কৰিল চৌভিতা॥
ওপৰত মেঘ যেন দেখিয় শোভন।
বাঢ়িল নিকলি যেন পৃথিবীৰ তন॥ ২০৮৪
শিখৰ উপৰে মন্দাকিনী শুক্ল জল।
তনক ঢাকিয়া যেন [illegible]

সুৰভি শীতল বায়ু বহে বৃক্ষ তলে।
উপভোগ কৰিও অমৃত সম ফলে॥ ২০৮৫
সুশোভন গৈৰিক বিচিত্ৰ ধাতু ভাল।
সুবৰ্ণৰ তন মণি ৰতন পোৱাল॥
পাৰিজাত মন্দাৰ চম্পক শাল তাল।
আশেষ ৰমণ সুখে বঞ্চিয়োক কাল॥ ২০৮৬
তুমি সমে চিত্ৰকুট হৈবো আমি থিত।
গৌৰী মহাদেৱে যেন কৈলাস গিৰিত॥
মৃগ সব মাৰিয়া ভুঞ্জিবো নিতে নিত।
অযোধ্যাৰ জন এবে ভৈলা অবিদিত॥ ২০৮৭
এহি মতে নানা বন পৰ্ব্বত এৰাইলা।
কথামাতে জানকীৰ পথ পাসৰাইলা॥
শিথিল গমনে ৰাম জানকী লক্ষ্মণে।
পৰ্ব্বত নিকট গৈয়া পাইলা কতোক্ষণে॥ ২০৮৮
দুয়ো ভাই তেতিক্ষণে পৰ্ব্বত মূলত।
আশ্ৰম নিৰ্ম্মলা মন্দাকিনীৰ কূলত॥
বাসা দুই সাজিলা লক্ষ্মণে ৰঘুনাথে।
মাটি জল লৈয়া সীতা লিপিলন্ত হাতে॥ ২০৮৯
ৰাঘৱে বোলন্ত যজ্ঞ কৰিবো এখন।
কৃষ্ণসাৰ মৃগ মাৰি আনিও লক্ষ্মণ॥
জ্যেষ্ঠ ভাইৰ আদেশক শিৰে তুলি লৈয়া।
তেতিক্ষণে মৃগমাৰি আনিলন্ত গৈয়া॥ ২০৯০
সীতায়ে ৰান্ধিলা ৰামে হুনি বহ্নি মুখে।
যজ্ঞ সমাপিয়া তিনি ভুঞ্জিলন্ত সুখে॥
ফল মূল ভুঞ্জিয়া ৰহিলা সেহি থানে।
ৰাম লক্ষ্মণৰ কথা আছো এহি মানে॥ ২০৯১
গঙ্গা পাৰ হৈয়া ৰামে বনত পশিলা।
দেখি গুহ সুমন্ত্ৰৰ শোক উথলিলা॥
দুইহান্তকো দুই পাচে ধৰি গলে বান্ধি।
হা ৰাম বুলিয়া বিহ্বল ভৈলা কান্দি॥ ২০৯২

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰাম সীতা লক্ষ্মণৰ শোকে দেহা দহে।
নেত্ৰৰ লোতক দুইৰো অবিছেদে বহে॥
সুমন্ত্ৰ বোলন্ত গুহ কৰো কোন কাম।
দশৰথে দিলন্ত তেজিলা মোক ৰাম॥ ২০৯৩
ৰথ লৈয়া অযোধ্যাক যাইবো কেনমতে।
এভো বনে গৈয়া থাকো ৰামৰ লগতে॥
পাছে গুহে সুমন্ত্ৰক বুলিলা বচন।
তেজিয়া সন্তাপ মন্ত্ৰী থিৰ কৰা মন॥ ২০৯৪
আপুনি বুজায়া ৰামে তেজিলে তোমাক।
তান আজ্ঞা শিৰে লৈয়া চলা অযোধ্যাক॥
অনেক যুকুতি গুহে মন্ত্ৰীক বুজাইল।
ৰাম শোকে পোৰা দেহা কিঞ্চিত জুৰাইল॥২০৯৫
গুহক সম্বুধি মন্ত্ৰী ৰথে চৰিলন্ত।
মনত অসুখে অযোধ্যাক লৰিলন্ত॥
ৰামক তেজিয়া মন্ত্ৰী নিবৰ্ত্তিয়া আইল।
গোধূলিৰ সময়ে অযোধ্যাপুৰ পাইল॥ ২০৯৬
মন্ত্ৰী বোলে মনন আসজ ভৈল কাজ।
ৰাম শোকে দগধ ভৈলন্ত মহাৰাজ॥
নগৰত দেখো প্ৰজাগণ আতি দীন।
দিবসৰ তৰা যেন দীপিতি বিহীন॥ ২০৯৭
শূন্য যেন দেখো প্ৰজা নিশবদ ভৈল।
কমল সঙ্কোচ যেন সূৰ্য্য অস্ত গৈল॥
কুমুদ মলিন যেন দিব্য সৰোবৰে।
হৰিষ নকৰে প্ৰজা অযোধ্যা নগৰে॥ ২০৯৮
কুন্দকখে নাৰীগণে মন্ত্ৰীক চাহাৰে।
বেঢ়াৰ উপৰে কতো গভুৰা বঢ়াৰে॥
শূন্য ৰথ দেখি সবে কান্দিবাক লৈলা।
হা ৰাম লখাই সীতা এৰি কৈক গৈলা॥ ২০৯৯
নিৰন্তৰে বেঢ়িয়া মন্ত্ৰীক পাৰে গালি।
এৰি আইলি ৰামক [illegible]

কিনো হিয়াখন তোৰ বজ্ৰেসে গঢ়িল।
ৰামক এৰিতে কেনে মনত ফলিল॥ ২১০০
জানিলোহো ইটো ভৰতৰ ভাৰি খাইলে।
ছলে নিয়া ৰামক বনত এৰি আইলে॥
নগৰৰ ৰাজ কৰি খেদাও ইহাক।
মাৰ ধৰ বুলিয়া গালিৰ দেই জাক॥ ২১০১
কৰে হুলস্থুল বহু ক্ৰন্দনৰ ৰোল।
অন্তঃপুৰত গৈয়া সঞ্চাৰিল ৰোল॥
নিৰন্তৰে যতেক ৰাজাৰ মহাদই।
ধৌলিৰৰ শিখৰত চড়িলন্ত গই॥ ২১০২
হা ৰাম আমাক অনাথ কৰি গৈলি।
দুখ নদী কৈকেয়ী তৰিয়া ৰাজ ভৈলি॥
সুহৃদত তোহোৰ গুচিল অনুৰাগ।
আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ॥ ২১০৩
আমি আপুতীৰ আন্ধলীৰ লাঠি তই।
জল শূন্য তৰু যেন মৰিবোহো জঁই॥
কৈক গৈলি বাপু তই আমাক বিছুই।
আমাক মাৰয় পুৰি তোৰ শোক জুই॥ ২১০৪
পাছে সুমন্ত্ৰত সবে সুধিলন্ত কথা।
কহিলা সুমন্ত্ৰ সবে বনৰ ব্যৱস্থা॥
নাৰীগণ পৰাভৱ শুনন্তে আশেষ।
কান্দন্তে সুমন্ত্ৰ সাত বেবন্ধ প্ৰবেশ॥ ২১০৫
ছটফট কৰে ৰাজা বসি আসনত।
অসুখ অশান্তি সুস্থ নাহিকে মনত॥
শূন্য ৰথ দেখি ভৈলা বিয়াকুল চিত।
আসনৰ হন্তে শোকে পৰিলা ভূমিত॥ ২১০৬
কৌশল্যা সুমিত্ৰা দুয়ো ৰাজ পটেশ্বৰী।
ক্ৰন্দন কৰন্তে হাতে তুলিলন্ত ধৰি॥
উঠা উঠা প্ৰভু তুমি চিন্তা তেজিয়োক।
ৰাম সীতা লক্ষ্মণৰ বাৰ্ত্তা পুছিয়োক॥ ২১০৭

CC-0. Prof. Satya Vrat Shastri Collection, Delhi. Adapted by Rajiv Dosani Mumukshu Bhawan Varanasi Collection. Digitized by eGangotri
Prof. Satya Vrat Shastri Collection, Delhi. Digitized By Siddhanta eGangotri Gyaan Kosha

শুনি পুত্র পুত্র বুলি বিমোহিত ভৈলা।
বাতুল চৰিত্র যেন পৰি মূৰ্চ্ছা গৈলা॥
দেখিয়া কৌশল্যা পৰিলন্ত স্বামী কোলে।
ওৱাৰি পূৰিলা সব ক্রন্দনৰ বোলে॥ ২১০৮
চিৰকালে দশৰথ চেতনক পাইল।
পটেশ্বৰী কৌশল্যাৰ পাছে প্রাণ আইল॥
প্রথমে ধৰিল যেন অৰণ্যৰ হাতী।
নিশ্বাস ফোকাৰে যেন ঠাঠাৰিৰ ভাটি॥ ২১০৯
প্রণমিয়া সুমন্ত্রে জুৰিলা দুই হাত।
ধীৰে ধীৰে সুধিলন্ত অযোধ্যাৰ নাথ॥
মোহোৰ তনয় ৰাম পিতৃ পিতামহ।
কোথা এৰি আসিলি প্রস্তুত কথা কহ॥ ২১১০
হস্তী ঘোড়া ৰথে যাক আগ পাছ কৰি।
হেন পুত্র বনে আছে ৰাজ্য পৰিহৰি॥
বুলিতে নাপাৰে সীতা কোমল থানত।
হেন মাৰ হাণ্ঠে কেনে কণ্টক বনত॥ ২১১১
কুমাৰ লক্ষ্মণ যাত মোৰ বৰ স্নেহ।
কেনে বনবাস খাটে সুকুমাৰ দেহ॥
ৰাজাৰ বচন শুনি পাছে মন্ত্রীবৰ।
লোতক মলছি দিলা ৰাজাক উত্তৰ॥ ২১১২
শুনিয়ো গোসাই মোৰ বচন সন্দেশ।
প্রণাম অঞ্জলি হেৰা ৰামৰ আদেশ॥
প্রদক্ষিণে ভূমিত থপিলা পাছে মাথ।
কৃতাঞ্জলি বোলে শুনা পৃথিবীৰ নাথ॥ ২১১৩
ৰামে বুলিলন্ত মোৰ ধৰিয়া গ্রীৱাত।
জানাইবা আমাৰ বাৰ্ত্তা বাপৰ পাৱত॥
শোক দুখ এৰি পালন্তোক নিজ শত।
আতি শীঘ্রে ৰাজ্যে আনি থাপন্তো ভৰত॥ ২১১৪
লক্ষ্মণে বুলিলা পাছে তোমাক সিদ্ধান্ত।
থিৰ মন কৰি শুনা সিসব বৃত্তান্ত॥
সৰ্ব্বজন হিত ৰত ৰাম মহাভাগ।
বনক পাঠাইলা ৰাজা কৰি পৰিত্যাগ॥ ২১১৫
ভৰতে তাহাঙ্ক বৰ কৰিবেক হিত।
কান্ধে কৰি কৈকেয়ীক ফুৰান্তোক নিত॥
ভৰতক বুলিলন্ত নিদাৰুণ বাক।
গৰ্ব্বমান এৰিয়া অৱস্থা ৰাখি আক॥ ২১১৬
দেখিবে সমস্তে মাৰ কৈকেয়ীৰ সমে।
নুহি অবিলম্বে পাতি মলছিল যমে॥
কৌশল্যাক বুলিলন্ত তেজিয়োক শোক।
বনবাস তৰি যাইবো দেখিবন্ত মোক॥ ২১১৭
মন কষ্টে ৰামে বাক্য বুলি পঠাইলন্ত।
দুই ভায়ে বৰ আঠে জটা নিৰ্ম্মিলন্ত॥
আগত লক্ষ্মণ জানকীক মাজ কৰি।
তিনিহন্তে চলি গৈলা গঙ্গানদী তৰি॥ ২১১৮
গুহ ৰাজা সমে চাহি থাকিলো সন্তাপে।
মোক এৰি গৈলা জগতৰ বাপে॥
বনে প্রবেশিলা তিনি ভৈলোহো উদাস।
নৰকৰ পুলৰ স্বৰ্গত নাহি আশ॥ ২১১৯
হুয়া আতি নৈৰাশ আছোহো হাতজোৰে।
আন পানী তেজিয়া কান্দয় চাৰি ঘোড়ে॥
চিহৰিতে লাগিল ৰামৰ দিশ চাই।
গুহৰ মোহোৰ দেখি প্রাণ ফুটি যাই॥ ২১২০
শীঘ্র বেগে আসি মই পাইলোহো চিয়ালি।
শূন্য ৰথ দেখি লোকে মোক পাৰে গালি॥
কেহো দেই মাৰঘোৰ কেহো তোলে লাথি।
কেহো বোলে মাৰকিলে কেহো ঘড়াকাতি॥ ২১২১
কেহো বোলে ইটো ভৰতৰ আইঠা খাইলে।
সিকাৰণে চণ্ডালে ৰামক এৰি আইলে॥
যাত ভেৰু নিশা নবাজয় বীৰ ঢাক।
হেন অযোধ্যাত শুনু ক্রন্দনৰ জাক॥ ২১২২

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

হাহাকাৰে কান্দে সবে শত্ৰু মিত্ৰবৰ্গ।
জীৱন্ততে ৰামৰ মিলিল মহা স্বৰ্গ॥
কৰিয়ো শৰাৰ থিৰ মনুষ্য পৰিহৰি।
সত্বৰে আসিবা ৰাম বনবাস তৰি॥ ২১২৩
ৰাজা বোলে সুমন্ত্ৰ বিকল কৰে গাৰ।
আজি গৈয়া সত্বৰে ৰামক বাহুৰাৰ॥
যাহন্তে আসন্তে চিৰকাল দেখো তই।
জাণ্টে নিয়ো মোক তথা প্ৰাণ সঙ্কলয়॥ ২১২৪
যদিবা সুমন্ত্ৰ তোক কৰি আছো হিত।
এতিক্ষণে থৈয়ো নিয়া ৰামৰ সন্নিত॥
কণ্ঠাগত প্ৰাণ মোৰ প্ৰমাণক পাইল।
হৃদয় লৰিল মোৰ জিহ্বায়ো শুকাইল॥ ২১২৫
সিংহবন্ধ স্কন্ধ ৰাম দীৰ্ঘবাহু দুই।
দেৱাসুৰ মাজে যাক কেহো সম নুই॥
আয়ত নয়ন চন্দ্ৰ সমান বদন।
পুত্ৰ নেদেখিলে যাইবো যমৰ সদন॥ ২১২৬
হা ৰাম লখাই সীতা জনকৰ জীৱ।
পৰিত্ৰাণ কৰ মোৰ সঙ্কলয় জীৱ॥
আশেষ মিনতি কৰি মতিহীন ভৈলা।
পুনৰপি ধৰণীত পৰি মূৰ্চ্ছা গৈলা॥ ২১২৭
স্বামীক দেখিলা যে ভূমিত পতন।
কৌশল্যায়ে সুমিত্ৰায়ে বুলিলা বচন॥
আমাকো বনত মন্ত্ৰী থৈয়া আস গৈয়া।
গলে বান্ধি তিনিকো ধৰিবো কোলে লৈয়া॥ ২১২৮
শুনা বোলে মন্ত্ৰী মোৰ প্ৰাণখানি যাই।
ঘোৰ বনে তিন জনে বন ফল খাই॥
কণ্টক ভাঙ্গিয়া ঘোৰ বনমধ্যে থিত।
বাপৰ মাৱৰ শোকে অধীৰ চৰিত॥ ২১২৯
মন্ত্ৰীবোলে মাৱ শোক কৰা উপশাম।
দেখিবাহা সত্বৰে লক্ষ্মণ সীতা ৰাম॥

স্বামীৰ তুলত থিত সীতা বনবাসে।
লক্ষ্মী দেবী ক্ৰীড়ন্ত যেহেন বিষ্ণুপাশে॥ ২১৩০
শ্ৰীৰাম লক্ষ্মণ দুয়ো দুইহন্তৰ হিত।
দুইকো দুই ৰাখন্তে বনত ভৈলা থিত।
মধুকয় ফল তিনি ভক্ষণ কৰন্ত।
তিনিকো তিনিয়ো দেখি দুখ পাশৰন্ত॥ ২১৩১
বাপ মাৱ বন্ধুজন সবাকো পাসৰি।
তিনি জনে বনত আছন্ত ক্ৰীড়া কৰি॥
তাহান নিমিত্তে শোক দুখ পৰিহৰি।
অবিকলে থাকিয়োক স্বামী সেৱা কৰি॥ ২১৩২
সুমন্ত্ৰৰ বাক্যে তান শৰীৰ জুৰাইল।
সন্ধুকিয়া আগতে ৰজাক ভেট পাইল॥
কৌশল্যা বোলন্ত শুনা পৃথিবীৰ নাহা।
মৰিবাৰ বেলা সত্য বোল হেৰাইলাহা॥ ২১৩৩
একশত অশ্বমেধ একভিতি কৰি।
আউৰ দিকে সত্য দিয়া দুইকো তুলি ধৰি॥
মহা যজ্ঞ শততো কৰিয়া সত্য বলে।
হেন সত্য এৰিলা তোমাৰ দৈৱ ছলে॥ ২১৩৪
ৰাম অভিষেক লাগি সম্ভাৰ মিলাইলা।
সকলো লোকত হেন কাৰ্য্যক জনাইলা।
গৰ্ভৰ পুত্ৰৰ ভৈলা এনুৱা নাদৰ।
ৰাজ্য নেদি দিলা তুমি অৰণ্য সাগৰ॥ ২১৩৫
অজ্ঞানত বুৰাইলা তোমাৰ নাহি লাজ।
মোক হিংসি সাধিলাহা কৈকেয়ীৰ কায॥
ৰামক দেখুৱা হেন আশে প্ৰাণ ধৰো।
নুহি আজি আগতে কটাৰ হানি মৰো॥ ২১৩৬
সুমিত্ৰায়ে বোলন্ত কৌশল্যা শুনা ৰাই।
হা ৰাম বোলন্তে ৰজাৰ প্ৰাণ যায়॥
ইটো দোষ পৰিহৰা স্বামীৰ সকল।
মৰন্তাক মাৰিলে নাহিকে কিছু ফল॥ ২১৩৭

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ছোট হন্তে ৰামে পিতৃআজ্ঞা নবাধিল।
বনবাস কৰি ৰামে কল্যাণ সাধিল॥
হেনয় পুত্ৰক একো নকৰিবা চিন্তা।
দেখিবাহা সত্বৰে লক্ষ্মণ ৰাম সীতা॥ ২১৩৮
সুমিত্ৰাৰ বোলে শান্ত চিত্ত কৌশল্যাৰ।
স্বামীক নিষ্ঠুৰ বুলি ভৈলা চমৎকাৰ।
ক্ষমিয়োক প্ৰভু বুলি চৰণে ধৰিল।
প্ৰবোধ বচনে স্বামীক কাতৰ কৰিল॥ ২১৩৯
পুত্ৰৰ শোকত বিমোহিত মোৰ মন।
প্ৰভুক বুলিলো তাতে লাঘৱ বচন॥
পাঞ্চদিন ভৈল ৰাম বনবাসে গৈল।
আতে মোৰ শত বৰিষৰ সম ভৈল॥ ২১৪০
হেন শুনি দশৰথ শান্তি কিছু ভৈলা।
অনন্তৰে সুমন্ত্ৰেয়ো বুলিবাক লৈলা॥
ছোট হন্তে সেৱা কৰো তোমাৰ চৰণ।
একোকালে নবাধিলা আমাৰ বচন॥ ২১৪১
মৃত্যুকালে পাইলে আসি তোমাক বিবুধি।
কৈকেয়ীক বৰ দিলা আমাক নুশুধি॥
বৃদ্ধৰ তৰুণী ভাৰ্য্যা লোকত শুনিল।
সিসৰ সকলো কথা তোমাত মিলিল॥ ২১৪২
ৰাম অমৃতক তুমি তেজিলা তৰল।
মৰিবাৰ বেলা খাইলা কৈকেয়ী গৰল॥
গুৰু বন্ধু জন কিছু নভৈল তোমাৰ।
বংশক বিনাশি কৈলা কৈকেয়ীক সাৰ॥ ২১৪৩
সাৰ্থক বুলিলা বাক্য কৌশল্যা গোসানী।
কেনেমতে তোমাৰ ৰহিল সত্যবাণী॥
সমস্ত লোকত শুনাই বুলিলাহা কাজ।
কালি আনি ৰামক পাতিবো যুবৰাজ॥ ২১৪৪
সিসৰ বচন কেনে পৰিৱৰ্ত্ত ভৈলা।
গুণি চোৱা তুমি সুত কেনমতে ভৈলা॥
কোন ফল পাইলা তুমি অসতীক সেৱি।
কৈকেয়ী তোমাৰ মাত্ৰ ভৈল মুখ্যদেৱী॥ ২১৪৫
তাহাক কান্ধত লৈয়া ফুৰিয়ো ৰাজ্যত।
তেৱে পৰিপূৰ্ণ হৈবে তোমাৰ শপত॥
কৌশল্যা বোলন্ত মন্ত্ৰী নোবোলা অধিক।
পুত্ৰ শোকে মৰিছে আউৰ মাৰা কিক॥ ২১৪৬
কৌশল্যাৰ বোলে মন্ত্ৰী কিছু শান্ত ভৈলা।
বিদায় কৰিয়া নিজস্থানে চলি গৈলা॥
অনন্তৰে আসিয়া ৰজনী উপগত।
শোকে দুখে পীড়ি নিদ্ৰা গৈলা দশৰথ॥ ২১৪৭

দশৰথ ৰজাৰ মৃত্যু।

কৌশল্যা সুমিত্ৰা দুয়ো সতী শোকমনে।
ৰাজাৰ দুই পাশে শুতিলন্ত দুইজনে॥
মধ্য নিশা ভৈলে ৰাজা চেতনক পাইল।
শয্যাত বসিয়া দুয়ো ভাৰ্য্যাক জগাইল॥ ২১৪৮
পূৰ্ব্বৰ কথাক মই সুমৰিয়া পাইলো।
নিশ্চয় জানিলো এবে প্ৰাণ হেৰুৱাইলো॥
আম্ৰবন দেখি যেন ৰুইলো পলাশ।
কালে ফল শূন্য দেখি হইলো হতাশ॥ ২১৪৯
নুগুণিয়া ৰামক দিলোহো বনবাস।
ঋষি শাপে আসি মোৰ মিলালে বিনাশ॥
পূৰ্ব্বকালে মন্দকৰ্ম্ম কৰিলো দুৰ্ম্মতি।
তাৰ ফলে মন্দগতি ফলিল সম্প্ৰতি॥ ২১৫০
তোক নতু বিহা কৰো যুবৰাজ ভৈলো।
বাৰিষা কালত হাতে ধনুশৰ লৈলো॥
তূণ বান সাজিয়া দুৰ্জ্জয় মহাবীৰ।
[illegible] পাইলো [illegible]॥ ২১৫১

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শব্দ ভেদি ময় লুকি দিলোহো তথাত।
শব্দ লক্ষি পশু মাৰিলোহো অসংখ্যাত॥
কত বেলি আছো যেবে ধনুশৰ ধৰি।
জলকুম্ভ ভৰান্তে বাজিল খটাং কৰি॥ ২১৫২
মই বোলো হস্তী গোটে জলপান কৰে।
গৰজন্তে আছয় মুখত জল ধৰে॥
যাৰে আহি নতু উঠে সৰযূৰ ঘাট।
এই বুলি শীঘ্ৰে হানিলোহো শৰপাট॥ ২১৫৩
হা মাৰিলোহো বুলি দিলেক আটাস।
কোন হেনমতে মোৰ চিন্তিলে বিনাশ॥
কাৰো মন্দ নিচিন্তিলো ঋষিৰ তনয়।
অন্ধ মাৰ বাপ দুইৰো শোকক জ্বালয়॥ ২১৫৪
মইতো জানো কাৰো নতো চিন্তা অপকাৰ।
কোনেনো পাপিষ্ঠে কৈল হৃদয়ে প্ৰহাৰ॥
অন্ধ মাৰ বাপ মোৰ দুইৰো মই লাঠি।
তিনিকো মাৰিল কোনে এহি শিৰকাঠি॥ ২১৫৫
হেন শুনি মোৰ বৰ জন্মিল তৰাস।
ধীৰে ধীৰে গৈয়া তাৰ চাপিলোহো পাশ॥
ভয়ে গাৰ কাম্পয় লাগিল ধসমসি।
ৰাহুৰ আগত যেন পূৰ্ণিমাৰ শশী॥ ২১৫৬
হৃদয়ত শৰ দেখা ঋষিৰ কুমাৰ।
সৰ্ব্বাঙ্গ পানীত আছে তটে জটাভাৰ॥
জাজ্জ্বল্য সমান কৰি কটাক্ষ নয়নে।
মোক চাই বুলিলেক নিষ্ঠুৰ বচনে॥ ২১৫৭
হা ওৰে পাপিষ্ঠ নষ্ট কি কৰিলো তোক।
কিকাৰণে শৰে হানি মাৰিলিহি মোক॥
অন্ধ মাৰ বাপৰ জ্বলাইলি কেনে শোক।
বাপৰ শাপত আজি যাইবি যমলোক॥ ২১৫৮
আমাৰ বাপৰ শাপ প্ৰচণ্ড অগনি।
শুকান বনক যেন দাহিবেক ছানি॥

এৰাইতে পাৰস যদি বিনয় ভাৱত।
আমাৰ বাৰ্ত্তাক কহি ধৰ চৰণত॥ ২১৫৯
ব্ৰহ্মবধ ভৈল তাক নজানিবি তই।
ব্ৰহ্মঋষি জানিল শূদ্ৰাৰ পুত্ৰ মই॥
হৃদয়ৰ কাঢ় শৰ প্ৰাণক সুজাও।
সৰযূ জলত মৰি স্বৰ্গে চলি যাও॥ ২১৬০
হেন শুনি তাৰ মই খসাইলোহো বাণ।
কতোক্ষণে ঋষিৰ পুত্ৰৰ গৈল প্ৰাণ॥
প্ৰাণ বায়ু তেজি মৰি গগনক ধাইল।
তাক দেখি বৰ আমি দুখশোক পাইলো॥ ২১৬১
শুন বোলো কৌশল্যা প্ৰাণৰ পটেশ্বৰী।
ঋষি পাশে গৈলো কান্ধে জল ঘট ধৰি॥
মনে মনে গুণো আজি ভৈলোহো নিৰ্য্যাণ।
ঋষিৰ শাপত মোৰ ছাৰিবেক প্ৰাণ॥ ২১৬২
পথ চাহি আছে দুয়ো নেদেখয় আখি।
বৃদ্ধ চাতকৰ যেন ছেদিলোহো পাখি॥
ধীৰে ধীৰে গৈয়া মই চাপিলোহো কোল।
পুত্ৰ বুলি দুইহান্তৰ উছলিল ৰোল॥ ২১৬৩
তোহোক নেদেখি দুইৰো প্ৰাণ যায় ফুটি।
বিলম্ব কৰিলি কিয় অন্ধৰ লাখুটি॥
আন খন চিৰকাল নকৰিবি বাপে।
প্ৰাণক তেজিলো হয় তোহোৰ সন্তাপে॥ ২১৬৪
হেন শুনি আগত জৰিলো জোৰহাত।
ক্ষেত্ৰিজাতি মই গোসাই জনাইলো তোমাত॥
ঋষি পুত্ৰ নহো মই অজ মোৰ বাপ।
সূৰ্য্য কুলে কলঙ্কিত দশৰথ পাপ॥ ২১৬৫
সূৰ্য্যৰ কুলত মই ভৈলো পাপ ৰোগ।
অপৰাধ কৰিলো দেখিতে নোহে যোগ॥
বংশনাশ কৰিলো চিন্তিয়ো প্ৰতিকাৰ।
চণ্ডশাপ দিয়ো যেন হও ছাৰ খাৰ॥ ২১৬৬

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

সৰযূক আসিলোহো মৃগক বধিতে।
হাতে ধনু ধৰি লুকি দিয়া ভৈলো থিতে॥
জল কুম্ভ ভৰন্তে শুনিলো গজবাৰ।
শৰে হানি মাৰিলোহো অজ্ঞান স্বভাৱ॥ ২১৬৭
হেন শুনি অন্ধ দুয়ো বিমোহিত ভৈলা।
বজ্রপাত ভৈলা যেন পৰি মূৰ্চ্চা গৈলা॥
কিছুক্ষণে ঋষি পাছে চেতনক পায়া।
ছাটি ফুটি কৰি বুলিলন্ত মোক চায়া॥ ২১৬৮
হাওৰে পাপীষ্ঠ আজি তোৰ মান সাৰো।
সব ৰঘুবংশ নাশ কৰিবাক পাৰো॥
শাপিয়া দহিবে পাৰো দেৱাসুৰ নৰ।
জ্ঞানত মাৰিলি হন্তে যাইবি যমঘৰ॥ ২১৬৯
জানিয়া মাৰিলি মোৰ তনয় তাপস।
গৈল হন্তে নৰকে পুৰুষ চতুৰ্দ্দশ॥
আপুনি জানাইলি আসি হুয়া গৃহাগত।
তোহোক মাৰিলে মোৰ কেমন মহত্ত্ব॥ ২১৭০
ভৈল আসি বেকত মোহোৰ কৰ্ম্মফল।
দুইহান্তক পুত্ৰৰ পাশক লৈয়া চল॥
হেন শুনি মোৰ বৰ জন্মিল তৰাস।
লৈয়া গৈলো দুহান্তকো মৰা পুত্ৰপাশ॥ ২১৭১
দুই হান্তক নিয়া পাছে থাপিলো তথাতে।
দিলো নিয়া মৰা পুত্ৰ দুইহান্তোৰ হাতে॥
দীৰ্ঘৰাৱে কান্দি আসি হিয়াত ধৰিল।
কোলে তুলি লৈয়া মুখে চুম্বন কৰিল॥ ২১৭২
মাৰে বুলিলন্ত পুতাই তেজিলিহি মোক।
মৰিবাৰ দিনে দিলি নিদাৰুণ শোক॥
মোক এৰি যাস বাছা নিকাৰুণ মনে।
অন্ধ মাৰ বাপ তোৰ পুষিব কেমনে॥ ২১৭৩
হৰি হৰি বাপ মোত কোপ পৰিহৰা।
পাছে এৰি যাইবি তোৰ পীৰে চাপি ধৰা॥
ছট ফটাই মৰোহো তোহোৰ বাপ মাৰ।
ক্ষণিতেক প্ৰাণ ধৰো মাথা তুলি চাৰ॥ ২১৭৪
চিৰকালে ঋষি পাছে ক্ৰন্দন ত্যজিল।
সৰযূত বুৰ দিয়া অঞ্জলি কৰিল॥
স্বৰ্গ হন্তে ৰথ তেতিক্ষণে নামি আইল।
তাতে বসি ঋষিপুত্ৰে মাতক লগাইল॥ ২১৭৫
শুনিয়োক বাপ কুখীধৰ মোৰ আই।
ইটো ৰাজ কুমাৰৰ কিছু দোষ নাই॥
প্ৰাণ ৰাখি ইহাক দেশক পঠায়োক।
মন্ত্ৰ এৰি লিখিত কৰ্ম্মক চাহিয়োক॥ ২১৭৬
অবিলম্বে তোমাসাৰ হৈব সদগতি।
মই চলি গৈলো হেৰা পুৰী অমৰাৱতী॥
হেন বুলি ঋষিপুত্ৰ স্বৰ্গে চলি গৈল।
দেখি দুইহান্তৰ পাছে বৰ শোক ভৈল॥ ২১৭৭
আগত থাকিলো মই পুষ্টাঞ্জলি ধৰি।
বুলিলন্ত ঋষিয়ে নিষ্ঠুৰ মন কৰি॥
মহা শুদ্ধ বংশ তোৰ ভুৱনতে সাৰ।
হেন ৰঘু বংশৰ অনাইলি খিলিঙ্কাৰ॥ ২১৭৮
পুত্ৰৰ শোকত আজি প্ৰাণক সুজাইব।
অন্তকালে তোৰো পুত্ৰশোকে প্ৰাণ যাইব॥
পূৰ্ব্বত আমাৰ হেন ঋষি শাপ ভৈল।
দিন কতিপয়ে দুয়ো অন্ধ স্বৰ্গে গৈল॥ ২১৭৯
সেই ঋষি শাপে মোৰ মৰণ মিলিল।
যমদূত দেখো মোৰ সন্নিত চাপিল॥
চক্ষুৰে নেদেখো মই নুশুনোহো বোল।
পুত্ৰ সুমৰন্তে ভৈল হৃদয় আন্দোল॥ ২১৮০
এবে যেবে ৰামে বাপ বুলিয়া মাতয়।
স্নেহৰূপে আসি গ্ৰাৱে চাপিয়া ধৰয়॥
অমৃতক পীয়া যেন জীৱয় আতুৰ।
তেৱে প্ৰাণ ৰহে মোৰ নাথাও যমপুৰ॥ ১১৮১

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

মৰণ কালত ৰাম নেদেখিলো তোক।
যম কৰলকো গৈলে নেৰাইবোহো শোক॥
শুনা বান্ধৈ কৌশল্যা নকৰা হৃদিখেদ।
তোমাৰ আমাৰ এবে ভৈল পৰিচ্ছেদ॥ ১১৮২
চৌধয় বৰিষ ৰামে বনবাস তৰি।
পুনৰপি আসিলন্ত অযোধ্যা নগৰী॥
স্বৰ্গ হন্তে যেহেন আসিব সুৰৰাজে।
লোকে বেঢ়িবেক যেন দেৱতা সমাজে॥ ২১৮৩
তাক দেখিবাক কপালত ভাগ্য নাই।
পুত্ৰশোকে হেৰা মোৰ প্ৰাণ ফুটি যায়॥
হা ৰাম বুলিয়া শয্যাত এৰি গাৰ।
ভৈলন্ত নিচেষ্ট ৰাজা বিমোহিত ভাৰ॥ ২১৮৪
বনত যাইবাৰ ছয়দিন ভৈল কাল।
মধ্যনিশা ভৈল মৰিলন্ত মহীপাল॥
কৌশল্যা দেখন্ত ৰাজা আশেষ বিলাপে।
অচেতন দশৰথ পুত্ৰৰ সন্তাপে॥ ২১৮৫
নাজানিলা নিৰ্য্যাণক ৰাঘৱৰ মাৱ।
নজগায়া শুইলা শয্যাত এৰি গাৱ॥
কৌশল্যা সুমিত্ৰা দেৱী আৱৰ কৈকেয়ী।
ৰাজাক বেঢ়িয়া শুইলা সবে মহাদই॥ ২১৮৬
উই গোট মুখে যেন শুষিলা সাগৰ।
কৈকেয়ীৰ কাজে মৰিলন্ত নৃপবৰ॥

ৰজাৰ মৃত্যুত মহাদই সকলৰ বিলাপ।

প্ৰভাত সময়ে বাজি গৈল ঢোল ঢাক।
বন্দীগণে স্তুতি বোলে আসঙ্গি ৰাজাক॥ ২১৮৭
শৰ্বদৰ ৰোলে সবলোক জাগি গৈল।
নাৰীগণে আপোন নিয়োজ কৰ্ম্ম কৈল॥
স্ত্ৰীৰ আচাৰ যত কৰিলা সকল।
সুৱৰ্ণ কুম্ভত [illegible] জল॥ ২১৮৮
তিল, ফুল, গন্ধ, ধূপ, চন্দন মিলাইলা।
স্নানৰ সমস্ত সাজনীয় আনি থইলা॥
নাৰীগণে বোলয় পীড়িল পুত্ৰশোকে।
জগাইবাক লাগিলন্ত মহাদই লোকে॥ ২১৮৯
উঠা উঠা প্ৰভু আমাসাৰ নিজনাথ।
সূৰ্য্যৰ উদয়ে তযু সন্ধ্যা হৈব পাত॥
আশেষ প্ৰকাৰে জগাৱন্ত নাৰীগণ।
তথাপিতো নৃপতিৰ নভৈল চেতন॥ ২১৯০
শঙ্কা বৰ দেখিলন্ত স্বামীৰ জীৱন।
চণ্ডবাৱে কাম্পে যেন কদলীৰ বন॥
কাষ চাপি গাৱৰ বস্ত্ৰক গুচাইলন্ত।
মৃতক শৰীৰ নৃপতিক দেখিলন্ত॥ ২১৯১
চাপৰি চাপৰি কতো নাৰীগণে চায়।
গাৱত ধৰিয়া কতো স্বামীক জগায়॥
তবধ নয়নে দেখে হিম যেন গাৱ।
জিহ্বা খান কুঞ্চিলা নাসাত নাহি বাৱ॥ ২১৯২
নিষাণ দশন পান্তি শুকাইল অধৰ।
নিশ্চল চৰণ দুই নলৰয় কৰ॥
স্বামীৰ মৰণ দেখি ৰমণী সকলে।
বেঢ়িয়া কান্দিলা সবে হাকলে বিকলে॥ ২১৯৩
মহামৰ্ম্মে মূৰত চাপৰ মাৰে টানি।
কেশমণি ছিঙ্গে কতো হিয়ে মুঠি হানি॥
হা নাথ হা প্ৰভু হা মহাৰাজ।
বেঢ়িয়া কান্দিল সবে সুন্দৰী সমাজ॥ ২১৯৪
ৰোল শুনি কৌশল্যা সুমিত্ৰা পটেশ্বৰী।
চমকি উঠিলা চকু তৰবৰ কৰি॥
কৌশল্যা বোলন্ত প্ৰভু কিনো পুণ্য কৈল।
ৰাম ৰাম সুমৰন্তে প্ৰাণ ছুটি গৈল॥ ২১৯৫
কিনো কৰ্ম্মে প্ৰভু এৰাইলন্ত পুত্ৰশোক।
যমপুৰী গৈলা প্ৰভু সুমাৰ ৰামক॥

CC-0. Maharaji Satyamukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ওৰাৰিৰ লোকে শুনি ৰাজাৰ অৱস্থা।
উল্কা সঞ্চাৰিল যেন বাজ ভৈল কথা ॥ ২১৯৬
স্ত্রী বাল বৃদ্ধ সব যত যুবা লোকে।
মূর্চ্চা গৈয়া পৰিল ৰাজাৰ মহাশোকে ॥
যেহেন শুকান কাষ্ঠ মোৰ কলেৱৰ।
ৰাম শোক ৰবিজালে শোষে নিৰন্তৰ ॥ ২১৯৭
স্বামীশোক অগনিয়ে পুৰি পুৰি দহে।
এভো প্রাণ নযাই শৰীৰ কেনে ৰহে ॥
উলট পালট স্বর্গ মর্ত্ত্য পাতালত।
যুগ পৰিৱৰ্ত্ত যেন ভৈল অকালত ॥ ২১৯৮
মৰিবাহা তুমিসব কোনে পতিয়ায়।
হা প্রভু বোলন্তে মোহোৰ প্রাণ যায় ॥
ৰামাই বন গৈলা ছাড়ি তুমি গৈলা স্বর্গ।
চতুর্ভিতে বেঢ়ি কান্দে মহাদই বর্গ ॥ ২১৯৯
সমিধান নিদিলা টিকৰ নিজ নাহা।
আমাক অনাথ কৰি কৈক লাগি যাহা ॥
ৰাঘৱৰ শোকে তুমি গৈলা যমপুৰ।
খণ্ডাইলাহা অলঙ্কাৰ শিখৰ সিন্দুৰ ॥ ২২০০
হেন মন কৰয় যাইবোহো মই মৰি।
পুত্র বাসনাতহে জীৱন আছো ধৰি ॥
হা স্বামী দশৰথ বৃদ্ধ মহীপাল।
হা ৰাম লখাই সীতা মোৰ ভৈল কাল ॥ ২২০১

কৌশল্যাৰ কৈকেয়ীক ভৰ্ৎসনা আৰু
সকলোৰে ৰাজ্য ৰক্ষাৰ মন্ত্রণা।

বিষাদে কৌশল্যা কৈকেয়ীক লাগি চাইলা।
কুল সংহাৰিণীক আগতে ভেট পাইলা ॥
হাওৰে পাপিষ্ঠী চাৰী তই স্বামী খাইলি।
সমস্ত লোকক শোক সাগৰে পেলাইলি ॥ ২২০২
তোৰ গর্ভে ঠাই ভৈল সুস্বামী আমাৰ।
সব ৰঘু বংশৰ চিন্তিলি বুন্দামাৰ ॥
তোৰ কুখিয়াত তিনি ভুৱনক যাইব।
নৰকৰ পোকে তোক লাৰি ছাৰি খাইব ॥ ২২০৩
যাৱে চন্দ্র দিবাকৰ পৃথিবী সাগৰ।
ঘোৰ ক্রিমি কুণ্ডত থাকিবি একেশ্বৰ ॥
ৰামত ভকত যেন লখাই মহাবীৰ।
ভৰতো ৰামত তেন একে সে শৰীৰ ॥ ২২০৪
পুতেয়ো নলৈবে ৰাজ্য স্বামীকো বধিলি।
একোয়ে নভৈল তই নৰক সাধিলি ॥
তোহোৰ কাৰণে ৰামচন্দ্র গৈলা বন।
পুত্রশোকে নৃপতিয়ো তেজিলে জীৱন ॥ ২২০৫
সিংহ গজবাৰ শুনি জনকৰ জীৱে।
চমকিয়া ৰাঘৱৰ ধৰিবন্ত গ্রীৱে ॥
তই ভৈলি প্রজাৰ দুখৰ আদিমূল।
কৰিলি নির্ম্মূল তই ইটো ৰঘুকুল ॥ ২২০৬
এহি বুলি মুঠি হানি পৰিলন্ত শোকে।
প্রবোধিতে নপাৰিল সব নাৰী লোকে ॥
পাছে বশিষ্ঠক গৈয়া মাতিয়া আনাইল।
কুলগুৰু কৌশল্যাক প্রবোধ কৰাইল ॥ ২২০৭
বিষাদে থাকিলা দেৱী অস্থি চর্ম্মমাত্র।
বশিষ্ঠ বসিলা গৈয়া আউৰ যত পাত্র ॥
সেনাপতি যূথপতি মন্ত্রী সন্ধিকৈ।
মহা মহা সাধু যত সবাহাঙ্কে লই ॥ ২২০৮
বামদেৱে যাজ্ঞ্যবল্ক বিশ্বামিত্র গর্গ।
মার্কণ্ডেয় গৌতম ৰজাৰ গুৰুবর্গ ॥
বশিষ্ঠক মধ্য কৰি বসিলা বিমনে।
আদিত্যক বেঢ়িয়া যেহেন গ্রহগণে ॥ ২২০৯
সবে বিমৰিষ পাছে কৰিলন্ত থিৰ।
ভৈল্যদোষী কৰি গৈল [illegible] ॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

পাত্ৰ পুৰোহিত মিলি আলোচিলা কাজ।
অৰাজকে নিৰন্তৰে ছন্ন হৈবে ৰাজ ॥ ২২১০
সবে হন্তে বুলিলন্ত বশিষ্ঠক চাই।
ৰাজ্য ছন্ন হৈবেক নৃপতি কেহো নাই ॥
দশৰথ চক্ৰবৰ্ত্তী ভৈলন্ত বিনাশ।
ৰাম লক্ষ্মণেও এৰি গৈলা বনবাস ॥ ২২১১
পৰদাৰা হৰণ কৰিব মহাপাপ।
পুত্ৰ হুয়া নমানিব আপোনাৰ বাপ ॥
নাৰীগণ স্বামীত হৈবেক অবিনীত।
অনিয়মে সবে দোষ হৈবে উপস্থিত ॥ ২২১২
মাতুলৰ ঘৰত ভৰত শত্ৰুঘন।
সত্বৰে আনায়ো যেবে ৰাজ্য নোহে ছন ॥
অৰাজকে দুষ্ট খলে আসঙ্গক পাইব।
অনেক দুৰ্জ্জন চোৰ মছল উঠাইব ॥ ২২১৩
ৰাজায়ো আছন্তে মোত পুছিলন্ত কাজ।
সত্বৰে চিন্তিয়ো যেবে ছন্ন নোহে ৰাজ ॥
শুনিয়ো সমাজে ইটো ৰামৰ চৰিত।
ৰাম ৰাম বুলি সুখে তৰিয়ো কলিত ॥ ২২১৪

দূত পঠাই ভৰতক আনয়ন।

দুলৰী।

হেন শুনি পাছে নিজ কুল গুৰু
বশিষ্ঠে বুলিলা বাণী।
কহিলা সুমন্ত্ৰ মন্ত্ৰী জাণ্টে কৰি
দূত মিলায়োক আনি ॥
শুনি মন্ত্ৰীবৰ আজ্ঞা বশিষ্ঠৰ
মাথাত লৈয়া সাদৰি।
পৰম চতুৰ দূতগণ মন্ত্ৰী
মিলাইলন্ত শীঘ্ৰ কৰি ॥ ২২১৫
বশিষ্ঠ দূতক বুলিলন্ত বাণী
বিলম্বক পৰিহৰি।
আমাৰ বচনে তুমি সব শীঘ্ৰে
চলা ৰাতি দিন কৰি ॥
কেকয় ৰাজাৰ ৰাজ্য এথা হন্তে
হোৱে আতি বহুদূৰ।
মোৰ বাক্য ধৰি চলা শীঘ্ৰ কৰি
যথা গিৰিব্ৰজপুৰ ॥ ২২১৬
এথাৰ বৃত্তান্ত কথা তুমি সবে
ভৰতক নকহিয়া।
ৰাজাৰ আদেশ বুলি জান্ত কৰি
আনিয়ো এথা লাগিয়া ॥
বশিষ্ঠৰ বাণী শুনি দূতগণ
লৰিলা চৰি ৰথত।
নাহি অন্ন পান সাত দিন মাত্ৰ
যাহন্তে ভৈলা পথত ॥ ২২১৭
যেবে দূতগণ গিৰিব্ৰজপুৰে
শীঘ্ৰ বেগে প্ৰবেশিলা।
ভৰতে তথাত অনিষ্ট সূচক
সপোন বৰ দেখিলা ॥
নাই সুস্থ মন মলিন বদন
ভৈল ভৰতৰ মুখ।
শ্ৰীহানি দেখি মিত্ৰ সকলৰ
মনত বৰ অসুখ ॥ ২২১৮
হাত জোৰ কৰি পুছিলন্ত পাছে
দেখিয়া তান অৱস্থা।
মিত্ৰ সকলত কহিলা ভৰত
যত সপোনৰ কথা ॥
এহিসে কাৰণে জানিবাহা মোৰ
বিকল কৰয় মন।
শৰীৰ দহয় হৃদয় কম্পয়
শুকাই মুখ সঘন ॥ ২২১৯
কি কহিবো আৰ তোমৰা সবৰ
কথা শুনি বিস্মৰিব।

CC-0. Maraji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

জানিলোহো নিষ্ট কোনবা অনিষ্ট
আসি ভৈলা অসদৃশ ॥
পৰম দুৰ্ঘোৰ স্বপ্ন দেখি মোৰ
থিৰ আৰ নোহে চিত।
আকাশ ছানিয়া দেখিলো সম্পূৰ্ণ
পৰিল চন্দ্ৰ ভূমিত ॥ ২২২০
আৰৰ দেখিলো সাগৰ শুকাইল
ৰাহুৱে গ্ৰাসিল সূৰ।
বিনা মেঘে আসি নিৰ্ঘাত পৰিয়া
যেন ভূমি ভৈলা চূৰ ॥
আমাৰ পিতৃৰ শৰীৰ দেখিলো
ৰক্ত বস্ত্ৰ আনি দিল।
থিৰ নুহি কায়া মাটিত ঘসাইয়া
দক্ষিণক লাগি নিল ॥ ২২২১
দেখি গাৰ পোৰে উপৰক গোড়ে
বুৰ দিলা তৈল কুণ্ডে।
কৰিয়া আক্ৰান্তি আতিশয় যান্তি
তৈল দিলা গাৰে মুণ্ডে ॥
আৰো এক স্বপ্ন দেখিলোহো মই
গাৰে ক'লা বস্ত্ৰ লই।
পিতৃ দশৰথ লোহাৰ খাটত
থেপেকাই বসিলা গৈ ॥ ২২২২
দেখিলো আওৰ ৰাতুল পুষ্পৰ
মালা মাথে তুলি দিল।
পিঙ্গল বৰণী নাৰী একজনী
আলিঙ্গি আসি ধৰিল ॥
ইসব স্বপ্নৰ ফলে নিৰন্তৰ
কহয় বাপৰ কাল।
লয় মোৰ মন নোহেবা জাৱন
তেজিলন্ত মহীপাল ॥ ২২২৩
নেদেখোহো ভাল ভৈল বহুকাল
আসিলো তেজি নগৰ।
নজানো তথাত কোনবা বিঘাত
মিলিয়াছে অথন্তৰ ॥

মনে অনুমানি স্বপ্নৰ কাহিনী
কৈলা কৈকেয়ীৰ সুত।
সেহি সময়ত নগৰ পশিল
আহি অযোধ্যাৰ দূত ॥ ২২২৪
ৰাজাক প্ৰণামি পাছে নমিলেক
ভৰতৰ দুই পাৱ।
ভৰতক দূতে বচন বোলয়
জাণ্টে চালিয়োক গাৱ ॥
চলা এতিক্ষণ চাৰি কোটি ধন
ৰাজাৰ লোৱা সন্দেশ।
নবাধিবা বাক আমি দেখো তাক
কৰাইয়ো আগে প্ৰবেশ ॥ ২২২৫
হেন শুনি পাছে ভৰতে বোলন্ত
শুনিয়ো দূত সকল।
দশৰথ নিজ পিতৃৰ আমাৰ
কহিয়ো বাৰ্ত্তা কুশল ॥
পৰম শ্ৰীমন্ত ভালে কি আছন্ত
ৰাম পিতৃ সম ভাই।
ৰামৰ পাছত মোক সুমৰন্ত
কৌশল্যায়ে বৰ আই ॥ ২২২৬
প্ৰকৃতি সুন্দৰ বাৰ্ত্তা লক্ষ্মণৰ
কহিয়োক সদভাৱ।
আতি মহা শান্ত ভালে কি আছন্ত
সুমিত্ৰায়ে শত মাৱ ॥
বাপৰ সুভগা কলহত প্ৰিয়
প্ৰচণ্ড যাৰ স্বভাৱ।
স্বামী সেৱা কৰি ভালে কি আছন্ত
আমাৰ কৈকেয়ী মাৱ ॥ ২২২৭
হেন শুনি দূতে শোকক তন্তায়া
কহিলন্ত ধৈৰ্য্য ধৰি।
সকলে কুশল ৰাজাৰ আদেশ
চলা তুমি জাণ্ট কৰি ॥
শুনা ৰামায়ণ সভাসদগণ
ৰামক মনত ধৰি।

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰামৰ চৰণে পশিয়ো শৰণে
বিলম্বক পৰিহৰি ॥ ২২২৮
জানা সাৰ তত্ত্ব কালৰ মুখত
পৰিয়া আছো নিশ্চয়।
কেতিক্ষণে গিলে মিলে একেতিলে
দাৰুণ মৰণ ভয় ॥
পৰম চঞ্চল বিষয় সকল
তেজিয়ো বিশ্বাস আত।
ইসে নিজ কাম বুলি ৰাম ৰাম
এৰায়ো কালৰ হাত ॥ ২২২৯

পদ।

সিংহাসনে থিত ভৈলা গিৰিবজ্ৰনাথ।
তেতিক্ষণে ভৰতে জৰিলা জোৰহাত ॥
দেখি ৰাজা বোলে মোৰ নাতি সদভাৰ।
বাপৰ আদেশে জাণ্টে চালিয়োক গাৰ ॥ ২২৩০
দশৰথ কৌশল্যা ৰাঘৱ লখমণ।
কৈকেয়ী সুমিত্ৰা আৰো যত বন্ধুগণ ॥
বশিষ্ঠ প্ৰমুখ্যে গুৰুপাত্ৰ যত জন।
সবাকো সন্দেশ দিল তিনি কোটি ধন ॥ ২২৩১
ভৰতকো দিলা পাছে আশেষ সম্ভাৰ।
সহস্ৰেক ঘোড়া দিলা পৱন সঞ্চাৰ ॥
মাণিকে মণ্ডিয়া দিলা ৰথ দশ খান।
ময়মত্ত হস্তী দিলা দশশত মান ॥ ২২৩২
লক্ষ তোলা সুৱৰ্ণ সহস্ৰ অতিৰেক।
কোটি এক ধন দিলা সন্দেশ অনেক ॥
কেকয়ক নমিলা মাতুল যুদ্ধাজিত।
চড়িলা ভৰত ৰথে হৈয়া সুনম্ৰিত ॥ ২২৩৩
আগত ভৰত পাছ ভৈলা শত্ৰুঘন।
ৰথ খান গতি [illegible] ॥

পূৰ্ব্ব দিশ লাগি দুয়ো ভাই চলিলন্ত।
নদীনদ নগৰ অৰণ্য এৰাইলন্ত ॥ ২২৩৪
যমুনাৰ তীৰ পাইল কটকসকল।
সবে প্ৰজা সন্ধুকিল পান কৰি জল ॥
এৰাইল অনেক গ্ৰাম নগৰ আশেষ।
ধীৰে আস প্ৰজা বুলি কৰিলা আদেশ ॥ ২২৩৫
প্ৰজাক এৰিয়া নানা দেশক এৰাইল।
শীঘ্ৰে গৈয়া আতি নদী গোমতী ছাৰাইল ॥
চলিলা ভৰত যেবে গোমতীক তৰি।
ৰিণি ৰিণি দেখি যায় অযোধ্যা নগৰী ॥ ২২৩৬
সাত দিনে পাইলা গৈয়া নগৰীৰ কোল।
এদিনাৰমতে তাত নুশুনিয় ৰোল ॥
বিপৰীত দেখি বোলে কৈকয়ীৰ সুত।
কিবা আথান্তৰ মোত নকহিলি দূত ॥ ২২৩৭
তিনি প্ৰহৰৰ পথ যাৰ ধ্বনি গৈল।
অযোধ্যা নগৰা দেখো নিশব্দ ভৈল ॥
সাগৰ মথন্তে যেন আসিল আঞ্চাল।
বেদধ্বনি নৃত্যগীত নাহি কোলাহল ॥ ২২৩৮
কিছুৰে নুশুনি আজি সিসব শব্দ।
বায়ু থিৰ ভৈলা যেন সাগৰ তৰধ ॥
নিৰন্তৰে চলে যত হাতী ঘোড়া ৰথ।
চৌদোলৰ নিমিত্তে যাইবাক নাহি পথ ॥ ২২৩৯
কি কাৰণে আজি নাৰীশূন্য দেখো বাট।
কোলাহল নুশুনোহো পাঞ্চশত হাট ॥
মলিন দেখোহো নগৰৰ উপবন।
বিলাস বিনোদ যৈত কৰে নাৰীগণ ॥ ২২৪০
বৃক্ষত চাতক সবে নকৰয় ৰেলি।
নগৰৰ লোকৰ নেদেখো কিছু কেলি ॥
শুন ওৰে সাৰথি বচন বোলো তোক।
[illegible] ॥ ২২৪১

CC-0. Omkar Nath Shastri Collection Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

মলিন বস্ত্রক পিন্ধি কৰে নৰে শোক।
কিকাৰণে অভিনন্দা নকৰয় মোক॥
হেন বুলি প্ৰবেশিলা অন্তেষ পুৰত।
দুৱৰী দেখিয়া মাথা নমাইল দূৰত॥ ২২৪২
ঝাতঝিত কৰে দেখো অযোধ্যা নগৰী।
বুলিলন্ত ভৰতে বিষাদ মন কৰি॥
নাশ হেতু ৰাজাৰ দেখিলো বিমঙ্গল।
সি সব অনিষ্ট স্বপ্ন মিলিল সকল॥ ২২৪৩
প্ৰজাসবে মোক মাথা তুলিয়া নচায়।
চকু দুই টেৰ কৰি পিঠি দিয়া যায়॥
আশেষ বিষাদে ৰাজ ওৰাবিক পাই।
ঝাণ্ট কৰি ৰথৰ নামিলা দুয়ো ভাই॥ ২২৪৪
আথে বেথে পাইলন্ত বাপৰ নিজ ঠাই।
হাতীশাল শূন্য-যেন মত্ত গজ নাই॥
নেদেখিয়া বাপক বিকল দুয়ো ভৈলা।
মাৱৰ থানক শীঘ্ৰে চাহিবাক গৈলা॥ ২২৪৫

কৈকেয়ীৰ পৰা সকলো বৃত্তান্ত শুনি ভৰতৰ ক্ৰোধ।

পুত্ৰক দেখিয়া পাছে ভৰতৰ মাৱ।
কৌতূহলে আসনৰ চালিলন্ত গাৱ॥
মাৱক দেখিয়া কিছু সহৰিষ মন।
পাৱে পৰি প্ৰণাম কৰিলা তেতিক্ষণ॥ ২২৪৬
দুই বাহু মেলি মাৱে সাৱটি ধৰিল।
গ্ৰীৱত সাৱটি মুখে চুম্বন কৰিল॥
যুদ্ধাজিত ভাতৃৰ কুশল বাৰ্ত্তা কহ।
ভালে কিবা আছন্ত তোমাৰ মাতামহ॥ ২২৪৭
কল্যাণে আছন্ত মোৰ সৈহৰীৰ লোক।
কিবা বস্তু সন্দেশ পঠাইল দিয়া মোক॥
আমাৰ বাপৰ দেশ অনেক বিদূৰ।
কৈসানি এৰিলা বাপ গিৰিব্ৰজপুৰ॥ ২২৪৮
পথত কতেক দিন ভৈগৈল প্ৰবাস।
তোক দেখি বাপ মোৰ শৰীৰ উল্লাস॥
ভৰতৰ মাৱে যাৰ কল্যাণ ইচ্ছন্তি।
সকলে কুটুম্ব মাৱ সকলে আছন্তি॥ ২২৪৯
সাত দিনে ভৈলো আসি অযোধ্যাপুৰত।
তোমাৰ সন্দেশ আছে কতোহো দূৰত॥
আনিল বাপৰ দূতে সত্বৰ গমন।
সিকাৰণে পাছে এৰি আইলো যত ধন॥ ২২৫০
মলিন দেখোহো কেনে অযোধ্যানগৰা।
বিয়াকুল মন মোৰ কোৱা ঝাণ্ট কৰি॥
শূন্য নগৰীক মই আসিলোহো চাই।
দিবসৰ চন্দ্ৰ যেন তাৰাগণ নাই॥ ২২৫১
পতাকা নলড়ে যেন বিজুল চটক।
লণ্ড ভণ্ড পুৰী দেখো উৎসন্ন কটক॥
শুনিয়োক মাৱ কথা কহিয়োক তত্ত্ব।
আছে পিতৃ দশৰথ কমন গৃহত॥ ২২৫২
তোমাৰ থানত পিতৃ আছে হেন আশে।
আসিয়া দেখোহো কিন্তু নাহি তযু পাশে॥
আমাৰ বাপক কোন থানে ভেট পাইবো।
উতপাত কৰে মন তেবেসে জুৰাইবো॥ ২২৫৩
ভৰতৰ বোল শুনি লাজ পৰিহৰি।
কহিবাক লাগিলা মনত ৰঙ্গ কৰি॥
নুশুনিলি বাপু তই ভৈল কাজ যত।
মাজ নিশা মৰিল নৃপতি দশৰথ॥
আপোন সুকীৰ্ত্তি কৰি চলিলন্ত স্বৰ্গ।
অনাথ কৰিলা আপোনাৰ বন্ধুবৰ্গ॥ ২২৫৪
হেন শুনি ভৰতে তেজিলা দীৰ্ঘবাৰ।
যেন বজ্ৰপাত মাথে মোহিত স্বভাৱ॥
হা মোৰ পিতৃ তুমি কেনে গৈলা যমে।
কান্দিলা অনেক কৰি শত্ৰুঘন সনে॥ ২২৫৫

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বাপ পঠাইবাৰ দূতে শীঘ্ৰে আনিলেক।
মনত মানিলো ইটো ৰাম অভিষেক॥
কৌতুকে আছিলো হেন মনে মনে গুণি।
সকলে নিস্ফল ভৈল পিতৃনাশ শুনি॥ ২২৫৬
এহি বুলি মহাদুখে পৃথিবীত লুটি।
বিলাপ কৰন্ত যেন প্ৰাণ যাই ফুটি॥
দেখিয়া কৈকেয়ী পাছে তুলি ধৰিলন্ত।
প্ৰবোধ বচনে ভৰতক বুলিলন্ত॥ ২২৫৭
উঠাউঠা বাপ শোক নকৰিয়ো মনে।
উলটি কি আসিৱন্ত তোমাৰ ক্ৰন্দনে॥
বহুতৰ কীৰ্ত্তিক থৈলন্ত মহীপাল।
বৃদ্ধ বয়সত নৃপতিৰ ভৈল কাল॥ ২২৫৮
প্ৰজাক পালিয়া কৰিলন্ত ৰাজ্যভোগ।
সত্য পালি মৰিলা কান্দিতে নুহি যোগ॥
মৰিবাৰ বেলা ৰাজা বুলিলা বচন।
ঝাণ্ট কৰি আসোক ভৰত শত্ৰুঘন॥ ২২৫৯
ৰাম সীতা লক্ষ্মণক বনক পঠাইল।
হেন দেখি সব লোকে কৌতুক পাইল॥
শুনি ভৰতৰ হৃদয়ৰ কম্প ভৈল।
ৰোগীৰ মুণ্ডত যেন বজ্ৰ পৰি গৈল॥ ২২৬০
হায় বিধি যমে কিয় নিনিলেক মোকে।
এই বুলি পৃথিবীত পৰিলন্ত শোকে॥
অচেতনে আছে যেন ভৈল আয়ুপাত।
মৃতকৰ যেন প্ৰাণ নেখেলে নাসাত॥ ২২৬১
ৰাম লক্ষ্মণৰ শোকে পৰি শত্ৰুঘন।
ভৰতক ধৰি ধীৰে কৰন্ত ক্ৰন্দন॥
কতোক্ষণে ভৰতে চেতন লভিলন্ত।
শোকক তম্ভায়া পাছে বাক্য বুলিলন্ত॥ ২২৬২
কি কাৰণে নৃপতিৰ মতি বিহৰিল।
ৰাম সীতা লক্ষ্মণক বনবাস দিল॥
ৰামে কিনো ব্ৰহ্মবধ গোবধ কৰিল।
নোহে মহাপাপ গুৰু ভাৰ্য্যাক হৰিল॥ ২২৬৩
সিকাৰণে প্ৰাণ ভাইক দিলা বনবাস।
চিন্তিলন্ত কিয় পিতৃ আপোনাৰ নাশ॥
সবে ৰাজ্য স্নেহ এক ভিতি কৰিলন্ত।
আউৰ দিকি ৰাম স্নেহ তুলে ধৰিলন্ত॥ ২২৬৪
ৰামত বাসনা আতি বাপৰ মিলিল।
মৰিবাৰ বেলা কেন বিধিয়ে ছলিল॥
কৈকেয়ী বোলয় সবে পাত্ৰে আলোচিলা।
ৰাজাৰ পাশক শীঘ্ৰে সবহি আসিলা॥ ২২৬৫
ৰাজায়ে সহিতে পাছে বিমৰিষি কাজ।
কৌশল্যাৰ তনয়ত সমৰ্পিলা ৰাজ॥
বশিষ্ঠে আনিলা অভিষেকৰ সম্ভাৰ।
কালি ৰাজ দিব হেন কৰিলন্ত সাৰ॥ ২২৬৬
ৰামৰ সীতাৰ পাছে অধিবাস কৈল।
এতেক দেখিয়া মোৰ হৃদিকম্প ভৈল॥
আলোচিয়া থিত সব কৰিলোহো কায।
তোমাক লাগিয়া মই মাগি লইলো ৰাজ॥ ২২৬৭
শপত কৰায়া নৃপতিক কৈলো বন্দি।
ৰামক পঠাইলো বনে সত্য পাশে ছান্দি॥
হৰাইল দেখিলো ৰাজ্য সপোনৰ নিধি।
কতমতে সাধিলো সহায় ভৈল বিধি॥ ২২৬৮
বপাহাঙ্ক লাগি বাপ নকৰিবি মৰ্ম্ম।
ঝান্তে ৰাজ্য লৈয়ো মোৰ সাফলোক শ্ৰম॥
ৰাজাৰ আদেশ ৰাম শিৰোগতে লৈল।
সীতায়ে লক্ষ্মণ সমে বনবাসে গৈল॥ ২২৬৯
হাহাকাৰ শব্দে কান্দিল সবলোকে।
মৰিলন্ত মহীপাল সেহি পুত্ৰশোকে॥
ৰাজাৰ শৰীৰ আছে নাৰাণ তেলত।
তান কৰ্ম্ম কৰি ৰাজ্য লৈয়োক ভৰত॥ ২২৭০

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

এবেসে পলাইল মোৰ ইদুখ ললাট।
শুভক্ষণ কৰি বাপ লৈয়ো দণ্ডপাট॥
দুয়ো ভাই জানিল ৰামৰ বনবাস।
কুব্জীৰ কাৰণে ভৈল ৰাজাৰ বিনাশ॥ ২২৭১
চাৰিগুণে ভৰতৰ ক্ৰোধ উপজিল।
গৰিহা বচনে পাছে কৈকেয়ীক বুলিল॥
হাওৰে পাপিষ্ঠী মাৰ কি কৰিলি কায।
কোননো বাপেৰে তোত মাগিলেক ৰাজ॥ ২২৭২
ৰাম লক্ষ্মণৰ খণ্ডিলিহি ৰাজ্যভোগ।
বাপক মাৰিলি তই অচিকিৎস ৰোগ॥
কিবা ৰাম দদা তোক অনিষ্ট কৰিল।
সিকাৰণে তান তই ৰাজ্য বিহৰাইল॥ ২২৭৩
ৰাজ্যলোভে আপুনিও নৰকক গৈলি।
মোৰ কেনে ত্ৰিভুৱনে অখ্যাতিক থৈলি॥
একেবাৰে তিনিগোট অকাৰ্য্য কৰিলি।
মোহোৰ দুষ্কীৰ্ত্তি ৰাম বনবাস দিলি॥ ২২৭৪
স্বামীক মৰাইলি দশৰথ মহাৰাজ।
তথাপিতো দাৰুণী তোহোৰ নাহি লাজ॥
ইহলোকে পৰলোকে শুভ নাহি তোৰ।
দেশে দেশে মোহোৰ কুযশ থৈলি ঘোৰ॥ ২২৭৫
স্বামী ঘাতিনীক পৃথিবীয়ে কেনে ধৰে।
ফাট দিয়া লুকাই থৈয়া তোক নসম্বৰে॥
শুষিনী নাগিনী নিকাৰুণী সংহাৰিণী।
নিৰ্দ্দয়িনী ৰাক্ষসিনী বাঘিনী দাৰুণী॥ ২২৭৬
যক্ষিনী ডাহিনী তই স্বস্বামী ভক্ষিণী।
পিশাচিনী আবে ৰণ্ডী ভৈলি অলক্ষিণী॥
সকলো লোকক শোকে মাৰিলি বিছুই।
অযোধ্যা ৰাজ্যত তই ভৈলি সোণগুই॥ ২২৭৭
বাপক মাৰিলি আগে আবে মোক খাহা।
নিলাজী বোৰণী চাৰী মাৰিবাক যাহা॥

কৌশল্যা সুমিত্ৰা বিকলিত পুত্ৰশোকে।
নৰকত পচিবি খাইবেক জোকে পোকে॥ ২২৭৮
দশোদিশে ব্যাপিল নিৰ্ম্মল যাৰ যশে।
তান ভাৰ্য্যা ভৈলি তোক জনিল ৰাক্ষসে॥
কৌশল্যা মাৰক তই দিলি বৰ শোক।
ময়ো আবে পেট পুৰি মাৰিবোহো তোক॥২২৭৯
এতিক্ষণে ময়ো আজি যাইবো বনমাজ।
স্বতন্তৰী দাৰুণী আপুনি লহ ৰাজ॥
হা বাপ বুলিয়া বিকল বৰ ভৈলা।
হা ৰাম ভাই বুলি পৰি মূৰ্চ্ছা গৈলা॥ ২২৮০
আশেষ কান্দন্তে শত্ৰুঘনে গৈয়া পাইল।
আশ্বাসি অনেক তুলি ধৰিয়া বসাইল॥
লক্ষ্মণ দদাৰ ভৈল কমন মহত।
সব প্ৰতিকাৰ তেহো কৰিতে শকত॥ ২২৮১
ৰাঘবৰ সঙ্গতি গৈলন্ত বন মাজ।
পিতৃ বোল বাধিয়া ৰামক নিদি ৰাজ॥

শত্ৰুঘ্নৰ হাতত কুঁজীৰ বিপত্তি।

শুনিলেক কুঁজীয়ে ভৰত আসি ভৈল।
সত্বৰ গমনে কৈকেয়ীৰ পাশে গৈল॥ ২২৮২
পিন্ধিলেক হৰিষে বত্ৰিশ অলঙ্কাৰ।
মুকুট কুণ্ডল গ্ৰীৱে সাতেসৰি হাৰ॥
বলয় কঙ্কণ কাঞ্চি নূপুৰৰ সাজে।
হংসী কেলি কৰে যেন সৰোবৰ মাজে॥ ২২৮৩
সুবৰ্ণৰ খোল নিয়া কুঁজত চড়াইল।
কটাক্ষ দৃষ্টিয়ে ভৰতৰ মুখ চাইল॥
শৰীৰত পিন্ধিলেক অগুৰু চন্দন।
কৈকেয়ীৰ গৃহ লাগি কৰিল গমন॥ ২২৮৪
ৰাজ্যযোগ্য অলঙ্কাৰ পিন্ধিউৰি গাৰে।
কপিলা ধাকিলা যেন চণ্ডালৰ ঠাৰে॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বিমৰিষ কৰে কুঁজী আউৰ কিবা চাওঁ ।
ভৰতক সমীপক কিসক নযাওঁ ॥ ২২৮৫
মই বান্ধো ৰূপ বৰ হেনয় নোহয় ।
মোহোৰ স্বৰূপে দেখো আথানো জ্বলয় ॥
বয়সত বৰ মই ভৰতত কৰি ।
কাম বশ ভৈলে সিটো দোষক নধৰি ॥ ২২৮৬
বিদিতে কুমাৰে যেবে লাজ কিছু কৰি ।
গুপ্তৰূপে তথাপিতো হৈবো পটেশ্বৰী ॥
অনন্তৰে অন্তঃপুৰে ভৰতে চাহিল ।
সেহিবেলা কুঁজী আসি আগতে মিলিল ॥ ২২৮৭
দেখ ভাই সমস্তৰে বহ্নি-কুণ্ড আইল ।
হেন বুলি কুঁজীক তাহন্তে সঙ্কটাইল ॥
সকল আপদ হেতু এইসে আয়ুধী ।
লাথি ভুকু চৰৰ মাৰস যথাবিধি ॥ ২২৮৮
হেন শুনি শত্ৰুঘনে মন্থৰাক পাইল ।
যেন ক্ষুদ্ৰ মৃগী দেখি কেশৰী খঙ্গাইল ॥
ঘাৰে ধৰি কুঁজীক ফুৰাইল বহুপাক ।
মন্থৰা ঘূৰয় যেন কুমাৰৰ চাক ॥ ২২৮৯
কতো বেলি পেলাৰন্ত আচাৰি হাতৰ ।
হিয়া মাটি পাইল যেন কুৰ লাঙ্গলৰ ॥
মাৰিলন্ত কুজত অনেক শত কিল ।
চিত কৰি হিয়াত ডাঙ্গৰ শিল দিল ॥ ২২৯০
দুই কোষে মাৰিলন্ত নিদাৰুণ লাঠি ।
ঘুকুচা ঘাৰত দিল বহু ঘৰাকাটি ॥
পুনু পুনু কেশত ধৰিয়া আজুৰিল ।
কান্দন্তে মাৰিল ভুকু মুখে ধূলি দিল ॥ ২২৯১
বাৰে বাৰে তুলি তুলি ভূমিত আস্ফালি ।
চৰৰত ভাঙ্গি গৈল দন্ত দুই পাৰি ॥
কুঁজীৰ বিলাই দেখি তাইৰ বন্ধুজন ।
হা বান্ধে বুলিয়া কান্দিল ঘনে ঘন ॥ ২২৯২
মাৰিবেক আমাক দুৰ্ব্বাৰ শত্ৰুঘনে ।
কৌশল্যাত সবে গৈয়া পশিল শৰণে ॥
পাছ চাই পলাইল কুঁজীৰ চেড়ীগণ ।
কৈকেয়ীক চাহি বুলিলন্ত শত্ৰুঘন ॥ ২২৯৩
তোৰ বাক্যে আমাৰ জ্বলিল বৰ শোক ।
কুল সংহাৰিণী আসি নৰাখয় তোক ॥
এহি মুখে বুলিলি ৰাঘৱ বনে যাউক ।
আৰো বোল বুলিলি ভৰতে ৰাজ্য পাউক ॥২২৯৪
হেন বুলি কুমাৰৰ হৃদয় ভাগিল ।
আৰৰ কুঁজীক গৈয়া কিলাইবে লাগিল ॥
ৰাম সীতা লক্ষ্মণ গৈলন্ত বনমাজে ।
ৰাজাও মৰিলা এই পাপিনীৰ কাজে ॥ ২২৯৫
হেন বুলি গালত নিৰ্দ্দয় দিলা মুঠি ।
একোমতে কুঁবুজীৰ প্ৰাণ নযাই ফুটি ॥
ছিঙ্গি সিঞ্চিলন্ত কুঁবুজীৰ অলঙ্কাৰ ।
স্বৰ্গে যেন আতিশয় ঝিকমিক তাৰ ॥ ২২৯৬
শত্ৰুঘ্নৰ কোপ দেখি ভৰতৰ মাৰে ।
ভয়ে চমকিয়া গৈল ভৰতৰ ঠাৰে ॥
অথিৰ নয়ন তাৰ মুখে নাহি পান ।
শত্ৰুঘ্নৰ হাতে আজি হৈবোহো নিৰ্য্যাণ ॥ ২২৯৭
ভয়ে তৰতৰি কাম্পে অধৰ শুকাইল ।
এক দেৰা কৰি ভৰতৰ কাষ পাইল ॥
মোৰ প্ৰাণ ৰাখ বাপ তোহোত শৰণ ।
আসজ মিলিল দেখো শুনিয়ো বচন ॥ ২২৯৮
মই তোক বোলোহো অলপমতি ছোট ।
কুঁজীক মাৰিল নিদাৰুণ পুত্ৰগোট ॥
দুই গোটা ভায়েকত পৰে গৰ্ব্বী নাই ।
ঘনে ঘনে মোক চাৰৈ চক্ষুক পকাই ॥ ২২৯৯
নিদাৰুণ দেখো বৰ সুমিত্ৰাৰ পোক ।
দুয়ো গোটা ভায়েকে মাৰিতে চাহে মোক ॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

লক্ষ্মণেও মোক মাৰিবাক সাজ ভৈল।
ৰামৰ বচনে পাছে বাহুৰিয়া গৈল ॥ ২৩০০
ভৰতে বোলন্ত শত্ৰুঘ্নৰ মুখ চাহি।
মৰাক মাৰিলে আৰো কিছুফল নাহি ॥
কুঁজী পৰ চেৰীসে নুহিকে স্বতন্তৰ।
বোঝাৰ উপৰে শাক যেন পটন্তৰ ॥ ২৩০১
গুৰুতৰ বচন শুনিয়া শত্ৰুঘনে।
হেম্পোচিয়া কুঁজীক পেলাইলা তেতিক্ষণে ॥
চুঞ্চৰিয়া পাইল কুঁজী কৈকেয়ীৰ পাশ।
ধীৰে ধীৰে কৈকেয়ীয়ে বুলিলা আশ্বাস ॥ ২৩০২
ভৰতে বুলিলা শত্ৰুঘন মুখ চাই।
দৈৱে বিমোহিত ভৈলা কৈকেয়ীযে আই ॥
ৰামত বাসনা আনো মোতে অতিৰেক।
দদাৰ বিপদ দৈবে কোনে বাধিবেক ॥ ২৩০৩
হৰি হৰি দুখিনী কৌশল্যা শত আই।
কেনে সম্বুধিবোহো তোমাৰ মুখ চাই ॥
বুলিতে নথৈল মোৰ কৈকেয়ী মাৱে।
হেন বুলি তহিতে কান্দিলা দীৰ্ঘৰাৱে ॥ ২৩০৪

কৌশল্যা আৰু ভৰতৰ কথোপকথন।

ক্ৰন্দনৰ ৰোল বৰ কৈকয়ীৰ ঠাই।
বুলিলা কৌশল্যা পাছে সুমিত্ৰাক চাই ॥
আসিলেক ভৰত দাৰুণী যাৰ মাৱ।
দেখিয়োক আসা গৈয়া চালিয়োক গাৱ ॥ ২৩০৫
হেন বুলি দুইহন্তো লৰিলা সেহিক্ষণে।
ভৰতো আসন্ত দুইকো দেখিবাক মনে ॥
সুমিত্ৰাৰ তনয় পাছত শত্ৰুঘন।
বাটতে তেহো দুইকো পাইলা দৰিশন ॥ ২৩০৬
কৌশল্যাক দেখিয়া ভৰত দুখী ভৈলা।
হা মাৰিলোহো বুলি পাৰি মূৰ্চ্ছা ভৈলা ॥
আসিলি বোপাই কুলনাশিনীৰ পো।
দুইকো ধৰি কান্দিলা নয়নে বহে লো ॥ ২৩০৭
উঠ উঠ বাপু তই মুখে এৰ লাজ।
মাৱেৰৰ হাতে তই মাগি ললি ৰাজ ॥
ৰাজাকো মৰাইলি ৰাম বনবাস দিলি।
পিতৃ বৰ কৰি কোন কৰ্ম্মক সাধিলি ॥ ২৩০৮
মোহোত বুলিলি হন্তে এহি ৰাজকাজ।
ৰামে কৰিলন্ত হন্তে তোক যুৱৰাজ ॥
কিকাৰণে আমাসাক বিদ্বেষ কৰিলি।
সুমিত্ৰাক মোক বহ্নি কুণ্ডত থাপিলি ॥ ২৩০৯
একে শোকে মৰো আৰো জ্বালিলি সন্তাপ।
যেন গঙ্গাজল মোৰ ৰামাই নিষ্পাপ ॥
কৌশল্যাৰ সুমিত্ৰাৰ হেন বাণী শুনি।
কিনো বুলিবন্ত নপাৰন্ত মনে গুণি ॥ ২৩১০
কতো বেলি মনে থিৰ কৰিলা ভৰত।
দুইহন্তৰো আগে পাছে কৰন্ত শপত ॥
মোহোৰ কপট যেবে সত্য পতুৰাওঁ।
মিছা যেবে বোলো ব্ৰহ্মবধ পাপ পাওঁ ॥ ২৩১১
দশ কপিলাক মাৰো গুৰু ভাৰ্য্যা হৰো।
ৰামক পঠাইলো বনে আত্মঘাত কৰো ॥
মোৰ বোলে বুলিলা কৈকেয়ী নিজ মাৱ।
ঘোৰ নৰকত তেৱে মোৰ হৌক ঠাৱ ॥ ২৩১২
বচনে দিলেক দান নিদিলে অধৰ্ম্ম।
ৰাজদ্ৰোহ কৰিলে যতেক পাপকৰ্ম্ম ॥
সবপাপ পাওঁ যেবে মোৰ আছে মন।
যত ধৰ্ম্ম কৰি আছো সিও হোৱে ছন ॥ ২৩১৩
কৌশল্যা বোলন্ত তোক জানো শুদ্ধভাৱ।
দাৰুণ শপত শুনি পোৰে মোৰ গাৱ ॥
চিৰকাল জীবি আশীৰ্ব্বাদ দিলো তোক।
ৰাম আইলে দেখি পাসৰিবে সবে শোক ॥ ২৩১৪

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কৌশল্যাৰ কোলে দুখে আছন্ত ভৰত।
তপত খোলাত কৰে মাছ যেনমত॥
মন্দকৰ্ম্মে মাৰৰ শৰীৰে দেই তাপ।
সুৰাপান কৰি যেন দ্বিজৰ সন্তাপ॥ ২৩১৫
আশেষ কৰন্ত শোক কৌশল্যাৰ ঠাৰে।
পিতৃশোক বহ্নি যেন জ্বলে তান গাৰে॥

বশিষ্ঠাদিৰ আগমন আৰু ৰাজাৰ প্ৰেতকাৰ্য্যৰ ব্যৱস্থা।

সূৰ্য্য অস্ত গৈল নিশা দুখ বৰ পাইল।
বৰিষ সমান তান ৰজনী পোহাইল॥ ২৩১৬
প্ৰভাতে বশিষ্ঠ গুৰু চালিলন্ত গাৰ।
মন্ত্ৰী পাত্ৰ লৈয়া গৈলা ভৰতৰ ঠাৰ॥
দশৰথ ৰাজাৰ দেখিলা বাসঘৰ।
ইন্দ্ৰ নাহিকন্ত যেন স্বৰ্গৰ ভিতৰ॥ ২৩১৭
পাত্ৰ সব দেখিলা ৰাজ্যৰ মহাহিতে।
ভৰতে বোলন্ত আইলা আমাক দেখিতে॥
বাপ ভাইৰ দ্ৰোহিয়া আমাৰ নাহি গতি।
কৈকেয়ী মাৰে কৈলা চাণ্ডাল সঙ্গতি॥ ২৩১৮
তেজিলোহো ৰাজ্যধন সবে বন্ধুজন।
বিনে বাপ ভাই মোৰ নিস্ফল জীৱন॥
হেন বুলি ভৰত ভূমিত পৰিলন্ত।
পাত্ৰ সবে দেখিয়া ক্ৰন্দন কৰিলন্ত॥ ২৩১৯
বশিষ্ঠ বোলন্ত দশৰথৰ তনয়।
তোমাৰ কিসক ইটো সন্তাপ জ্বলয়॥
পিতৃকাৰ্য্য কৰিয়া লৈয়োক ৰাজ্যপাট।
খণ্ডোক লোকৰ দুখ দুৰ্গতি ললাট॥ ২৩২০
আছিলন্ত ভূৰিদ্যুম্ন ৰাজা ৰবিতলে।
গৈলন্ত স্বৰ্গক আপোনাৰ কৰ্ম্মফলে॥
সকলে কুটুম্বে পাছে শোকে কান্দিলন্ত।
সিকাৰণে পুণ্য ক্ষয় হইয়া পৰিলন্ত॥ ২৩২১
হেন জানি শোক তুমি কৰা উপশাম।
ত্বৰিতে দেখিয়া সীতা লক্ষ্মণ শ্ৰীৰাম॥
স্বৰ্গে গৈল দশৰথ ৰাজা শুদ্ধভাৱ।
ক্ৰন্দন কৰিয়া তাঙ্ক পেলাইবাক চাৰ॥ ২৩২২
ভৰতে বোলন্ত হেন কিয় বোলা মোক।
মাৰে থৈলা অপযশ কিমতে গুচোক॥
পিতৃৰ কৰিবো আমি দশপিণ্ড কাজ।
কৰিবো ৰামক সেৱা নলাগয় ৰাজ॥ ২৩২৩
হেন শুনি বশিষ্ঠ মনত ৰঙ্গ ভৈলা।
ভৰতক লৈয়া মৰাশৰ পাশে গৈলা॥
মৰা বাপ দেখিলন্ত কৈকেয়ীৰ সুত।
দুই ভাই লুটি পৰি কান্দিলা বহুত॥ ২৩২৪
তৈল হন্তে নৃপতিক তুলিলন্ত কোলে।
দুই ভাই নিয়া থাপিলন্ত চতুৰ্দ্দোলে॥
অগুৰু চন্দনে দেহা ভূষিত কৰাইল।
সব অলঙ্কাৰ নিয়া গাৰত চড়াইল॥ ২৩২৫
আগে পাছে বহন্ত ভৰত শত্ৰুঘনে।
দুইপাশে ধৰিলা ৰাজাৰ বন্ধুজনে॥
মুখ্য মুখ্য নৃপতিৰ যত বন্ধুলোকে।
ৰাজাক দহিতে লাগি চলি গৈলা শোকে॥ ২৩২৬
ৰাজাক থাপিলা নিয়া নদীৰ তীৰত।
বেঢ়িয়া কান্দন্ত মহাদই লোক যত॥
হা প্ৰভু আমাৰ টিকৰ নিজ নাহা।
আমাক তেজিয়া তুমি কৈক লাগি যাহা॥ ২৩২৭
মুকুট কুণ্ডল শোভে বিবিধ মণ্ডল।
হাসো হাসো কৰে আতি ৰাজাৰ বদন॥
মহাদই সবে ক্ৰন্দন কৰে আগে।
উত্তৰ নেদন্ত যেন মনত বৈৰাগে॥ ২৩২৮

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

অগুৰু চন্দন দাৰু নিৰ্ম্মিলন্ত চিতা।
বন্ধু জনে কান্দন্ত ৰাজাৰ চতুৰ্ভিতা॥
চিতাত থাপিলা নিয়া উত্তৰ শিথানে।
উপৰতে যজ্ঞপাত্ৰ থৈল থানে থানে॥ ২৩২৯
ওহিত ব্ৰাহ্মণে তিনি অগনি থাপিয়া।
ঘৃতাহুতি দিলন্ত হাতত শ্ৰুৱ দিয়া॥
উড়ুখল মুষলকো থাপিলন্ত নিয়া।
অগ্নিত হুমিলা পশু গোটক মাৰিয়া॥ ২৩৩০
সবৎসা অনেক ধেনু প্ৰদান কৰিল।
বিধিৰ নিয়মে পাছে মুখাগ্নি কৰিল॥
কলসে কলসে ঘৃত অনেক ঢালিল।
জাজ্বল্য সমান চিতা অগনি জ্বলিল॥ ২৩৩১
অগনি লাগিল যেবে নৃপতিৰ গাৰে।
প্ৰণামিল কুমাৰে ৰাজাৰ দুই পাৰে॥
আৰ্ত্তনাদ কৰি কান্দিলন্ত দুই ভাই।
হা বাপ কৈক যাহা আমাক পেলাই॥ ২৩৩২
মোক এৰি কৈক যাহা দশৰথ বাপ।
সহিতে নপাৰো আৰো হৃদয়ৰ তাপ॥
অনুদিনে বাপ যাত সমৰ্পণা কৰি।
পিতৃ সম ৰাম গৈলা দেশ পৰিহৰি॥ ২৩৩৩
হা ৰাম দদা মই কত পাপ কৈলো।
তুমি হেন ভ্ৰাতৃত বঞ্চিত মই ভৈলো॥
বশিষ্ঠে বোলন্ত সবে অৱশ্যে মৰিব।
মৃতক পৰাণ পুনৰপি উপজিব॥ ২৩৩৪
অনুশোচ এৰিও সংসাৰ বিধি বক্ৰ।
সংহাৰিব সবাকো দুৰ্ব্বাৰ কালচক্ৰ॥
তুমি আমি প্ৰমুখ্যে আৰৰ যত জন।
দিন কতিপয় থাকি সবে হৈবো ছন্ন॥ ২৩৩৫
পদ্মৰ পত্ৰৰ যেন নীৰ বহি যাইব।
শোক এৰা সবে অন্তে প্ৰাণ হৰুৱাইব॥
দুই ভাইক বশিষ্ঠে তুলিলা হাতে ধৰি।
গুৰুৰ বচন শুনি শোক পৰিহৰি॥ ২৩৩৬
লোতকে তিন্তিল দুইবো শৰীৰ সকলে।
শুক্ৰধ্বজ যুগ যেন বৰিষণ জলে॥
নিশেষ দগধ ভৈলা দশৰথ ৰাজ।
সৰযূত বুৰ দিয়া প্ৰেতাঞ্জলি কাজ॥ ২৩৩৭
জলদান কৰিতে ভৰত লৰি গৈলা।
নিৰন্তৰে তীৰ্থ যত তৈতে আসি ভৈলা॥
পয়স্বিনী গঙ্গা দেবী যমুনা গোমতী।
চন্দ্ৰভাগা কাবেৰী লৌহিত্য সৰস্বতী॥ ২৩৩৮
নৰ্ম্মদা সুৰেষা সোণ নদী হীৰন্মতী।
গোদাৱৰী কৃতমালা নদী ভানুমতী॥
সব তীৰ্থ আসি ভৈলা সৰযূৰ জলে।
কুমাৰে তৰ্পণ কৈলা কুটুম্ব সকলে॥ ২৩৩৯
নিৰন্তৰে জ্ঞাতিয়ে কৰিল জলদান।
তেতিক্ষণে আসি ভৈলা ইন্দ্ৰৰ বিমান॥
তীৰ্থজল পান কৰি তৃপিত ভৈলন্ত।
ৰথে চড়ি দশৰথ স্বৰ্গক গৈলন্ত॥ ২৩৪০
ইন্দ্ৰে আসি কতো দূৰ আগ বঢ়াই নিলা।
আপোনাৰ অৰ্দ্ধাসন তাঙ্ক এৰি দিলা॥
পাছে প্ৰজা সব উঠি চালিলন্ত গাৰ।
পিণ্ড দিয়া ভৰত লৰিলা নিজ ঠাৰ॥ ২৩৪১
আগে পাছে গৈল প্ৰজা পীড়িলেক শোকে।
ইন্দ্ৰক পীড়িল যেন অসুৰৰ লোকে॥
দূৰতে ভৰতে দেখি অযোধ্যা নগৰী।
প্ৰজাক সম্বুধি মাতিলন্ত মন্যু কৰি॥ ২৩৪২
ৰাম দশৰথে শূন্য গ্ৰাম দেখা জনে।
নাৰীক নোশোভে যেন স্বামী অবিহনে॥
তেজিলোহো সবে দেশ যত বন্ধুজন।
বিনা বাপ ভাই মোৰ নিষ্ফল জীৱন॥ ২৩৪৩

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ভৰতক বুলিলা ব্ৰাহ্মণ মহামাত্ৰ।
ধৰ্ম্মপাল নামে নৃপতিৰ পূৰ্ব্বপাত্ৰ॥
অনুশোচ পৰিহৰা ভৰত কুমাৰ।
কান্দিলে কি আসে আউৰ জনক তোমাৰ॥ ২৩৪৪
স্বৰ্গে গৈলা দশৰথ ৰজা মহাজন।
ক্ৰন্দন কৰিয়া তাঙ্ক পেলাইবাক মন॥
কান্দিলে বাহুড়ে যেবে মৰাৰ জীৱন।
আজি কান্দি জীয়াইব সকলে বন্ধুজন॥ ২৩৪৫
শুনিয়া ভৰতে পাছে তেজিলন্ত শ্বাস।
অযোধ্যা পশিলা পাছে বাপৰ আবাস॥
শূন্য থান দেখিয়া সবাৰে মন জীণ।
তৃণ শয্যা দোভায়ে কৰিলা দশদিন॥ ২৩৪৬
দশ পিণ্ড দিলন্ত আৰৰ দশ কৰ্ম্ম।
ত্ৰিদশা কৰিলা যতেক কুল ধৰ্ম্ম॥
একদশা দোৱাদশা শ্ৰাদ্ধ নিবৰ্ত্তিল।
নানাবিধ দান পাছে ব্ৰাহ্মণক দিল॥ ২৩৪৭
হাতী ঘোড়া ৰথ যত চতুৰ্দ্দোল যান।
দাসী দাস ৰূপা সোণা গৃহ বস্ত্ৰদান॥
তাম্বুল ভোজন মাল্য আৰো বৰবস্ত্ৰ।
শয্যা ধেনু বৃষভ দিলন্ত বৰছত্ৰ॥ ২৩৪৮
ইসব পূৰ্ব্বকে যত বাপৰ উদ্দেশে।
দিলা দান কৰ্ম্মকাণ্ড কৰিলা নিশেষে॥

———

ৰামক ওলোতাই আনিবলৈ ভৰতৰ উদ্যোগ।

সৰ্ব্বকাৰ্য্য নিৰ্ব্বৰ্ত্তিলে ৰজনী পোহাইল।
বৰ বৰ পাত্ৰ ভৰতৰ পাশে আইল॥ ২৩৪৯
শুনিলো ভৰত আমিসবৰ বচন।
মনুষ্য পৰিহৰ সবে দেশ হেৰে ছন্ন॥
অন্তকালে বাপে তোৰ মতিহীন ভৈল।
ৰামে বনবাস দিয়া ৰাজা স্বৰ্গে গৈল॥ ২৩৫০
পাত্ৰ সবে আসি আমি আলোচিলো কাজ।
সম্ভাৰ মিলাইলো আবে জান্তে লৈয়ো ৰাজ॥
ভৰতে বোলন্ত যেবে মই লৈবো ৰাজ।
মইসে কৰিলো তেবে যতেক অকাজ॥ ২৩৫১
দেশে দেশে অখ্যাতি থাকিব ত্ৰিভুবনে।
এতেক অকাজ ভৈল ভৰতৰ মনে॥
জ্যেষ্ঠ ভাই গুৰু সম তান মই ভৃত্য।
চৰণত সেৱা কৰি থাকিবোহো নিত্য॥ ২৩৫২
আউৰ বাৰ হেন নিদিবাহা উপদেশ।
সৈন্য সজায়োক বনে হৈবোহো প্ৰবেশ॥
জ্যেষ্ঠ ভাইৰ ৰাজ্য মই কেনে কৰো ভোগ।
বেদত শাস্ত্ৰত জ্যেষ্ঠৰেসে ৰাজযোগ॥ ২৩৫৩
কিমতে লঙ্ঘিবো সিটো বেদৰ বচন।
ৰামক আনিবে প্ৰতি চলি যাইবো বন॥
ৰামক আনিয়া ৰজা পাতিবো ৰাজ্যত।
মই প্ৰতিপালিবোহো পিতৃৰ শপত॥ ২৩৫৪
ৰাম বিনে ইটো ৰাজ্য পালে কোনজনে।
সিংহৰ কাৰ্য্যক মৃগে কৰিব কমনে॥
নিষ্ঠে বোলো মোহোৰ ৰাজ্যত নাহি আশ।
ৰামৰ বদলে খাটিবোহো বনবাস॥ ২৩৫৫
শুনিয়ো সুমন্ত্ৰ মোৰ বচন পালিয়ো।
পন্থভাল কৰিবাক সৈন্য পাঞ্চি দিয়ো॥
শৃঙ্গবেৰপুৰ গুহ নৃপতিৰ পাট।
গঙ্গা তীৰ সীমা কৰি চাঞ্চিয়োক বাট॥ ২৩৫৬
দীঘি সব নিৰ্ম্মল কৰোক থানে থানে।
অসংখ্যাত ভাণ্ডাৰ চলায়ো বিদ্যমানে॥
ভোজন সম্ভাৰ চলায়োক বহুতৰ।
সৈন্যৰ বিহাৰ সজায়োক বাসাঘৰ॥ ২৩৫৭

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

নকৰিয়ো বিলম্ব শুনিয়ো মন্ত্ৰীবৰ।
মই সুখে আছো ৰাম বনৰ ভিতৰ॥
যেন ঈশ্বৰৰ উপবাস পৰে নিত।
ভৃত্য সবে ভোজন কৰয় পঞ্চামৃত॥ ২৩৫৮
ভৰতৰ আজ্ঞা মন্ত্ৰী শিৰত ধৰিল।
তেতিক্ষণে অসংখ্য সৈন্যক পাঠি দিল॥
খাল খোপ পুৰি কৰিলেক ৰাজ বাট।
দীঘি সব খানিল কৰিল শিলে ঘাট॥ ২৩৫৯
ভৰতৰ বহিবাক আবাস কৰাইল।
ভোজন সম্ভাৰে বহু ভাণ্ডাৰ ভৰাইল॥
দোকান বাজাৰ হাট কৰে থানে থান।
অনন্তৰে মন্ত্ৰী ভৰতক দিলা জান॥ ২৩৬০
শুনিয়া ভৰতে চলিবাক সাজ ভৈলা।
দেখিয়া বশিষ্ঠে তাঙ্ক বুলিবাক লৈলা॥
শুনিয়ো ভৰত তুমি বচন আমাৰ।
ভালমতে নুবুজিলো চৰিত্ৰ তোমাৰ॥ ২৩৬১
তোমাৰ মাতৃৰ বোলে তেজি ইটো ৰাজ।
ভাৰ্য্যা ভ্ৰাতৃসমে ৰাম আছে বন মাজ॥
ৰাজ্য সুখ এৰি বন ফল কৰে ভোগ।
তাঙ্ক হিংসা কৰিতে তোমাৰ নোহে যোগ॥২৩৬২
তোমাৰ মাতৃয়ে দিয়া আছে বহু খেদ।
তুমিয়ো কৰিতে কেনে চাহা বন্ধুছেদ॥
বুলিবাহা ৰামক আনিবে প্ৰতি যাওঁ।
ইটো বচনক আমি কেনে পতিয়াওঁ॥ ২৩৬৩
তোমাৰ কপট ভৈল বিদিত পূৰ্ব্বত।
ছদ্মে ৰাজ্য লোৱাইলাহা মাতৃৰ হাতত॥
এবে কেনে জানিবো তোমাৰ শুদ্ধ মন।
বুলিলা ভৰতে শুনি কৰি ক্ৰোধ মন॥ ২৩৬৪
অপকাৰ তোমাক কৰিছো মই কিস।
কেনে বৰিষিলা গুৰু ইটো বাক্য বিস॥
ভূত ভৱিষ্যৎ তুমি জানাহা আপুনি।
বুলিলা ইসব বাক্য কিসক নুগুণি॥ ২৩৬৫
তুমিও জানিলা মোৰ কপট চিত্তত।
হিয়া নোহে কাটি দেখাওঁ তোমাৰ আগত॥
নিদাৰুণ বাক্যে দিলা হৃদয়ত শাল।
কুলগুৰু হুয়া আজি খাইলা তুমি কাল॥ ২৩৬৬
আনে কি ইসব বাক্য বুলিবেক মোক।
দেখাইলোহো হন্তে আজি তাক যমলোক॥
স্বৰূপত নাহিকে তোমাৰ গুৰু দোষ।
কৈকেয়ী মাৱেসে কৰাইলে অসন্তোষ॥ ২৩৬৭
স্বপ্নতো যি সব কাৰ্য্য নজানোহো মনে।
পাইলো ইটো দুষ্কীৰ্ত্তিক মাতৃৰ কাৰণে॥
মই ৰাজা হওঁ ৰাম যাইব বনবাস।
সপোনতো যদি মোৰ আছে ইটো আশ॥ ২৩৬৮
কৰোহো শপত গুৰু তোমাৰ আগত।
তুমি হেন সহস্ৰ ব্ৰাহ্মণ কৰো হত॥
সহস্ৰ কপিলা মাৰো গঙ্গাৰ তীৰত।
পূৰ্ব্ব পুণ্য আছে যত সিও হৌক হত॥ ২৩৬৯
গোত্ৰহত্যা সুৰাপান অগম্যা গমন।
মহাপাপ ব্ৰাহ্মণৰ সুৱৰ্ণ হৰণ॥
ইসব প্ৰমুখ্যে পাপ কৰো নিৰন্তৰ।
যেবে মই দ্ৰোহ চিন্তি আছোহো ৰামৰ॥২৩৭০
মইতো জানো ৰামেসে সুহৃদ মোৰ প্ৰাণ।
ৰামৰ চৰণ বিনে নজানোহো আন॥
ৰামে জপ তপ মোৰ ৰামে ইষ্ট দেৱ।
ৰামৰেসে চৰণক কৰিবোহো সেৱ॥ ২৩৭১
যত যত মহাগুণ আছয় ৰামত।
ত্ৰিভুবন মধ্যে কোনে কহিবে শকত॥
সৰ্ব্বক্ষণে দেৱ দ্বিজ গুৰুত ভকত।
পিতৃত মাতৃত সৰ্ব্বক্ষণে অনুগত॥ ২৩৭২

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

পৰম বিনীত বেদ শাস্ত্ৰত কুশল।
ধনুৰ্ব্বেদ আদি বিদ্যা জানন্ত সকল॥
ক্ৰোধে যমকাল যেন ক্ষমাই বসুমতী।
গম্ভীৰে সাগৰ যেন বুদ্ধি বৃহস্পতি॥ ২৩৭৩
সৰ্ব্বগুণে বিধি যেন বেশত গন্ধৰ্ব্ব।
ৰাজাৰ লক্ষণ ৰামতেসে আছে সৰ্ব্ব॥
চলিবোহো নিশ্চয় ৰামক আনিবাক।
কাতৰ কৰোহো গুৰু নিদিবাহা হাক॥ ২৩৭৪
প্ৰীতি কৰি আনি থাপি ৰামক ৰাজ্যত।
মই বনে থাকি পালো পিতৃৰ শপত॥
বশিষ্ঠে বোলন্ত দশৰথৰ কুমাৰ।
মই ভালে জানো শুদ্ধ মতিক তোমাৰ॥ ২৩৭৫
চিত্তক লখিতে কৰিলোহো পৰিহাস।
সাৰ্থক ৰঘুৰ বংশে তোমাৰ নিবাস॥
বিলম্ব নকৰি চল সত্বৰে বনক।
তোমাৰ প্ৰসাদে দেখো আমিও ৰামক॥ ২৩৭৬
ভৰতে বোলন্ত মন্ত্ৰী চালিয়োক গাৰ।
সেনাপতি সব মোৰ সত্বৰে চলাও॥
হস্তী ঘোড়া ৰথ আগে কৰোক পয়াণ।
ৰথখান সাজিয়া সত্বৰ কৰি আন॥ ২৩৭৭
শিৰত ধৰিয়া ভৰতৰ আজ্ঞা বাণী।
সৈন্যক চলায়া ৰথ মিলাইলন্ত আনি॥
দেখি শত্ৰুঘনে সমে চড়িলা ৰথত।
ৰক্ষণ বিহিয়া চলি গৈলন্ত ভৰত॥ ২৩৭৮
শুনা সামাজিক ৰাম চৰিত্ৰ উপাম।
সংসাৰ নিৰ্ম্মল হোক বোলা ৰাম ৰাম॥ ২৩৭৯

ৰামক আনিবলৈ ভৰতৰ যাত্ৰা। ৰামৰ বিপদ-আশঙ্কাত গুহৰ বাধা দিবলৈ উদ্যোগ॥

দুলড়ী।

চড়িয়া ৰথত লৰিলা ভৰত
ৰক্ষণ বিহি ৰাজ্যত।
কৌশল্যা সুমিত্ৰা কৈকেয়ী চলিলা
ৰথত চড়ি পাছত॥
নিজ কুল গুৰু বশিষ্ঠ প্ৰমুখ্যে
ব্ৰাহ্মণ আছন্ত যত।
ভৰতৰ আগ হৈয়া চলিলন্ত
চড়িয়া নিজ ৰথত॥ ২৩৮০
ক্ষত্ৰী বৈশ্যগণ কায়স্থ সজ্জন
নট ভাট তেলী তান্তী।
ঠঠাৰি সোণাৰি কঁসাৰ সেঙ্খাৰী
ভৰতৰ লগে যান্তি॥
বনিয়া চমাৰ কমাৰ সুতাৰ
ধোবা আৰো কুম্ভকাৰ।
ইসব প্ৰমুখ্যে চলিল যতেক
আদি অন্ত নাহি তাৰ॥ ২৩৮১
মনত উৎসুকে নাৰীগণে বোলে
স্বামী আৰো কিবা চাহা।
চলিয়ো সত্বৰে ভৰতৰ লগে
ৰামক আনিবে যাহা॥
বিলম্ব নকৰা হেৰা দেউ ধৰা
কৰ্পূৰ তাম্বুল খাহা।
ৰামক দেখিবো শোক পাসৰিবো
সত্বৰে গৈয়া আনাহা॥ ২৩৮২
শুনি চলিলন্ত নাহি আদি অন্ত
লৰিল পদাতি যত।
পাৱৰ প্ৰহাৰে পৃথিবী কম্পায়া
চলে হস্তী ময়মত্ত॥
বেগে বায়ু জিনি তেজিয়া হেসনি
চলিল যত ঘোটক।
আড়ম্বৰ কৰি খাণ্ডা বাৰু ধৰি
অসংখ্য চলে সুভট॥ ২৩৮৩

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বাৰে ঢাক ঢোল শৰদৰ ৰোল
যেহেন মেঘে গৰ্জ্জয়।
চমক মনত গিৰি গহ্বৰত
নিৰ্ঘাত যেন পৰয়॥
এহিমতে চলি গৈয়া নিৰন্তৰে
পাইল পাচে গঙ্গাতীৰ।
পথ শ্ৰম যত এৰাইল সমস্ত
পান কৰি গঙ্গানীৰ॥ ২৩৮৪
ভৰতে বোলন্ত সম্প্ৰতি ৰহোক
সবে প্ৰজা এহি থান।
সুৰ নদী জলে আমি কৌতূহলে
কৰোহো অঞ্জলি দান॥
ভৰতৰ বাণী নিৰন্তৰে প্ৰজা
শিৰোগত কৰি লৈল।
কটক অপাৰ সবে আপোনাৰ
থানে থানে থিত ভৈল॥ ২৩৮৫
অনন্তৰে শৃঙ্গ- ৰেৰ অধিপতি
দেখিলন্ত গুহ ৰাজ।
মুখ্য মুখ্য পাত্ৰ গণক বোলন্ত
মিলিল দেখোঁ অকাজ॥
দশো দিশে পৰ দলে বেঢ়িলেক
সমুদ্ৰ যেন অপাৰ।
পক্ষী পৰিবাৰো নাহিকয় থল
ধূলায়ে ভৈল আন্ধাৰ॥ ২৩৮৬
দিশক ব্যাপিল অকাৰ্য্য মিলিল
মোৰ অন্তৰ্গতে ভয়।
ইক্ষাকু বংশৰ সেনা নিৰন্তৰ
নাহিকে তাত সংশয়॥
ইটে ধ্বজ দণ্ড পতাকা দেখিয়া
জানিলোহো স্বৰূপত।
আনহেতু নাই ৰামক মাৰিতে
আসিলা সাজি ভৰত॥ ২৩৮৭

কৈকেয়ী মাৰৰ হাতে ৰাঘবৰ
কৰিলা ৰাজ্য নৈৰাশ।
বাপেকৰ হাতে কপটে ৰামক
দিয়াইলেক বন বাস॥
ৰাজ্য ভাৰ লৈয়া বনবাস দিয়া
তথাপিতো ক্ষমা নাই।
সবাকে হানিয়া মৰিবো সেঠবে
এৰাইয়া আজি নযাই॥ ২৩৮৮
মোৰ প্ৰভু ৰাম আছে বনমাজে
তেবে মোৰ মহাভাগ।
ধিক ধিক মোৰ জীৱন নিস্ফল
মোহোৰ ইটো অযোগ॥
হৃদয়ত যত আছে গুল গুলি
ভৰতত সবে সাৰো।
হস্তী ঘোড়া যত পদাতি সমস্ত
মুণ্ডে মুণ্ডে হানি মাৰো॥ ২৩৮৯
ৰামসে মোহোৰ নিজ অধিকাৰা
মই ভৃত্য ৰাঘৱৰ।
যত সেনা বল চতুৰঙ্গ দল
সজায়ো মোৰ সত্বৰ॥
ইটো পৰদল সেনাৰ সকলে
লগাইবোহো হৃদিকম্প।
আতি আড়ম্বৰে গৰুড়ে সাগৰে
যেন কৰিবোহো ঝাম্প॥ ২৩৯০
ভৰতে আগত চাহিয়া দেখোক
মোহোৰ বল বিক্ৰম।
বীৰ সৈন্য মাৰি হৃদয় বিদাৰি
শোণিতে কৰো কৰ্দ্দম॥
আউৰ কিবা চাৰ কোটি সংখ্যা নাৰ
সজায়ো জাণ্টে আমাৰ।
নকৰিবা দৈন্য যেন পৰ সৈন্য
গঙ্গাত নুহিকে পাৰ॥ ২৩৯১

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

শুতিয়া অশেষ ৰাজাৰ আদেশ
পৰি তৈতে তল পাইল।
সেনাপতি সবে অশেষ সেনাক
সাজিয়া আনি মিলাইল॥
হাতী ঘোড়া ৰথ সাজিয়া বজাইল
চণ্ডাল সেনা সকল।
দেৱতাক ধাৰে যেন চমৎকাৰে
চলে অসুৰৰ দল॥ ২৩৯২
সেনা ভৈলা সাজ দেখি গুহৰাজ
হৰিষ কৰে মনত।
আতি খৰতৰ সেনা ভৰতৰ
দেখিল কত দূৰত॥
হাঙ্কাৰ কৰিল সেনা ঝিঙ্কৰিল
দেৱ দাক্ষি আতি কৰে।
গৰ্ব্বে ছাড়ে ডাক জোকাৰে খাণ্ডাক
পৃথিবী কাম্পয় ভৰে॥ ২৩৯৩
উভয় সেনাৰ আৰাৱে অপাৰ
লাগি গৈল ধসমসি।
পায়া পয়োভৰ খলকে সাগৰ
পৰ্ব্বতো পৰয় খসি॥
কৰয় আস্ফাল কম্পয় পাতাল
সৰ্পগণ তলবল।
ভৰ সহিবাক নপাৰি পৃথিবী
যেন যান্ত ৰসাতল॥ ২৩৯৪
শুনা ৰামায়ণ সভাসদ গণ
শৰণ লৈয়ো ৰামত।
ৰাম গুণ নাম গাৱা অবিশ্ৰাম
তৰা সুখে সংসাৰত॥
ভকত জনৰ জানা নিজধন
ৰামৰ চৰণ দুই।
মুখ ভৰি ভৰি বোলা ৰাম হৰি
লাগোক পাপত জুই॥ ২৩৯৫

ভৰতৰ লগত গুহৰ মিলন আৰু ৰামৰ বৃত্তান্ত
শুনি ইঙ্গুদিগছৰ তলত বহি ভৰতৰ বিলাপ।

পদ

এহিমতে পাছে ভাগীৰথী তীৰ জুৰি।
উভয় সেনাৰ লাগি গৈল হুড়াহুড়ি॥
দুই গোটা সেনাৰ লাগিল পঞ্চ কাণ্ডি।
শৰক প্ৰহাৰি শালি থোৱে মুণ্ডেগাণ্ডি॥ ২৩৯৬
যুজিবাক দিয়ো হাক আমাৰ সেনাক।
দেখি গুহে মন্ত্ৰীক বুলিলা পাছে বাক॥
অবিচাৰে প্ৰথমত যুদ্ধ কৰো যেবে।
পৰ্য্যন্তে আমাৰ ঘাটি মিলিবেক তেবে॥ ২৩৯৭
প্ৰথমতে ভৰতক ভেটিবাক যাওঁ।
ভালমতে তান চিত্ত জিজ্ঞাসিয়া চাওঁ॥
শুনি আছো ভৰতৰ ৰামত ভকতি।
ৰামক নিবাক যেবে আসিছে সম্প্ৰতি॥ ২৩৯৮
তেবে যুজিবাক যোগ্য আমাৰ নোহয়।
ৰাম যেন আমাৰ ভৰতো সেহি নয়॥
ৰামৰ চৰণে মাত্ৰ মোৰ যেন চিত।
ভৰততো হয় সেৱা কৰিতে উচিত॥ ২৩৯৯
এখন উচিত নেদেখোহো যুজিবাক।
এহি বুলি আপোন সৈনক দিলা হাক॥
তেতিক্ষণে অনেক সৈনক সাজি লৈলা।
ভৰতক ভেটিবাক গুহ চলি গৈলা॥ ২৪০০
পাত্ৰ মন্ত্ৰী সেনা বেঢ়ি চলিল অপাৰ।
সমস্তে দেখিল পাছে গুহ আসিবাৰ॥
আথে বেথে মন্ত্ৰী ভৰতত জান দিল।
তোমাক ভেটিতে গুহ নৃপতি আসিল॥ ২৪০১
ৰামৰ পৰম এহো সখা মহাহিত।
সতৰ্কাৰ কৰিবাক তোমাৰ উচিত॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

দেখিলোহো ৰামে যেন আশ্বাস কৰিল।
আলিঙ্গি ধৰিয়া তান মাথে চুমা দিল ॥ ২৪০২
জানি আঙ্ক ভালমতে কৰিয়ো সাদৰ।
আতে হন্তে বাৰ্ত্তা তুমি পাইবাহা ৰামৰ ॥
ভৰতে দিলন্ত সুমন্ত্ৰক আজ্ঞাবাণী।
আপুনি সৎকাৰ মন্ত্ৰী কৰা আঙ্ক জানি ॥ ২৪০৩
শুনিয়া সুমন্ত্ৰ আথেবেগে গৈলা চলি।
তুলিলন্ত হাসি দুয়ো দুহাঙ্কো আকুলি ॥
গুহ নৃপতিক মন্ত্ৰী আলিঙ্গি ধৰিল।
মধুৰ বচন বুলি আশ্বাস কৰিল ॥ ২৪০৪
ভৰতক আগত দুইহন্তো গৈলা চলি।
দেখি ভৰতক গুহে কৰি কৃতাঞ্জলি ॥
বিদূৰতে দেখি দণ্ডৱতে পৰিলন্ত।
পাছে জানু পাৰি নম্ৰভাৱে ৰহিলন্ত ॥ ২৪০৫
গুহৰ ভকতি দেখি ভৰত কুমৰ।
প্ৰিয়বাক্যে পূজা কৰিলন্ত বহুতৰ ॥
সুমন্ত্ৰ কহিছে মোত তোৰ গুণ যত।
মহাশুদ্ধ ভাৱ তই ৰামত ভকত ॥ ২৪০৬
ৰামৰ বৃত্তান্ত যত তুমি আছা জানি।
কহিয়ো আমাত তান কল্যাণ কাহিনী ॥
ৰামৰ বৃত্তান্ত তোত নাহি অবিদিত।
কহিয়ো ৰামৰ বাৰ্ত্তা হৌক থিৰ চিত ॥ ২৪০৭
শুনি গুহ ৰাজা পাছে বুলিলা বচন।
কেনমতে জানিবো তোমাৰ শুদ্ধমন ॥
ভালমন্দ তোমাৰ জানিতে মই চাওঁ।
তেৱেসে ৰামৰ বাৰ্ত্তা তোমাত জনাওঁ ॥ ২৪০৮
কেনমতে কহিবোহো ৰামৰ কাহিনী।
পৰচিত্ত অন্ধকাৰ একোৱে নজানি ॥
ভৰতে শুনিলা বাক্য গুহ নৃপতিৰ।
বজ্ৰৰ প্ৰহাৰে হিয়া যেন ভৈল ছিৰ ॥ ২৪০৯

চাণ্ডালে গৰিহা মোক কৰিবাক পাইল।
কৈকেয়ী মাৱেসে মোক দুৰ্যশ কৰাইল ॥
চুইবে ভাল নহে সৰ্ব্ব জাতিতো অধম।
তাহাৰো ৰামত ভৈল ভকতি উত্তম ॥ ২৪১০
আমাক গৰিহা কৰে অধম চণ্ডাল।
ই লাজত কৰি মোৰ মৰণেসে ভাল ॥
এহিবুলি তেজি বীৰ দীৰ্ঘ নিশ্বাসক।
মহা মনোদুখে পাছে বুলিলা গুহক ॥ ২৪১১
যিবোল বুলিলা গুহ উচিত তোমাৰ।
মাতৃসে দিয়াইল মোক ইসব সংসাৰ ॥
মইটো জানো ৰামেসে জীৱন মোৰ প্ৰাণ।
পিতৃতো অধিক মোৰ ৰামেসে প্ৰধান ॥ ২৪১২
তান বনবাস দুখ মাতৃৰ কাৰণে।
তাহাঙ্ক নিবাক প্ৰতি প্ৰবেশিলো বনে ॥
ৰামত কপট চিত্ত নাহিকে আমাৰ।
কহিলো স্বৰূপকথা আগত তোমাৰ ॥ ২৪১৩
পিতৃ তুল্য শ্ৰীৰামক আনিবাক যাওঁ।
মিছা যদি বোলো ব্ৰহ্ম বধ পাপ পাওঁ ॥
ভৰতৰ সত্য শুনি সহৰিষ মনে।
গুহৰাজে সম্বুধি বুলিলা তেতিক্ষণে ॥ ২৪১৪
স্বৰ্গক সাধিলা তুমি ভৰত কুমাৰ।
ৰাম হেন শ্ৰেষ্ঠ ভাইত ভকতি তোমাৰ ॥
সাফল জীৱন তুমি মুকুতি সাধিলা।
তুমি হেন ভাই ৰামে ভাগ্যেসে লভিলা ॥ ২৪১৫
দশৰথ সুত তুমি ৰাঘৱৰ ভাই।
মোৰ ঘৰ জানা যেন আপোনাৰ ঠাই ॥
ৰাতি গোট থাকিও অৰ্চ্চনা কিছু কৰো।
সকলে সেনাক এক সাঞ্জ আল ধৰো ॥ ২৪১৬
হেন শুনি বুলিলন্ত ভৰত কুমাৰ।
কিনো অদভুত দেখো শকতি তোমাৰ ॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ধন্য তোৰ জীৱন সাফল তোৰ সাস।
এতেক সৈন্যক আল ধৰিবাক চাস ॥ ২৪১৭
প্ৰশংসি ভৰতে হৰিষক বৰ পাইল।
মনুষ্য পঠাইয়া সব সম্ভাৰ অনাইল ॥
ভক্ষ্য ভোজ্য মৎস্য মাংস বহু ফলমূল।
থানে থানে থোৱাইল পৰ্ব্বত যেন থুল ॥ ২৪১৮
ভৰতে সসৈন্যে পাছে আহাৰ কৰিল।
দুয়ো ভাই কিছু শোক দুখ পাসৰিল ॥
পৰ্ব্বত সমান শোকে পুনুহো জান্তিল।
গুহ নৃপতিক পাছে সম্বুধি মাতিল ॥ ২৪১৯
মোহোৰ দদাৰ শোক নুহি উপশাম।
কোথা গৈয়া দেখিবো লক্ষ্মণ-সীতা-ৰাম ॥
তিনিক সুমৰি আমি নিদ্ৰাক নপাওঁ।
ইঙ্গুদি বৃক্ষৰ মূলে তৃণ শয্যা চাওঁ ॥ ২৪২০
শ্ৰীৰামৰ সন্তাপে দগধ ভৈলা চিত।
মন উতপাত কৰে ত্বৰিতে দেখিত ॥
আগত কুমৰ দুই গুহ ভৈল পাছ।
দেখাইলা দুইহাঙ্কো নিয়া ইঙ্গুদিৰ গাছ ॥ ২৪২১
দেখা হেৰা শ্ৰীৰামৰ তৃণ শয্যাখন।
পহৰ ধৰিলো মই মন্ত্ৰৰ লক্ষণ ॥
দুই ভাই প্ৰভাততে নিৰ্ম্মিলন্ত জট।
সুমন্ত্ৰৰ মোৰ দেখি মিলিল সঙ্কট ॥ ২৪২২
সুমন্ত্ৰ সহিতে এথা এৰিলন্ত ৰথ।
তিনি জনে ভূমি পাৰে ধৰিলন্ত পথ ॥
গঙ্গা পাৰ হুয়া ভৈলা বনত প্ৰবেশ।
সুমন্ত্ৰ সহিতে পৰি কান্দিলো অশেষ ॥ ২৪২৩
ভৰতে ৰামৰ সিটো তৃণ শয্যা চাই।
শত্ৰুঘনে সমে কান্দিলন্ত দুয়ো ভাই ॥
মহামৰ্ম্মে দুইবো যেন প্ৰাণ যাই ফুটি।
হা ৰাম বুলি কান্দে পৃথিবীত লুটি ॥ ২৪২৪

ইসব অৱস্থা দেখি কেনে জীওঁ প্ৰাণে।
তোমাৰ নিকাৰ মই পাপীৰ নিদানে ॥
আশেষ কান্দন্ত দুয়ো আৰ্ত্তনাদ কৰি।
গুহৰাজ সুমন্ত্ৰ কান্দন্ত দুইকো ধৰি ॥ ২৪২৫
হা ৰাম বুলিয়া কান্দন্ত চাৰিজন।
চমকি উঠিল শুনি কৌশল্যাৰ মন ॥
শত্ৰুঘন ভৰতৰ শুনিলন্ত মাত।
ৰাম ৰাম বুলি কান্দে শুনিলা সাক্ষাত ॥ ২৪২৬
বুলিলা বচন পাছে সুমিত্ৰাক চাই।
ৰামৰ অবাৰ্ত্তা জানো পাইলে দুয়ো ভাই ॥
ৰাম বুলি অন্যথা কান্দিবে কি কাৰণে।
ৰাম সীতা লক্ষ্মণৰ কিবা ভৈলা বনে ॥ ২৪২৭
সুমিত্ৰা সহিতে এহি বুলি ৰাম মাৰে।
মিলিলা তহিতে গৈয়া বিয়াকুল ভাৱে ॥
শত্ৰুঘন ভৰত কান্দন্ত পৰি দুই।
কৌশল্যাৰ গাৱত লাগিল যেন জুই ॥ ২৪২৮
কৌশল্যা সুমিত্ৰা ধৰি দুইহান্তৰ গলে।
দীৰ্ঘ ৰাৱে কান্দিলন্ত হাকলে বিকলে ॥
বৎসক নপায়া যেন ধেনু হামলাৱে।
কুৰুই বিলাপ যেন কৰে আৰ্ত্তৰাৱে ॥ ২৪২৯
ঐ বাপ শত্ৰুঘন কহিও ভৰত।
ৰামৰ অবাৰ্ত্তা কিবা শুনিলি বনত ॥
জানিলো তাতেসে দুয়ো কান্দ আৰ্ত্তনাদে।
প্ৰাণ ফুটি যায় মোৰ ৰামৰ বিষাদে ॥ ২৪৩০
সত্বৰে কহিও কিবা ভৈল অথন্তৰ।
কিবা মন্দ বাৰ্ত্তা বাপু পাইলিহি ৰামৰ ॥
হা ৰাম লক্ষ্মণ জানকী মোৰ আই।
তোমাসাৰ বনে কিবা মিলিল বিলাই ॥ ২৪৩১
কিসক নমাতা মোক ঐ বাপ ভৰত।
কহিয়োক নিষ্ঠ কৰি মোৰ ৰাম শপত ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

এহি বুলি মূৰ্চ্ছা গৈলা শ্ৰীৰামৰ মাৰে।
দেখি আনো নাৰী সবো কান্দে দীৰ্ঘৰাৱে ॥ ২৪৩২
হা ৰাম ক্ৰন্দনৰ উথলিল ৰোল।
দশো দিশ বিয়াপি লঙ্ঘিল স্বৰ্গকোল ॥
অনন্তৰে শত্ৰুঘন ভৰত দুই ভাই।
দেখিলন্ত মূৰ্চ্ছা গৈয়া আছে দুয়ো আই ॥ ২৪৩৩
আথেবেথে দুইকো দুই ধৰি তুলিলন্ত।
সুস্থ হুয়া দুয়ো আই প্ৰবোধ বোলন্ত ॥
ৰামৰ অবাৰ্ত্তা মাৰ আন কিছু নাই।
কান্দিলোহো আমি তান তৃণ শয্যা চাই ॥ ২৪৩৪
ইঙ্গুদি বৃক্ষৰ তলে তৃণৰ শয্যাত।
সীতা সমে ৰামে শুতি আছিলা এথাত ॥
ইহাক দেখিয়া কান্দো কিছু নাহি আন।
হস্তী ঘোড়া ৰথে যাক ধৰয় যোগান ॥ ২৪৩৫
দুগ্ধফেন সম শুক্ল কোমল শয্যাত।
ইন্দ্ৰ সম সুখে শুতি থাকন্ত সাক্ষাত ॥
কুসুম চন্দন গন্ধে ভূষিত কৰিয়া।
পদ্মিনী সেৱয় কৰে চামৰ ধৰিয়া ॥ ২৪৩৬
হেনয় প্ৰভুৰ তৃণশয্যা তৰুতলে।
ইহাক দেখিয়া মোৰ গাৱে জুই জ্বলে ॥
নানা বাদ্য নৃত্য গীতে জগাৱে যাহাক।
বনৰ চাটকে আৰে চিয়াৱে তাহাক ॥ ২৪৩৭
ধ্বজ দণ্ড ছত্ৰ আদি যাহাৰ যোগান।
নানাবিধ তৰু ভৈল ধ্বজদণ্ড তান ॥
সদাই ভুঞ্জন্ত যিটো দিব্য পঞ্চামৃত।
আৰে বন ফল শাক মাংস ভুঞ্জা নিত ॥ ২৪৩৮
দিব্য বস্ত্ৰ অলঙ্কাৰ যাৰ পৰিধান।
বৃক্ষচৰ্ম্মে জটায়ে ভূষণ ভৈল তান ॥
ভাল ভাল মনুষ্যেসে যাহাৰ প্ৰহৰী।
এবে বন জন্তুসে প্ৰহৰ থাকে ধৰি ॥ ২৪৩৯
হস্তী ঘোড়া ৰথে যাৰ পয়াণ স্বভাৱে।
হেন ৰামে কিমতে হাহন্ত ভূমি পাৱে ॥
পদ্মকোষ সম যাৰ সুকোমল ভৰি।
শিলা খোলা কণ্টক সহয় কেন কৰি ॥ ২৪৪০
ৰাজ্যভোগ অলঙ্কাৰ ময়ো পৰিহৰো।
বন ফল ভুঞ্জোহো শিৰত জটা ধৰো ॥
তৃণ শয্যা কৰোহো পিন্ধোহো বৃক্ষচৰ্ম্ম।
ৰামৰ সেৱক মই ধৰো তান ধৰ্ম্ম ॥ ২৪৪১
এহিমতে অঙ্গীকাৰ কৰিলন্ত যত।
তাপসৰ চিহ্ন যত ধৰিলা ভৰত ॥
আপোনাতে দেখি বীৰে ৰাঘৱৰ বেশ।
মোৰ প্ৰভু ৰাঘৱৰ হেন ভৈলা ক্লেশ ॥ ২৪৪২
ৰাঘৱৰ দুখক সুমৰি পোৰে মন।
মাতৃক শুনায়া বীৰে বুলিলা বচন ॥
হা মাৰ কৈকেয়ী কৰিলি তই কিস।
পূৰ্ণ অমৃতৰ ঘটে ঢালিলিহি বিষ ॥ ২৪৪৩
ৰামৰ নিকাৰ তই পাপিনীৰ কাজে।
ৰাজ্য এৰি ৰামচন্দ্ৰ আছে বনমাজে ॥
স্বামীক মৰাইলি মোক কৰাইলি দুৰ্যশ।
আচৰি ৰামৰ দ্ৰোহ এখনো জীৱস ॥ ২৪৪৪
গলে কাঠ চিপি তোক মাৰিবাক পাৰো।
মাতৃবধ লাগিবে ইহাতে মই হাৰো ॥
কিনো নিদাৰুণী তোৰ ৰামত কপট।
নুহিকে ৰজাৰ জীৱ জনিলেক নট ॥ ২৪৪৫
ভৰতৰ বাণী শুনি জননী ৰামৰ।
কিছু সুস্থ ভৈলা শোক গুচিল চিত্তৰ ॥
গুহক ভৰতে পাচে বুলিলা বচন।
শ্ৰীৰাম দদাক কেনে পাওঁ দৰশন ॥ ২৪৪৬
চৰণত ধৰিয়া ৰাজ্যক লাগি নিবো।
পিতৃৰ পাটত তাঙ্ক নৃপতি পাতিবো ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

অযোধ্যাৰ লোক তান সেবিব চৰণ।
পালন্তোক ৰামে ৰাজ্য মই খাটো বন ॥ ২৪৪৭
শুন গুহৰাজ তই নিজ গৃহে চল।
আমাৰ শোকতে তয়ো হোৱস বিকল ॥

ভৰতাদি নৈ পাৰ হয়

গুহ নৃপতিক যেবে গৃহক পঠাইল।
শত্ৰুঘন সমে শোকে নিদ্ৰাক নপাইল ॥ ২৪৪৮
যুগৰ সমান তান ৰজনী পোহাইল।
ভৰতে মাতিয়া শত্ৰুঘনক জগাইল ॥
প্ৰভাত সময় ভৈল কুলি তেজে ৰাৱ।
গুহক বুলিয়ো ঝাণ্টে আনন্তোক নাৱ ॥ ২২৪৯
ভৰতে উঠিয়া পাছে মুখে দিলা জল।
কৌশল্যা সুমিত্ৰা আদি জাগিলা সকল ॥
শত্ৰুঘনে বোলে কিয় জগোৱাহা মোকে।
জগায়া আছয় মোক বাপ-ভাইৰ শোকে ॥ ২৪৫০
গুহক আনিতে প্ৰতি দূতক পঠাইল।
দূত নতো যান্তে গুহ আপুনি আইল ॥
গুহে বোলে উঠিয়োক ভৰত কুমৰ।
ভৰতে বোলন্ত ভৃত্য তইসে ৰামৰ ॥ ২৪৫১
অব্যাহতে সৈন্য মোৰ কৰায়োক পাৰ।
ত্বৰিতে অনায়ো বাপ যতেক নাৱাৰ ॥
হেন শুনি গুহ ৰাজা নথাকিল ৰহি।
আপোনাৰ কটকক শীঘ্ৰে গৈলা বহি ॥ ২৪৫২
ভৰতৰ আজ্ঞা নিয়া শিৰত চড়াইল।
তেতিক্ষণে পঞ্চশত নাৱাৰা অনাইল ॥
নিৰন্তৰে নাৱাৰা গঙ্গাত কেলি কৰে।
কতো কতো নাৱত সহস্ৰ লোক ধৰে ॥ ২৪৫৩
পঞ্চদশ শত লোক কাহাতো ধৰয়।
কাহাতো ষোড়শ শত কাহাতো সতৰয় ॥

গৈলা লৰি ৰঙ্গে বৰ অশ্বগজ দলে।
দিন গোটে পাৰ ভৈল কটকসকলে ॥ ২৪৫৪
পঞ্চিশে তিৰিশে চল্লিশে সে হাতী চড়ে।
তথাপিতো নাৱ সৱ খানিকো নলৰে ॥
পৰ্ব্বত সমান নাৱ সব বাহি যায়।
ছাপে ছাপে নাৱ যেন পবন উড়ায় ॥ ২৪৫৫
হস্তী ঘোড়া ৰথ পতি কটক অপাৰ।
গুহৰ কিঙ্কৰ সবে কৰিলেক পাৰ ॥
কতো হাণ্টি কতো ভুৰে কতো লোক ভেলে।
কতো কতো সান্তৰিয়া পাৰ হোৱে হেলে ॥ ২৪৫৬
গুহৰাজা জোৰহাতে সাকুত স্বভাৱ।
ভৰতৰ আগে গৈয়া যোগাইলেক নাৱ ॥
ৰজতৰ পতা দিল সুবৰ্ণৰ ছাল।
জমকে জমকে জ্বলে ৰতন পৱাল ॥ ২৪৫৭
বশিষ্ঠ প্ৰমুখ কৰি যত দ্বিজগণ।
ৰাজভাৰ্য্যা যতেক ভৰত শত্ৰুঘন ॥
সেহি নাৱে ভৈলা গুহ আপুনি কাণ্ডাৰ।
অব্যাহতে গঙ্গাৰ ভৈলন্ত সবে পাৰ ॥ ২৪৫৮
পাৰ হৈয়া ভৰতে গুহত শোধে কাজ।
কোন পথে চলিবো দেখিতে ভৰদ্বাজ ॥
নিষাদ নৃপতি পথ কৰিলা উদ্দেশ।
সসৈন্যে ভৰত ভৈলা বনত প্ৰবেশ ॥ ২৪৫৯
নদী নদ দুৰ্গ বন বহুত এৰাইল।
প্ৰহৰ দেড়েকে গৈয়া প্ৰয়াগক পাইল ॥
মহাক্ষেত্ৰ থান সিটো মুকুতি দুৱাৰ।
সেনা সমন্নিতে সেই থানে পয়সাৰ ॥ ২৪৬০
শঙ্কৰক প্ৰণামি আসন ধৰিলন্ত।
মাতৃগণ সমে প্ৰদক্ষিণ কৰিলন্ত ॥
নিৰন্তৰে প্ৰজাক থৈলন্ত সেই ঠাৱ।
মন্ত্ৰীগণ সহিতে ভাৱৰ মত সাৱ ॥ ২৪৬১

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized by Siddhanta eGangotri Gyaan Kosha

কুলগুৰু বশিষ্ঠক আগত লৈলন্ত।
ভৰদ্বাজ থানে গৈয়া প্ৰবেশ ভৈলন্ত॥
বশিষ্ঠক দেখি ঋষি চালিলন্ত গাৰ।
চমকিয়া আসনৰ নমাইলন্ত পাৰ॥ ২৪৬২
ভৰতক দেখি ভৈলা মনত উল্লাস।
বশিষ্ঠক সহিতে ভৈল তত্তুল্য সম্ভাষ॥
মাৰে ভাই ভৰতেও প্ৰদক্ষিণ কৰি।
কৰিলন্ত নমস্কাৰ ঋষিক সাদৰি॥ ২৪৬৩
কৃতাঞ্জলি ধৰি পাছে আগে ভৈলা থিৰ।
ঋষিয়ে বোলন্ত সবে হৈয়ো চিৰঞ্জীৱ॥
যথাযোগ্য ভৰদ্বাজে সবাকো অৰ্চ্চিল।
বসিবাক লাগিয়া আসন অনাই দিল॥ ২৪৬৪
সাদৰ কৰিলা যেবে ঋষি ভৰদ্বাজে।
সবহি বসিলা মুনিগণৰ সমাজে॥

ভৰদ্বাজ আৰু ভৰতৰ কথা-বতৰা আৰু
ভৰদ্বাজ মুনিৰ অতিথি সৎকাৰ।

হাসিয়া বুলিলা পাছে মহা ঋষিৰাজ।
ভৰত তোমাৰ ভাল নেদেখোহো কাজ॥ ২৪৬৫
পৰম ধাৰ্ম্মিক ৰাম তাপসৰ বেশ।
বাপৰ আজ্ঞাত ভৈলা বনত প্ৰবেশ॥
চতুৰঙ্গ দলে সাজি মাৰিবাক যাহা।
অকণ্টকে সবৰাজ্য ভুঞ্জিবাক চাহা॥ ২৪৬৬
ভৰতে বোলন্ত মোক দৈবেসে নাশিল।
তোমাৰ মুখত হেন বচন আসিল॥
পিতৃসম জ্যেষ্ঠ ভাই আনিবাক যাওঁ।
মিছা যেবে বোলো ব্ৰহ্মবধ পাপ পাওঁ॥ ২৪৬৭
মাৰৰ কাৰণে বৰ অখ্যাতিক পাইলো।
সিকাৰণে ৰামক নিবাক প্ৰতি আইলো॥
ৰামক স্মৰিতে তান লোতক ঝৰাইল।
দেখি ঋষিৰাজে পাছে প্ৰত্যয়ক পাইল॥ ২৪৬৮

ঋষিয়ে বোলন্ত দশৰথৰ কুমাৰ।
ভালে জানিলোহো চিত্ত উত্তম তোমাৰ॥
তোমাক কৰিলো আমি পৰিহাস লীলা।
সূৰ্য্যৰ বংশত তুমি সাফল জন্মিলা॥ ২৪৬৯
অনুগ্ৰহ কৰিয়োক বোলোহো তোমাতে।
ৰাম সেনা সাদৰিবো চলিবা প্ৰভাতে॥
ভৰতে বোলন্ত তযু বাক্যত শৰণ।
নিশা গোট থাকো দেখি তোমাৰ চৰণ॥ ২৪৭০
দেব বিশ্বকৰ্ম্মাক বুলিলা মুনিবৰ।
ভৰতক লাগি ভাল নিৰ্ম্মিয়ো নগৰ॥
ঋষিৰ বচন বিশ্বকৰ্ম্মে শিৰে ধৰি।
দণ্ড দুইৰ ভিতৰত নিৰ্ম্মিলা নগৰী॥ ২৪৭১
পতকা সঞ্চৰে যেন বিজুলী ছটক।
দশ প্ৰহৰৰ পথ জুৰিল কটক॥
উত্তম ধৱলিয়ৰ ৰাজাৰ ওৱাৰি।
হাতী ঘোৰা শাল নিৰ্ম্মিলন্ত শাৰী শাৰী॥ ২৪৭২
দীঘিসব থৈলন্ত নিৰ্ম্মল জলে ভৰি।
মৎস্য মাংস দ্ৰব্য থৈলা পৰিপূৰ্ণ কৰি॥
ভৰদ্বাজে আদেশ কৰিলা তেতিক্ষণ।
দেৱলোক ছাৰি আইল অপেস্বৰাগণ॥ ২৪৭৩
ঘৃতাচী মেনকা গৌৰী ৰম্ভা তিলোত্তমা।
অনম্বুযা উৰ্ব্বশী, কনকা, ৰতি, হেমা॥
মহেন্দ্ৰৰ লগৰা অপেস্বৰাগণ।
ভৰতৰ ঠাৱত ভৈলন্ত উপসন॥ ২৪৭৪
পদ্মৰ ভিতৰ যেন শৰীৰৰ কান্তি।
বদন কমল সুবলিত দন্ত পান্তি॥
উন্নত কঠিন ঘন পিন তনভাৰ।
উপৰত হাৰ জিকমিক কৰে তাৰ॥ ২৪৭৫
যাক যেন ৰুচয় ভুঞ্জিল অন্নপান।
পুষ্পগন্ধ চন্দন কৰিলা পৰিধান॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

কুবেৰে পঠাইয়া দিলা আঠ কোটি নাৰী।
অপেস্বৰাগণ সংখ্যা কৰিতে নপাৰি॥ ২৪৭৬
মহামুনি সবৰো কটাক্ষে মন হৰে।
হেন দেৱ-সুন্দৰী মানুষে অনুসৰে॥
অপেস্বৰা নাৰীসমে ক্ৰীড়িলা আমোদে।
নিশাগোট বঞ্চিলন্ত বিবিধ বিনোদে॥ ২৪৭৭
সকল প্ৰজায়ে বোলে পলাইলেক দুখ।
ৰামৰ কল্যাণ ভৰতৰ হৌক সুখ॥
এৰিলোহো ছাড় নাৰী পুত্ৰ পৰিবাৰ।
ঋষিৰ কটাক্ষে এহি ভোগ হৌক সাৰ॥ ২৪৭৮
ভৰতে প্ৰভাত জানি চালিলন্ত গাৰ।
কৰিলন্ত প্ৰণাম ঋষিৰ দুই পাৰ॥
ভৰদ্বাজে বোলন্ত ভৰত সদভাৰ।
পৰিচয় কৰায়ো কাহাৰ কোন মাৰ॥ ২৪৭৯
শুনিয়া ভৰতে কৰি ঋষিক প্ৰণতি।
যাৰ যিটো মাৰ চিনাৱন্ত প্ৰতি প্ৰতি॥
দশৰথ ৰাজাৰ প্ৰথম পটেশ্বৰী।
নম্ৰভাৱে আছা যিটো কৃতাঞ্জলি ধৰি॥ ২৪৮০
ত্ৰৈলোক্যতো যাক গুণে নাহি পটন্তৰ।
দুখৰ ভাজনী এন্তে মাতৃ শ্ৰীৰামৰ॥
তোমাৰ চৰণ চাহি তান ৰামভিতা।
শত্ৰুঘন লক্ষ্মণৰ মাতৃ শোভনিতা॥ ২৪৮১
তানপাশে হাতজোৰে তোমাত ভকতি।
তপ্ত সুবৰ্ণৰ বৰ্ণ নিকাৰুণ মতি॥
কলহত প্ৰিয়া এহো প্ৰচণ্ড প্ৰভাৱ।
কৈকেয়ী নামত আমি চণ্ডালৰ মাৰ॥ ২৪৮২
ৰাম হেন ভাতৃক দিলেক বনবাস।
ইহানে কাৰণে ভৈলা বাপৰ বিনাশ॥
জন্মান্তৰে কতেক পাতক মই কৈলো।
সিকাৰণে আন গৰ্ভে উতপতি ভৈলো॥ ২৪৮৩
ভৰদ্বাজে বোলন্ত ইহান নাহি দোষ।
দেৱ কাৰ্য্য হৈব তুমি এৰা অসন্তোষ॥
ঋষিৰ চৰণ ধূলি শিৰত কৰিল।
মুনি উপদেশে নদী যমুনা তৰিল॥ ২৪৮৪
কটক-সাগৰে জুৰিলেক সবে বন।
ভৰতে বুলিলা শত্ৰুঘনক বচন॥
চিত্ৰকূট গিৰি দেখি নদী মন্দাকিনী।
ইথাৱতে আছে ৰাম লখাই সীতা তিনি॥ ২৪৮৫
ভৰতৰ কথা আবে এহিমানে থওঁ।
ৰামৰ চৰিত্ৰ কিছু সংক্ষেপিয়া কওঁ॥

চিত্ৰকূটত ৰামৰ বাস; ভৰতৰ
সৈন্যৰ কোলাহল শ্ৰৱণ।

ৰাম সীতা ক্ৰীড়া কৰে চিত্ৰকূট বনে।
শচী সমে দেৱৰাজ যেহেন নন্দনে॥ ২৪৮৬
সীতাক বুলিল ৰাম হৰিষ বদনে।
অযোধ্যাৰ ভোগ আউৰ নপৰয় মনে॥
গিৰিৰ কন্দৰে গন্ধ সুৰভি অপাৰ।
আছোক মনুষ্য মন মোহে দেৱতাৰ॥ ২৪৮৭
পুত্ৰ পুত্ৰ বুলি শুনু পক্ষী কাঢ়ে ৰাৱ।
এহিমতে কান্দিয়া মৰন্ত মোৰ মাৱ॥
ফল পুষ্প দেখি সীতা নানা চিত্ৰবন।
অনেক সন্তোষ কৰিয়োক বিতোপন॥ ২৪৮৮
থানে থানে দেখিয়ো কিন্নৰী বিদ্যাধৰী।
ৰমণ কৰন্ত নানা বিধ বেশ কৰি॥
মানস শিলাৰ ফোট সীতাদেৱী দিল।
আলিঙ্গন্তে ৰামৰ হিয়াত সঞ্চৰিল॥ ২৪৮৯
হেন দেখি সীতায়ে কৰিলা পৰিহাস।
সুৰত শৃঙ্গাৰ বৰ ভৈল অভিলাষ॥
মৃগ মাৰি লক্ষ্মণে যোগান্ত নিতে আনি।
সীতা দেৱী ৰামন্ত ভুঞ্জন্ত তিনি প্ৰাণী॥ ২৪৯০

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

মৃগ হেতু লক্ষ্মণ চলিলা আন ভিতি।
শৃঙ্গাৰে থাকিলা ৰাম সীতায়ে সহিতি॥
অনেক হৰিষ ভৈল ৰামৰ শৰীৰে।
সীতাৰ উৰুত শিৰে শুইলা নদীতীৰে॥ ২৪৯১
লক্ষ্মণ গৈলন্ত যৱে মৃগ মাৰিবাক।
সীতাৰ সন্নিতে বৃক্ষডালে পৰি কাক॥
সীতাৰ ৰূপক দেখি কাক ভৈল ভোল।
এক দোৰা কৰি গৈয়া চাপিলেক কোল॥ ২৪৯২
ৰাঘৱৰ আতিশয় নিদ্ৰাক দেখিয়া।
সীতাৰ তনত পৰিলেক জাম্প দিয়া॥
তনমাজে গোসানীৰ কৰিলেক ঘাৱ।
ক্ৰোধিলন্ত সীতা মাৰ কাম্পে হাতপাৱ॥ ২৪৯৩
কোপে শোকে সীতাদেৱী ক্ৰন্দন কৰিল।
ৰামৰ শৰীৰ সবে লোতকে ভৰিল॥
সীতাৰ আগতে কাকে কেলি কৰে বৰে।
থপা মুণ্ডি দিয়া বেগে তন মাজে পৰে॥ ২৪৯৪
মাৰিব নপাৰে সীতা কান্দিল বহুত।
জাগিয়া দেখিলা ৰাম দশৰথ সুত॥
সীতাৰ তনৰ মাজে বহয় ৰুধিৰ।
ক্ৰোধিলন্ত ৰামে দেখি নসহে শৰীৰ॥ ২৪৯৫
নগণিয়া ৰামক সীতাক প্ৰহাৰয়।
পুনু পুনু প্ৰহাৰিয়া তনত পৰয়॥
ক্ৰোধিয়া বোলন্ত ৰাম লৈবোহো পৰাণ।
মন্ত্ৰ পঢ়ি মাৰিলেক ঈষিকৰ বাণ॥ ২৪৯৬
অগ্নি সম শৰ দেখি বায়স উৰায়।
ৰাঘৱৰ শৰে তাৰ পাছে খেদি যায়॥
ইন্দ্ৰৰ তনয় কাক অতি বৰখল।
শৰে খেদি নেই পলাই গগন মণ্ডল॥ ২৪৯৭
কাকে মনে গুণে এবে মিলিল মৰণ।
দেৱ সমাজত গৈয়া পশিলা শৰণ॥
দেৱলোকে বোলে গুচ গুচৰে পাপিষ্ঠ।
সীতাক হিংসিলি তই সবাৰে অনিষ্ঠ॥ ২৪৯৮
একো থানে কাকে যেবে শৰণ নপাইল।
শীঘ্ৰবেগ কৰিয়া ৰামৰ পাশে আইল॥
খেদে যমদূত সম ৰাঘৱৰ বাণ।
বোলে নিচিনিলো প্ৰভু ৰাখিয়োক প্ৰাণ॥ ২৪৯৯
ক্ষমা কৰিয়োক মোৰ অজ্ঞানৰ পাপ।
তুমিসি ত্ৰৈলোক্য নাথ জগতৰ বাপ॥
বৰ দ্ৰোহ আচৰিলো জগতৰ মাৱে।
এহি বুলি বায়স পৰিল দুই পাৱে॥ ২৫০০
ৰাঘৱে বোলন্ত আসি শৰণ পশিলি।
আপোনাৰ পাপে তই আপুনি নশিলি॥
অবাধ্য মোহৰ বাণ জান তই সাঙ্গ।
প্ৰাণে যেবে জীবি ছাৰি দেহ এক অঙ্গ॥ ২৫০১
বিমৰিসি কাকে এক চক্ষু এৰিলেক।
ৰাঘৱৰ শৰে তাক ছন্ন কৰিলেক॥
ৰামক প্ৰণামি কাক গৈল প্ৰাণ ৰাখি।
সেহি ধৰি কাকে নেদেখয় এক আখি॥ ২৫০২
ঘাৰ গোট পালতায়া এক আখি চাই।
সচকিত মনে সি আহাৰ পানী খায়॥
অমৃত সমান জুৰ ৰাঘৱৰ হস্ত।
মাজিলা সীতাৰ তন ভৈলা দেৱী সুস্থ॥ ২৫০৩
শ্ৰীৰাম লক্ষ্মণ দুয়ো শিৰে জটা জুটে।
সুখে উপস্থিত ভৈলা গিৰি চিত্ৰকূটে॥
ৰাঘৱৰ চৰিত্ৰ আছোক এহিযান।
ভৰতে পশিলা যেবে চিত্ৰকূট বন॥ ২৫০৪
কটকৰ ৰোলে বন পূৰিল সকল।
পাৱ ধূলি ব্যাপিলেক গগন মণ্ডল॥
বৃক্ষৰ চটক সবে সাগৰান্ত গৈল।
ৰাম সীতা লক্ষণৰ চমৎকাৰ ভৈল॥ ২৫০৫

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

সীতায়ে ৰামৰ গলে সাৰটি ধৰিল।
বীৰত্ব বচনে ৰামে আশ্বাস কৰিল॥
ৰাঘৱে বোলন্ত লখাই বাৰ্ত্তাক নপাইল।
কমন নৃপতি মৃগ মাৰিবাক আইল॥ ২৫০৬
শীঘ্ৰ কৰি চলা হাতে ধনুশৰ ধৰি।
সুধি আসি আমাত কহিয়ো জাণ্ট কৰি॥
ৰামৰ বচন যেবে পৰিতোল পাইল।
শালবৃক্ষে চড়িয়া লক্ষ্মণ বীৰে চাইল॥ ২৫০৭
দেখে চতুৰঙ্গ দল বন জুৰি আইল।
প্ৰলয় কালৰ যেন সাগৰ জন্তাইল॥
হেন দেখি লক্ষ্মণৰ বিয়াকুল মন।
বৃক্ষ হন্তে নামি আসি জনাইল তেখন॥ ২৫০৮
শুনিয়োক দদা আমি অনুমানি পাইল।
ভৰতে সেনাক সাজি মাৰিবাক আইল॥
মাৱেকৰ হাতে ৰাজ্য লৰাইলেক মাগি।
তোমাক পঠাইলে ঘোৰ বনবাস লাগি॥ ২৫০৯
তথাপি নভৈল ক্ষমা মাৰিবাক চায়।
মাৰিবো ভৰত আজি জীয়ন্তে নযায়॥
ভৰত বিশিষ্ট হেন বুলি আছা বাণী।
পানীৰ কণ্টক যেন বিন্ধিলেসে জানি॥ ২৫১০
আততায়ী ভৰতক কাটিবো সমূলি।
কৈকেয়ীক মাৰিবোহো পুত্ৰ শোকে পুলি॥
হাতী ঘোৰা ৰথ সেনা মাৰো নিৰন্তৰ।
শোণিতে কৰিবো আজি নদী ভয়ঙ্কৰ॥ ২৫১১
অযোধ্যাত পাতো নিয়া নৃপতি তোমাক।
দিয়া অনুমতি মোক নিদিবাহা হাক॥
বধোহো তোমাৰ শত্ৰু কিছু দোষ নাই।
ৰাঘৱে বোলন্ত বাপু শুনিয়ো লখাই॥ ২৫১২
জানো মোত ভকতি কৰিস শুদ্ধমতি।
ভৰতক দোষ ভাই নিদিবি সম্প্ৰতি॥
তই মোৰ যিমত ভৰতো সেহি নয়।
তাক মন্দ বোলা মোৰ দুখ সে জনয়॥ ২৫১৩
ভৰতক কষ্ট আৰো নকৰিবি তই।
যি কাজে ভৰত আসে ভালে জানো মই॥
অযোধ্যাত নিয়া মোক নৃপতি পাতিব।
মোৰ বনবাস সিটো আপুনি খাটিব॥ ২৫১৪
মোক চাই হাসে দেখ ঘোটক বাপৰ।
শত্ৰুঞ্জয় নামে পাট হস্তী ভয়ঙ্কৰ॥
আক দ্ৰোহ কৰিলে বাপৰ দ্ৰোহ হয়।
সত্য ধৰ্ম্ম নাশি সিটো পাতক সাঞ্চয়॥ ২৫১৫
আনো সব প্ৰজা মোক নিবাক আসয়।
দশোদিশে ৰাম ধ্বনি শুনো জয় জয়॥
শুনি ৰাঘৱৰ পাচে নিষ্ঠুৰ বচন।
লাজ পাইয়া হেট মাথে ৰহিলা লক্ষ্মণ॥ ২৫১৬
আপোনাক আপুনি কাটিলা যেন মত।
ধন্য ৰাম ধন্য ৰাম বোলন্ত মনত॥
অনন্তৰে গুহ ৰাজা গুণিলা মনতে।
ভৰতৰ চিত্ত নুবুজিয়া ভাল মতে॥ ২৫১৭
সৈন্য সমন্বিতে ভৰতৰ লাগ ধৰো।
ভাল মন্দ জানি পাছে তাৰ কাজ কৰো॥
এহি বুলি গুহ যমুনাৰ পাৰ ভৈল।
আতি শীঘ্ৰে বেগে ভৰতৰ লাগ লৈল॥ ২৫১৮

——

ভৰত আৰু শ্ৰীৰামৰ মিলন।

ৰাম পাশে ভূমি পাৰে চলিলা ভৰত।
শত্ৰুঘনে সুমন্ত্ৰয়ে চলন্ত পাচত॥
সুধি সুধি যান্ত বাৰ্ত্তা তপসী লোকত।
ধোঁৱা দেখিলন্ত মন্দাকিনীৰ পাৰত॥ ২৫১৯
ৰামৰ আশ্ৰম গৈয়া পাইলা ধীৰে ধীৰ।
বাহিৰৰ পৰা চাইলা কৰি আখি থিৰ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বসি আছে ৰামচন্দ্ৰ তৃণৰ গৃহত।
আছন্ত অগনি যেন ভস্মৰ মাজত॥ ২৫২০
শ্ৰীহানি ৰামৰ শৰীৰ গৈল জসি।
মেঘৰ সন্নিত যেন পূৰ্ণিমাৰ শশী॥
ডাহিনত লখাই বামে জনকৰ জীৱ।
নন্দি গৌৰী সমে যেন বসি আছে শিৱ॥ ২৫২১
দেখি ভৰতৰ নীৰ নেত্ৰৰ ঝৰিল।
হা প্ৰাণ দদা বুলি চৰণে পৰিল॥
দেখিয়া বিষাদ বৰ পাইলা শত্ৰুঘনে।
হা মৰিলোহো বুলি পৰিলা চৰণে॥ ২৫২২
সুমন্ত্ৰ ৰামৰ আগে ধৰি কৃতাঞ্জলি।
ৰামৰ চৰণে গৈয়া কৰিলা সেৱলি॥
হাত জোৰে গুহে কৰিলন্ত নমস্কাৰ।
সবাৰে চক্ষুৰ পৰা বহে জলধাৰ॥ ২৫২৩
শুনা ৰামায়ণ পদ সভাসদ যত।
পৰম সম্পদ ইসে কলিৰ যুগত॥
আপোনাৰ কুশলক ইচ্ছা আছে যাৰ।
বোলা ৰাম ৰাম সুখে তৰিবা সংসাৰ॥ ২৫২৪

পিতৃৰ মৃত্যু শুনি ৰামৰ শোক।

দুলড়ী।

ৰাম শত্ৰুঘন ভৰত লক্ষ্মণ
আৰৰ সীতা গোসানী।
দাৰুণ শোকৰ ঘাৱে পীড়িলেক
মুখে নসঞ্চৰে বাণী॥
ৰাঘৱে বোলন্ত ভৈয়াই ভৰত
তই চিন্তা বৰ পাইলি।
মোৰ বৃদ্ধ মাৱ বাপক এৰিয়া
কি কাৰ্য্যে বনক আইলি॥ ২৫২৫
বশিষ্ঠ গুৰুৰ বাৰ্ত্তা কহ বাপ
আৰো শত মাৱ বৰ্গ।
সবলোক মন্ত্ৰী পাত্ৰ আছে যত
আৰো শত মাৱ বৰ্গ॥
কৌশল্যা সুমিত্ৰা আইৰ বাৰ্ত্তা কহ
যত অযোধ্যাৰ লোক।
বৃদ্ধ দশৰথ বাপে কোন দিন
কৰে যুবৰাজ তোক॥ ২৫২৬
ভেদ দণ্ড সাম দানৰ উপাই
বুজিলা তাক বিচাৰি।
দেৱ দ্বিজ গুৰু পিতৃৰ চৰণ
ভালে তুষিবাক পাৰি॥
মুখ্য মুখ্য লোক মাহুত ৰাহুত
তাক পাল ভাল কৰি।
সকল দেশক মাৱ বাপ এৰি
কেনে আইলি জটা ধৰি॥ ২৫২৭
ৰামক প্ৰণাম কৰিয়া ,ভৰতে
নমিলা পাচে সীতাক।
কান্দো কান্দো মুখ কৰি বুলিলন্ত
কিয় হেন বোলা মোক॥
শ্মশান-শালীৰ পোৰা ছাইক যেন
দেখিতে নুহিকে ভাল।
কৈকেয়ীৰ গৰ্ভে উপজিলো আমি
অধম যেন চণ্ডাল॥ ২৫২৮
তোৰা তিনি যেবে বনক আসিলা
পূৰ্ণ ছয় দিল ভৈল।
মধ্য ৰাত্ৰি ভৈলে তোমাৰ শোকত
বাপৰ পৰাণ গৈল॥
বশিষ্ঠ গুৰুয়ে নাৰাণ তেলত
মৃতক দেহক থৈয়া।
অযোধ্যাক লাগি শীঘ্ৰ বেগে দূতে
আমাক আনিলে গৈয়া॥ ২৫২৯
শত্ৰুঘনে সমে দুইহন্তে আসিয়া
দুৱাৰ পাইলো বাপৰ।
পিতৃৰ গৃহক শূন্য দেখি পাচে
ঠাৱক গৈলো মাৱৰ॥

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বাপৰ মৰণ তযু বন-বাস
কহিলা দাৰুণী মাৰে।
হৃদয় বিকল ভৈল আতি মোৰ
দাৰুণ বচন ঘাৰে॥ ২৫৩০
শৰ সতকাৰ কৰিলো বাপৰ
দিলোহো দান দক্ষিণা।
এক দণ্ড যেন যুগ যাই মোৰ
তোমাৰ চৰণ বিনা॥
আসি ভৈলো বন তোমাৰ চৰণ
দেখিয়া এৰাইলো শোক।
বোলো প্ৰভু কাজ আসি লৈয়ো ৰাজ
অনুগ্ৰহ কৰা মোক॥ ২৫৩১
আপাত মধুৰ শুনিয়া প্ৰচুৰ
স্বাদত পাচে কাঞ্জি।
সউৰা বৃক্ষক ৰুইল মোৰ মাৰে
উত্তম বট উভাঞ্জি॥
তোমাক নৈৰাশ কৰি বন বাস
দিয়াই ৰাজ্য লৈলা মাগি।
হেনয় কৈকেয়ী মাৰ আছে আসি
তোমাক নিবাক লাগি॥ ২৫৩২
ইটো বনাশ্ৰম তোমাৰ নিয়ম
কাৰ্য্যক আমি গঞ্জাইবো।
কৰিয়া হৰিষ চৈধ্যয় বৰিষ
বনে ফলমূল খাইবো॥
শাস্ত্ৰৰ বিধানে জ্যেষ্ঠ বিদ্যমানে
কনিষ্ঠৰ নোহে ৰাজ।
ৰাজ্যক চলিয়ো আপুনি কৰিয়ো
পিতৃৰ অঞ্জলি কাজ॥ ২৫৩৩
বাপৰ মৰণ শুনিয়া বচন
ৰাঘৱৰ পোৰে গাৰে।
অলপ জলত মৎস্য যেন মত
বহৱে সূৰ্য্য-প্ৰভাৰে॥
শোক কালমেঘ ভৈল যেন আতি
সূৰ্য্য যেন ভেল পাণ্ডু।
নদীৰ তীৰত বৃক্ষ যেন মত
পৰিলন্ত ৰাম খসি॥ ২৫৩৪
কৰত সন্তাপ হা হা বৃদ্ধ বাপ
দশৰথ মহীপাল।
জানিলোহো নিষ্ঠে আমিসে পাপিষ্ঠে
তোমাৰ কৰিলো কাল॥
পাপে তল গৈলো জ্যেষ্ঠ পুত্ৰ ভৈলো
পৃথিবীৰ মহাভাৰ।
বাপ গৈলা কহি নিজ কান্ধে বহি
নকৰিলো সঙস্কাৰ॥ ২৫৩৫
ধন্য ধন্য তযু তনয় ভৰত
ধন্য শত্ৰুঘন বীৰ।
নিজ কান্ধে বহি দহিল আপুনি
পিতৃৰ সিটো শৰীৰ॥
শুন শুন সতী প্ৰাণেশ্বৰী সীতা
বিধি কৈল এত দূৰ।
দুখে দহে মোক পাড়ি পুত্ৰ শোকে
মৰিলা তযু শ্বশুৰ॥ ২৫৩৬
ৰামৰ চৰিত্ৰ পৰম অমৃত
শুনা সামাজিক জন।
ধৰ্ম্ম শিৰোমণি সংসাৰ তৰণী
ইসে ভকতৰ ধন॥
ৰাম গুণ গান মুক্তি বিত্ত মূল
সকলো শাস্ত্ৰৰ সাৰ।
এহি মুখ্য কাম বোলা ৰাম ৰাম
গুছোক দুখ নিকাৰ॥ ২৫৩৭

ৰামৰ পিতৃ তৰ্পণ।

পদ।

সীতা দীৰ্ঘৰাৱে কান্দি বোলন্ত শশুৰ।
তোমাৰ বিনাশ শুনি ভৈলো মসিমূৰ॥
বাপে নিজ জীউ যেন পালিলেক মোক।
কাক দোষ পাশাৰিবো নেহাৰিব শোক॥ ২৫৩৮

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

লক্ষ্মণে বোলন্ত মই নৰক সাধিলো।
বাপক নিষ্ঠুৰ বুলি পুনু নেদেখিলো॥
শ্ৰীৰাম লক্ষ্মণ সীতা কান্দিলা বহুত।
প্ৰবোধিয়া বুলিলন্ত কৈকেয়ীৰ সুত॥ ২৫৩৯
উঠা উঠা দদা শোক এৰিয়োক সৰ্ব্ব।
ৰঘুৰ বংশৰ সবে তোমাতেসে গৰ্ব্ব॥
নিৰন্তৰে প্ৰজাৰ তুমিসি নিজ নাহা।
ক্ৰন্দনত ত্যজিয়া অঞ্জলি কাৰ্য্য চাহা॥ ২৫৪০
মাজ কৰি সীতাক লক্ষ্মণ ভৈলা আগ।
পাচে ৰাম চলন্ত বিষাদে নেৰে লাগ॥
জানকীক আগ কৰি জলত নামিল।
নদীজলে বুৰ দিয়া অঞ্জলি কৰিল॥ ২৫৪১
ইঙ্গুদীৰ দ্ৰৰ আম জাম আদি ফল।
একখান কৰিলন্ত মন্দাকিনী জল॥
কুশ পাৰি ভূমিত উপৰে পিণ্ড দিল।
হেৰা পিণ্ড লোৰা বনে যেহেন মিলিল॥ ২৫৪২
দক্ষিণক সমুখে অঞ্জলি দিল জল।
নান্টিল ভূমিৰ ভোগে ভুঞ্জা বনফল॥
তিতাছালে পাইলা গৈয়া থান আপোনাৰ।
তিনিহন্তে বৰ শোকে কান্দিলা অপাৰ॥ ২৩৪৩
ভৰতৰ লক্ষ্মণে গ্ৰাৱাত ধৰি টানি।
আস বাপ বুলিয়া কান্দিল দীৰ্ঘ বাণী॥

মাতৃ আৰু ঋষি সকলৰ সৈতে ৰামৰ সাক্ষাৎ
আৰু কথাবাৰ্তা।

প্ৰজা সবে শুনিলেক ক্ৰন্দনৰ ৰাৱ।
নিৰন্তৰে লোক সবে চালিলেক গাৱ॥ ২৫৪৪
ৰাঘৱক দেখি ক্ৰন্দনৰ কোলাহল।
প্ৰলয় কালত যেন সাগৰ আস্ফাল॥
যাক যেন যোগ্য ৰামে আশ্বাস কৰিল।
কাহাকো হিয়াত কোলে সাৱটি ধৰিল॥ ২৫৪৫
দশৰথ ৰাজাৰ যতেক পটেশ্বৰী।
ধীৰে ধীৰে দ্বিজে নেন্ত প্ৰতিপাল কৰি॥
কতোবেলি গৈয়া মন্দাকিনী কুল পাইল।
কৌশল্যায়ে সুমিত্ৰাক মাত পৰুজাইল॥ ২৫৪৬
দেখন্ত সুমিত্ৰাক ৰাম নাহিবাৰ ঘাট।
হেৰ দেখ লখাই পানী বহিবাৰ বাট॥
কিনো সুদুষ্কৰ কৰ্ম্ম লক্ষ্মণে কৰিল।
ৰামত ভকতি ৰাজ্য ভোগক এৰিল॥ ২৫৪৭
কুশৰ উপৰে দেখিলন্ত নানা ফল।
ৰামেসে কৰিল পিতৃ কৰ্ম্মক সকল॥
হা কিনো প্ৰভু ভৈল বিপত্তি তোমাৰ।
ৰাজভোগ এৰি বনফুল ভৈল সাৰ॥ ২৫৪৮
মহাদই সবো শোক পাইল বহুতৰ।
বহুত কান্দিয়া পাশ পাইলন্ত ৰামৰ॥
ৰামচন্দ্ৰ আছন্ত সভাৰ মাজে বসি।
স্বৰ্গহন্তে যেন ইন্দ্ৰদেৱ আইলা খসি॥ ২৫৪৯
ৰাম সীতা লক্ষ্মণৰ অৱস্থা দেখিল।
মহাশোক উথলিয়া সবাকো পীড়িল॥
কৌশল্যা সুমিত্ৰা আদি মহাদই যত।
গুণক বৰ্ণায়া ধৰি কান্দত শোকত॥ ২৫৫০
হা সীতা সতী আই জনকৰ জীৱ।
তোৰ দুখ দেখি আই কেনে ধৰো জীৱ॥
সুন্দৰ বদনশ্ৰী হৰিল সকল।
শিশিৰে বিনষ্ট যেন শোভিত কমল॥ ২৫৫১
হৰি হৰি ৰাম দশৰথৰ তনয়।
লখাইৰ বিপত্তি দেখি দহৱে হৃদয়॥
চক্ষু চল চল কৰি প্ৰণামিল ৰাম।
দেখি ৰাম মুখ শোক ভৈল উপশাম॥ ২৫৫২
সূৰ্য্যৰ তাপত দেহা দহিল সকল।
চন্দ্ৰৰ ৰশ্মিয়ে যেন কৰিলে শীতল॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ৰামক দেখিয়া লোক ভৈল আনন্দিত।
পাশৰিল দুখ যেন পিয়া পঞ্চামৃত ॥ ২৫৫৩
চতুৰঙ্গ দলে ৰঙ্গে বেঢ়িয়া থাকিল।
পাত্ৰ সবে ৰাঘৱৰ সমীপ চাপিল ॥
শত্ৰুঘন ভৰত সুমন্ত্ৰ গুহৰাজ।
ইন্দ্ৰক বেঢ়িয়া যেন দেৱতা সমাজ ॥ ২৫৫৪
নমাতি আছন্ত বসি ৰঘুবংশ নাথ।
গাৱ চালি ভৰতে জুৰিলা জোৰহাত ॥
শুনিয়োক প্ৰাণ দদা মন্যু পৰিহৰি।
লৈয়ো আপনাৰ ৰাজ্য অযোধ্যা নগৰী ॥ ২৫৫৫
আমি নথাকন্তে মাৱ কৰিলন্ত দোষ।
চৰণত ধৰো এৰিয়োক অসন্তোষ ॥
পিতৃসম ভাই তুমি মোৰ গুৰুদেৱ।
তোমাৰ চৰণ ছাৰি গতি নাহি কেৱ ॥ ২৫৫৬
ধৰ্ম্মত থাকিয়া আমি নকৰোহো দণ্ড।
মাতৃক যে কাটিয়া নকৰো খণ্ড খণ্ড ॥
নিষ্ফল জীৱন মোৰ কৈকেৰী আই।
যেন কাক জীৱন বলিৰ ভাত খাই ॥ ২৫৫৭
তোমাৰ দ্ৰোহত মাতৃ দৈবে পাইলে ফল।
সবাহাঙ্কে শোক দিয়া গৈল ৰসাতল ॥
গুছায়োক বল্কল তেজিয়ো জটাভাৰ।
সকালে পিন্ধিয়ো ৰাজযোগ্য অলঙ্কাৰ ॥ ২৫৫৮
মোত যেবে দয়া দদা আছয় তোমাৰ।
ঝাণ্টে গৈয়া লৈয়োক অযোধ্যা ৰাজ্যভাৰ ॥
কৰিলন্ত নৃপতিয়ে পাত্ৰক আদেশ।
ভৰতে বনত গৈয়া হৈবেক প্ৰবেশ ॥ ২৫৫৯
শ্ৰীৰামক বাপসম দেখয় ভৰত।
বনবাস খাটি মোৰ পালিব শপত ॥
ৰাঘৱক আনিয়া দিবেক সব দেশ।
হেনয় বুলিয়া তেঁ প্ৰাণ অৱশেষ ॥ ২৫৬০

শ্ৰীৰামে বোলন্ত শুনা ভৰত কুমৰ।
তোমাৰ মুখত আসে অধৰ্ম্ম উত্তৰ ॥
হুয়া তুমি কনিষ্ঠ ভাণ্ডিতে মোক চাহা।
চাপচুপে এৰিয়া দেশক চলি যাহা ॥ ২৫৬১
সাফল ভৰত ভাই স্বৰ্গপথ সায়।
পিতৃ আজ্ঞা বোলায়া ৰামক নিতে চায় ॥
ইসব বচনে আৰ আমাত নোশোভে।
পিতৃসত্য বাধিবোহো ৰাজ্যভোগ লোভে ॥ ২৫৬২
আছিলেক মান্ধাতা ইন্দ্ৰকো দিল ধাৰ।
কৰিলেক কাল সৰ্পে তাহাঙ্কো সংহাৰ ॥
সগৰ নৃপতি তেহো খনাইল সাগৰ।
যমৰ এৰাইতে ধাৰ নভৈল নাগৰ ॥ ২৫৬৩
হিৰণ্যকশিপু সম নাছিলেক কেৱ।
বাহিলেক সকলে ত্ৰিদশ কোটি দেৱ ॥
নৰসিংহ ৰূপে তাকো কৰিল সংহাৰ।
কমন মুণ্ডধে জীৱনক দেখে সাৰ ॥ ২৫৬৪
হেন বুলি ৰামদেৱ ৰৈলা মৌন হুই।
থাকিলন্ত ভৰত জাণ্টিয়া পদ দুই ॥
বাপ এৰি গৈলা তুমি খাটিবাহা বন।
এবেসে জানিলো মোৰ মিলিল মৰণ ॥ ২৫৬৫
ভৰত থাকিলা যেবে বিষাদিত মনে।
ৰামক মাতিলা পাচে জঞ্জালী ব্ৰাহ্মণে ॥
ইটো ৰঘুবংশত তুমিসে ভৈলা সাৰ।
সত্য পালি কৰিবাহা বংশক উদ্ধাৰ ॥ ২৫৬৬
শুনিয়োক ৰাঘৱ তোমাত বোলে কাজ।
সত্যে সত্যে কৈকেয়ী তোমাক দিল ৰাজ ॥
পালিলা নিশ্চয়ে তুমি বাপৰ বচন।
দেশ চলা ভৰতে খাটিব সত্যে বন ॥ ২৫৬৭
তুমি যেবে হেন সত্য ধৰ্ম্মক এৰিবা।
কহিব দুৰ্কীৰ্ত্তি তাক সকলে খণ্ডিবা ॥

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized by Siddhanta eGangotri Gyaan Kosha

জ্যেষ্ঠৰেসে ৰাজ্য কনিষ্ঠৰ নোহে যোগ।
এৰিয়োক মন্যু কৰিয়োক ৰাজ্যভোগ ॥ ২৫৬৮

কুলগুৰু পুৰোহিত বোলন্ত বশিষ্ঠ।
কি কাৰণে ৰাঘৱ কৰাহা মনে নিষ্ঠ ॥
নিৰ্দ্দয় উচিত নোহে ক্ষমা কৰিয়োক।
মন্যু পৰিহৰিয়া দেশক চলিয়োক ॥ ২৫৬৯

তোমাৰ শোকত ৰাজা তেজিল শৰীৰ।
ৰাত্ৰি দিনে শোক মাত্ৰ তোমাৰ মাতৃৰ ॥
সকলে ৰাজ্যৰ লোকে হৰিষ কৰন্ত।
তোমাক দেখিয়া সবে শোক পাসৰন্ত ॥ ২৫৭০

কৌশল্যা বোলন্ত ৰাম বচন বাধস।
হেন গ্ৰহ আগ্ৰহ কৰি কাৰ্য্যক সাধস ॥
ৰঘুবংশে হুয়া মোক বধিবে খোজস।
গঙ্গাজল এৰি কূপজলত নাৰস ॥ ২৫৭১

সকল প্ৰজায়ে বেঢ়ি বুলিলেক বাক।
যায়োক যায়োক বুলি কোলাহল ডাক ॥
তথাপিতো ৰামৰ বনেসে বিমৰিষ।
কৌটিয়েক নদী সাগৰত কৰে কিস ॥ ২৫৭২

ৰামৰ ধৰ্ম্মতত্ত্ব ব্যাখ্যা, ৰামৰ খৰম মূৰত লৈ
ভৰতৰ অযোধ্যা প্ৰত্যাগমন।

সবাকো বোলন্ত ৰামে কৰি দৃঢ় মন।
সবে লোকে মোক গ্ৰহ কৰা কি কাৰণ ॥
জলৰ বুদ্বুদ যেন অথিৰ জীৱন।
আমি কেনে এৰিবোহো বাপৰ বচন ॥ ২৫৭৩

নৃপতি তিলক যত জগতে বখানি।
মৰি মৰি গৈল যেন জোৱাৰৰ পানী ॥
চক্ষু নেদেখিলো তাক শুনিলো শ্ৰৱণে।
আছিল নাছিল হেন পতিয়াইব কোনে ॥ ২৫৭৪

পুৰুকুচ্ছ ধুন্ধুসাৰ নৃপতি দিলীপ।
চক্ৰবৰ্ত্তী ভৰত সগৰ ৰঘু নৃপ ॥
ভগীৰথ যযাতি মান্ধাতা হেন বীৰে।
সবে মৰি মৰি গৈলা যমৰ মন্দিৰে ॥ ২৫৭৫

বলি ৰায়ৰ পয়াণত ভুবন টলিল।
বামন স্বৰূপে তাকো বিষ্ণুএ ছলিল ॥
ৰবিষণ জল যেন শোষা ৰবিজালে।
সংহৰয় সবাকো দুৰ্ব্বাৰ যমকালে ॥ ২৫৭৬

পূৰ্ণচন্দ্ৰমাৰ কান্তি হৰয় সকল।
যেৱে শুকাই পৰে সাত সাগৰৰ জল ॥
পাতাল পৰ্য্যন্তে সাতো পৃথিবী নশয়।
মেৰু মন্দৰক আদি গৰ্ব্বত খসয় ॥ ২৫৭৭

সূৰ্য্য আদি গ্ৰহ খসি ভূমিত পৰিব।
তথাপিতো আমি পিতৃবাক্যক নেৰিব ॥
প্ৰাণৰ সংশয় যেবে মিলয় আমাৰ।
তথাপিতো নযাইবে মোহোৰ অঙ্গীকাৰ ॥ ২৫৭৮

মোহোৰ বচন নিষ্ঠ জানিয়া মনত।
অযোধ্যাক লাগি চলা উলটি ভৰত ॥
যাৱে ছন্ন নতো হোৱে মোৰ পিতৃৰাজ।
তাৰত ভৰত গৈয়া চাৰা ৰাজ কাজ ॥ ২৫৭৯

কৌশল্যা সুমিত্ৰা মাৱ মৰিৱন্ত শোকে।
ভালে দুইকো পালিবি জুৱাইব দেখি তোকে ॥
কৈকেয়ী মাৱে মন্দ চিন্তিলা আমাক।
মোৰ দৈব আছে কোনে বাধিবেক তাক ॥ ২৫৮০

তাঙ্ক কোপ নকৰিবি দেখোহো সঞ্জাত।
এতিক্ষণে মোহোৰ মাথাত দেস হাত ॥
মোৰ বাক্য বাধিয়া নলস ৰাজ্য ভাৰ।
জীৱ মানে তেবে তোক নমাতিবো আৰ ॥ ২৫৮১

জানিয়া কমন জনে ব্ৰাহ্মণ বধিব।
কমন অধমে সুৰা পানক কৰিব।
কোন জনে ব্ৰাহ্মণৰ সুৱৰ্ণ হৰিব ॥
অগম্যাগমন পাপ কমনে কৰিব ॥ ২৫৮২

ভৃত্য হুয়া ঈশ্বৰৰ বোল নকৰিব।
কমন মুগুধে গুৰুবচন বাধিব ॥
ইসব পাতেক কৰিবোহো কেনে জানি।
নজাইবো দেশক বুলিলোহো সত্যবাণী ॥ ২৫৮৩

আসিলি ভৰত তই মোক পৰীক্ষিত।
যেন শিশুমতি মোৰ নজান চৰিত ॥
ৰামৰ নিষ্ঠুৰ বাণী শুনিয়া ভৰত।
যেন বজ্ৰপাতে দুখ মিলিলা মনত ॥ ২৫৮৪

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

বুলিলন্ত ৰাঘৱৰ চৰণত ধৰি।
তোমাক এৰিয়া মই যাওঁ কেনে কৰি॥
চৈধ্যয় বৰিষ খাটিবাহা বনবাস।
তযু দুখে আমাৰ জীৱনে নাহি আশ॥ ২৫৮৫

পৰম দাৰুণ বোল আমাক বুলিলা।
হানিলাহা আমাৰ হিয়াত বজ্ৰশিলা॥
তযু আজ্ঞা পালি দেশ চলিবো নিশ্চয়।
পাৰন্তে কি জীয়ন্তা পৰাণী কি নসয়॥ ২৫৮৬

তোমাৰ দুইখানি পানৈ প্ৰভু দিয়ো মোক।
মাথাত ধৰিয়া তাক পাশৰিবো শোক॥
সেহি পানৈজুৰি সিংহাসনত থাপিবো।
তাকে ৰাজা পাতি সবে ৰাজভাৰ দিবো॥ ২৫৮৭

তোমাৰ চৰণ সেৱা তাহাতে কৰিবো।
বনবাস ব্ৰত যত গৃহতে ধৰিবো॥
ভৰতৰ ভকতিক ৰাঘৱে দেখিল।
কুশৰ খৰমজুৰি পাছে তাঙ্ক দিল॥ ২৫৮৮

এক ঋষি থানত পাইলন্ত ৰঘুনাথে।
সাদৰে ভৰতে তাক চৰাইলন্ত মাথে॥
ফুৰি ফুৰি প্ৰদক্ষিণ কৰিয়া ভৰত।
প্ৰণামিলা ৰামক ধৰিয়া চৰণত॥ ২৫৮৯

শিৰত ধৰিয়া আছিলন্ত কতোক্ষণ।
সলোতক মনে পাচে বুলিলা বচন॥
তোমাৰ চৰণ মই তেজিয়া অভাগী।
তযু আজ্ঞা পালি যাওঁ অযোধ্যাক লাগি॥ ২৫৯০

থাকিয়োক বুলি পুনু কৰিলা প্ৰণাম।
কান্দন্তে চলিলা মুখে বুলি ৰাম ৰাম॥
ৰাম দেশ যাইব হেন আশা গৈল টুটি।
নিৰন্তৰ লোকে কান্দে পৃথিবীত লুটি॥ ২৫৯১

ঋষিবৰ্গে কান্দন্ত নুহিকে চিত্ত শাঁত।
পৰম আকুলে কান্দে যত নট ভাট॥
সীতায়ে ৰাঘৱে কান্দে আশ্ৰমত পৰি।
সকলে বৃক্ষৰ ফল ফুল গৈল খসি॥ ২৫৯২

আনো ঋষি কান্দে কুশাসনত বসিয়া।
বন জন্তু কান্দিলেক আহাৰ তেজিয়া॥

ভৰতৰ কান্দন্তে শৰীৰ ভৈল জীণ।
চিত্ৰকূট পৰ্ব্বতকো কৰি প্ৰদক্ষিণ॥ ২৫৯৩

পৰিবৰ্ত্তি পাইলা পাচে ভৰদ্বাজ ঠাৰ।
নমিলন্ত ভৰতে ঋষিৰ দুই পাৰ॥
পুছিলন্ত বাৰ্ত্তা পাচে ঋষি ভৰদ্বাজে।
কহিলা ভৰতে বসি ঋষিৰ সমাজে॥ ২৫৯৪

মনে বিমৰিষি ঋষি ৰাৱণ বিনাশ।
ভৰতৰ বোলে কিছু কৰিলন্ত হাস॥
গুহ ৰাজা গৈলা পাচে শৃঙ্গৱেৰ পুৰে।
অযোধ্যাক ভৰতে দেখিলা কতো দূৰে॥ ২৫৯৫

নোশোভে নগৰি যেন প্ৰজা ভৈলে হীন।
চন্দ্ৰ সূৰ্য্য বিনে নোশোভয় ৰাতি দিন॥
ভৰতে বুলিলা পাচে সুমন্ত্ৰক বাণী।
অযোধ্যানগৰ দেখিয়োক মহামানী॥ ২৫৯৬

স্বৰ্গতো অধিক কৰি যাৰ কীৰ্ত্তি গৈল।
হেন পুৰী যেহেন শ্মশান শাল ভৈল॥
ৰাম দশৰথে চিৰি গৈলন্ত সঙ্কলি।
হাটখান মলিন যেহেন শূন্য স্থলি॥ ২৫৯৭

কৈকেয়ী মাৰে ভৈলা প্ৰচণ্ড অগনি।
শুকান অৰণ্য প্ৰজা লাগি গৈল ছন্নি॥
জাজ্জ্বল্য সমান ভৈল ৰাম হিংসা বাৰে।
প্ৰজা অৰণ্যক দহি অগনি উধাৰে॥ ২৫৯৮

সবৰাজ পুৰি দশৰথ গৈলা চলি।
অযোধ্যানগৰী ভৈল যেন পোৰা থলি॥
অযোধ্যা নদীত ভৈলা দশৰথ জল।
কৈকেয়ী ৰবিজালে শুষিল সকল॥ ২৫৯৯

প্ৰজা মৎস্য কচ্ছপ তীৰত পৰি মৰে।
ৰাম শোক মৎস্য ৰঙ্গে খেদি খেদি ধৰে॥
শোকানলে ভৈল যেন জল সাগৰৰ।
তাতে খেদিলেক যেন কুঞ্জৰ কন্দৰ॥ ২৬০০

বন্ধুজন সমে থাকিলন্ত বিমৰিষি।
সব জন আপুনি গৈলন্ত দিশাদিশি॥
শুনা সভাসদ ৰাম চৰিত্ৰ সকল।
বোলা ৰাম ৰাম ইসি পৰম মঙ্গল॥ ২৬০১

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

নন্দিগ্ৰামৰ সিংহাসনত শ্ৰীৰামৰ পাদুকা স্থাপন।

ছুলড়ী।

প্ৰভাতে উঠিয়া নিত্য সমাপিয়া
মিলায়া পাত্ৰ সমাজ।
মধুৰ বচনে সম্বুধি সবাকে
ভৰতে বুলিলা কাজ॥
ৰামৰ মন্দিৰ শূন্য দেখি মোৰ
শোক নোহে উপশাম।
অযোধ্যা নগৰী পৰিহৰি মই
চলি যাইবো নন্দিগ্ৰাম॥ ২৬০২
সেহি নন্দিগ্ৰামে থিত হুয়া কিছু
জুৰাইবো শোক ৰামৰ।
সবে ৰাজকাজ সাধিবো তথাতে
আজ্ঞা পালি ৰাঘৱৰ॥
হেন শুনি পাচে যত পাত্ৰ মন্ত্ৰী
হৰিষ কৰিল মনে।
নন্দিগ্ৰাম প্ৰতি চলিবাক সবে
সাজিলন্ত তেতিক্ষণে॥ ২৬০৩
কৌশল্যা প্ৰমুখ্যে মাতৃক প্ৰবোধি
অযোধ্যাপুৰত থৈলা।
প্ৰদক্ষিণ কৰি প্ৰণামি সবাকে
শিৰে ধৰি তুলি লৈলা॥
শত্ৰুঘন ভ্ৰাতৃ সহিতে ভৰত
ৰথত গৈয়া চৰিলা।
বশিষ্ঠ প্ৰমুখ্যে যত গুৰুগণ
আগত সবে লৰিলা॥ ২৬০৪
সবাৰে আগত ভৰত লৰিলা
পাচে যান্ত শত্ৰুঘন।
পাত্ৰ মন্ত্ৰী যত সবহি লৰিল
আনন্দিত কৰি মন॥
সমদলে শীঘ্ৰ- বেগে নন্দিগ্ৰাম
কতো বেলি গৈয়া পাইল।
ৰথৰ নামিয়া পাচে পানৈজুৰি
ভৰতে মাথে চুৰাইল॥ ২৬০৫
ভৰতে বোলন্ত ৰাম ভৈল সিংহ
আমি ভৈলো যেন শশ।
প্ৰাণ দদা মোৰ ভৈলন্ত গৰুড়
তান আগে আমি মশ॥
ৰাম দদা ভৈল প্ৰফুল্ল পঙ্কজ
আমি ভৈলো তাত ভৃঙ্গ।
মই ভৈলো যেন ক্ষুদ্ৰ সৰীসৃপ
দদা ভৈল মেৰুশৃঙ্গ॥ ২৬০৬
প্ৰভু ৰাঘৱৰ মই সে সেৱক
তান পদ মনে ধৰি।
সত্যে সত্যে মই আদেশ তাহান
পালিবোহো নিষ্ঠ কৰি॥
চৌধয় বৰিষ মোৰ প্ৰভু ৰাম
যাৰে থাকে বন মাজ।
তাহান পাদুকা শিৰে ধৰি মই
চৰ্চ্চিবোহো তাৰে ৰাজ॥ ২৬০৭
বশিষ্ঠ প্ৰমুখ্যে যত পুৰোহিত
পঢ়িলন্ত সুমঙ্গল।
ধৱল ছত্ৰক ভৰতে ধৰিল
প্ৰজা কৰে কৌতূহল॥
পানৈজুৰি নিয়া পাটত বৈসায়া
তাঙ্কে ৰাজ্য ভাৰ দিল।
জয় জয় ৰাম বুলি প্ৰজা সবে
আনন্দ আতি কৰিল॥ ২৬০৮
ঢোল ঢাক শঙ্খ বাজয় অসংখ্য
ঝমকে বাজে মাদল।
উটত নিশান অনেক বিশাল
ঘোড়াত বাজে তবল॥
বেমুচি খুমচি ডিণ্ডি মদগৰ
বাজে ভাণ্ডি কাংশতাল।
মুহুৰা দোশৰি ঝড় ঝড়ি ভেৰা
শৰদৰ কোলাহল॥ ২৬০৯
অনন্তৰে শত্ৰু ঘন কুমৰক
অযোধ্যা লাগি পঠাইল।

CC-0. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

ভৰতে তহিতে পাত্ৰ সমন্বিতে
যত ৰাজকাৰ্য্য চাইল ॥
অন্যায় তেজিয়া সমুচিতে যত
ধন উপাৰ্জ্জন ভৈল।
হুয়া অৱনত পানৈৰ আগত
সমস্তে তাক যোগাইল ॥ ২৬১০
সততে ৰামৰ ভক্তি ততপৰ
ভৰতএ সুবিনীত।
ৰাজকাজ নিত কৰি সমুচিত
নন্দিগ্ৰামে ভৈল থিত ॥
যত শিষ্ট শান্ত জন পালিলন্ত
দুষ্টক দণ্ডি সৰ্বথা।
এহি মানে আবে ভৈলা সমাপতি
অযোধ্যাকাণ্ডৰ কথা ॥ ২৬১১
অযোধ্যা নগৰে দশৰথ গৃহে
শ্ৰীৰাম অৱতাৰ।
ৰূপে গুণে মানে দানে ত্ৰিভুবনে
সমান নাহিকে যাৰ ॥
সনতকুমাৰ আদি যোগেশ্বৰ
নজানে যাৰ ৰহস্য।
যিটো কোটি কোটি ব্ৰহ্মাণ্ডৰ পতি
তেন্তো ভকতিত বশ্য ॥ ২৬১২
সকল নিগম গণে কহি যাৰ
গুণৰ নপাৰে অন্ত।
ব্ৰহ্ম হৰ পুৰ- ন্দৰ আদি দেৱে
যাহাৰ পদে সেৱন্ত ॥
অনন্ত শকতি- ধৰ মহেশ্বৰ
যিটো দেৱ ভগৱন্ত।
ভকতিত বশ্য হুয়া ভকতৰ
তেহেন্তো আজ্ঞা পালন্ত ॥ ২৬১৩
পিতৃৰ সত্যক পালিয়া বনক
গৈলা ভ্ৰাতৃ ভাৰ্য্যা সঙ্গে।
মাধৱ কন্দলী ভণিলন্ত ৰাম
ৰহিলা বনত ৰঙ্গে ॥
ভকত জনৰ মনক পূৰণ
কৰন্ত ৰামে নিশ্চয়।
হেনয় পৰম কৃপালু দেৱতা
আৰৰ কোন আছয় ॥ ২৬১৪
হেন মহেশ্বৰ প্ৰভু ৰাঘৱৰ
কৃপালু গুণক জানি।
ৰামৰ চৰণ পঙ্কজক মাত্ৰ
ভজিয়োক সবে প্ৰাণী ॥
শুনা নিৰন্তৰ দুৰ্জ্জন জনৰ
নকৰিবা জানি সঙ্গ।
একেজনী দুষ্টা কুজীৰ নিমিত্তে
ঈশ্বৰৰো ছত্ৰ ভঙ্গ ॥ ২৬১৫
অযোধ্যা নগৰে আছে যত জন
ৰামত সবে ভকত।
মন্থৰাত হন্তে পাইলা যত দুখ
কহিবে কোনে শকত ॥
হেন নিষ্ঠ জানি দুসঙ্গ তেজিয়া
লৈয়ো সঙ্গ মহন্তৰ।
তেসম্বে সহিতি বসি এক প্ৰীতি
শুনিয়ো কথা ৰামৰ ॥ ২৬১৬
সকলে শাস্ত্ৰৰ এহি তাতপৰ্য্য
জানিয়া তেজিয়ো হেলা।
অথিৰ জীৱন যাই কেতিক্ষণ
অপেক্ষাৰো আৰো বেলা ॥
কলিত সম্প্ৰতি নাহি আন গতি
বিনে মাধৱৰ নাম।
মাধৱ কন্দলী কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম ॥ ২৬১৭

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

অযোধ্যাকাণ্ড সমাপ্ত

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha

CC-O. Nanaji Deshmukh Library, BJP, Jammu. Digitized By Siddhanta eGangotri Gyaan Kosha